# জাগীৰোড মহাবিদ্যালয় আলোচনী

১৯৯৯ - ২০০১



# জাগীৰোড মহাবিদ্যালয় আলোচনী

১৯৯৯ - ২০০১ বৰ্ষ

সম্পাদিকা
প্ৰতিষা বৰা

তত্বাবধায়ক
ওম প্ৰকাশ ডেকা,
কাননধৰ চৌধুৰী,
ৰঞ্জু গগৈ চুতিয়া

Jagiroad Mahavidyalaya Alochani, Literary journal of the Students' Union, Jagiroad College, Morigaon, Ass
Edited by Pratisha Bora and published by principal Dr. Altafur Rahman Jagiroad College
Megazine Incharge : Om Prakash Deka

# জাগীৰোড মহাবিদ্যালয় আলোচনী

## ১৯৯৯ - ২০০১ বৰ্ষ

**সম্পাদনাৰ নেপথ্যতঃ**

ড° আলটাফুৰ ৰহমান (অধ্যক্ষ)

**প্ৰবক্তা আৰু অধ্যাপিকা ঃ**

ওম প্ৰকাশ ডেকা
কাননধৰ চৌধুৰী, অধ্যাপিকা
ৰঞ্জু গগৈ চুতিয়া, অধ্যাপিকা
অপূৰ্ব ডেকা, সাঃ সম্পাদক, ছাত্ৰ একতা সভা ২০০০
প্ৰহ্লাদ কাকতী, সাংস্কৃতিক সম্পাদক, ২০০০

**সম্পাদিকা ঃ**

প্ৰতিষা বৰা

**বেটুপাতৰ ক'লাজ ঃ**

উৎপল বৰা

**অলংকৰণঃ**

ওম প্ৰকাশ ডেকা

**মুদ্ৰণঃ**

গিগাবাইট্চ প্ৰেছ এণ্ড পাব্লিকেশ্যন
মিলনপুৰ ঃ নগাঁও (অসম)

# অৰ্পণ

বিগত দুটা বছৰত
যি কেইজন ছাত্ৰই
আমাৰ বুকু উদং কৰি থৈ অকালতে
আমাৰ মাজৰ পৰা আতৰি গ'ল
তেওঁলোকৰ সোঁৱৰণত
মহাবিদ্যালয় আলোচনী সংখ্যাটি
অৰ্পণ কৰা হ'ল।

# শ্ৰদ্ধাৰ্ঘ্য



**ঁ প্ৰবীণ বৰঠাকুৰ**

জন্ম ঃ ৪ ফেব্ৰুৱাৰী, ১৯৩৯ চন
মৃত্যু ঃ ১ নবেম্বৰ, ২০০০ চন।

জাগীৰোড অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ, অক্লান্ত সমাজকৰ্মী তথা জাগীৰোড মহাবিদ্যালয়ৰ লগত জন্ম লগ্নৰে পৰা জড়িত থকা এই জনা ব্যক্তি স্বৰ্গীয় বৰঠাকুৰ দেৱক আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

আমি জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা কৰ্তৃপক্ষ / কৰ্মচাৰী সকলে তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

# শ্ৰদ্ধাৰ্ঘ্য



**ঁ ৰেণু শইকীয়া**

জন্ম ঃ ৯ আক্টোবৰ, ১৯৩২ চন
মৃত্যু ঃ ১৮ জুলাই, ২০০১ চন।

জাগীৰোড অঞ্চলৰ বিশিষ্ট সমাজ-সেৱিকা ধৰ্মপ্ৰাণা মহিলা তথা জাগীৰোড মহাবিদ্যালয়ৰ জন্ম লগ্নৰে পৰা জড়িত থকা স্বৰ্গীয়া ৰেণু শইকীয়াক আমি শ্ৰদ্ধাৰে সোঁৱৰিছো।

আমি জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা কৰ্তৃপক্ষ / কৰ্মচাৰী সকলে তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

# তত্বাৱধায়কৰ একলম

আজি বিশ্বৰ পেক্ষাপটত সম্প্ৰতিক সমাজৰ প্ৰতিচ্ছবি দুখ লগা ধৰণে অৱনমিত হৈছে । বৰ্ত্তমান পৃথিবীৰ চৌদিশে মাথো অৰাজকতা, শূণ্যতা বিৰাজ কৰিছে। প্ৰাত্যহিক সংবাদ সমূহে সংবেদনশীল মানুহৰ বাবে কঢ়িয়াই আনিছে কেৱল অনিশ্চয়তা। হত্যা, ধৰ্ষণ, ড্ৰাগছ্, দুৰ্নীতি, স্বজনতোষন, সহজ লভ্য ঐশ্বৰ্য্য, সাম্প্ৰদয়িকতা, ক্ষমতাৰ অপব্যৱহাৰ আদি অনেকবোৰ কাৰকে আমাৰ মন সংকুচিত কৰি আনিছে। ক্ষয়িঞ্চু সমাজ ব্যৱস্থাই মানৱজীৱন দুৰ্বিসহ কৰি তুলিছে। এনে এক ত্ৰাস আৰু সংকুচিত পৰিপাৰ্শ্বত যুৱশক্তিৰ ভূমিকা কেনে হোৱা উচিত প্ৰশ্নৰ উদ্ৰেক হয়।

যুৱ সমাজক আজিৰ শিক্ষা ব্যৱস্থাই সঠিক পথৰ যে সন্ধান দিব পৰা নাই সি ধুৰূপ। কিয়নো পুথিগত শিক্ষাই ছাত্ৰ সমাজক দিব পৰা নাই ভবিষ্যত জীৱনৰ নিশ্চয়তা তথা নিৰাপত্তা, কেৱল ডিগ্ৰী সৰ্বস্ব হোৱাৰ বাবেই যুৱ সমাজে ডিগ্ৰী লৈ অহাৰ পাছত জীৱন যুজত কঠিন প্ৰত্যাহবানৰ সন্মুখিন হৈছে। ফলত সমাজ ব্যৱস্থাৰেই পট পৰিবৰ্ত্তন হবলৈ আৰম্ভ কৰিছে। এফালে শিক্ষিতৰ হাৰ বৃদ্ধি আনফালে নিবনুৱা সমস্যা। বৃত্তিমুখী শিক্ষা ব্যৱস্থাৰ তেনে কোনো উল্লেখযোগ্য প্ৰগতি নোহোৱাৰ বাবে সমস্যাই ভয়বাহ ৰূপ লৈছে। হওঁতে চৰকাৰে সকলোবোৰ অনুধাৱন কৰিলেও তেনে কোনো পৰিবৰ্ত্তন কৰিব নোৱাৰাৰ বাবে বৰ্ত্তমান শিক্ষা ব্যৱস্থাটোয়েই এটা প্ৰহসনত পৰিণত হৈছে।

এনে এক সন্ধিক্ষণত ছাত্ৰ সমাজৰ পৰা নিষ্ঠা, সততা, শিষ্টাচাৰ তথা ঐকান্তিকতা কেনেদৰে আশা কৰা যায় চিন্তাৰ বিষয় হৈ পৰিছে। বৰ্ত্তমান সমাজিক ব্যৱস্থাটোয়েই আজিৰ যুৱশিক্ত বা ছাত্ৰ সমাজৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান। এনে এক ক্ষণত যদি ছাত্ৰ সমাজে ধৈৰ্য্য সহকাৰে আগবাঢ়িব নোৱাৰে তেনেহ'লে তেওঁলোকৰ ভবিষ্যত বুলি একো নাথাকিব। সেয়েহে ছাত্ৰ সমাজে এনে প্ৰত্যাহ্বান গ্ৰহণ কৰি নিষ্ঠা সততাৰে আগবাঢ়ক, এয়ে কাম্য।

— **ওমপ্ৰকাশ ডেকা**

# সম্পাদকীয়

বৰ্ত্তমান যুব প্ৰজন্মৰ মাজত কৰ্মসংস্কৃতিৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে। কিন্তু ইয়াৰ বাবে কেবল যুব প্ৰজন্মক দায়ী কৰিলেই নহব । ইয়াৰ বাবে কিছু পৰিমাণে দায়ী প্ৰচলিত শিক্ষা ব্যৱস্থা, ছাত্ৰ-ছাত্ৰীৰ মাজত কৰ্মস্পৃহা জগাই তোলাতো শিক্ষাৰ অন্যতম লক্ষ্য হোৱা উচিত। কিন্তু প্ৰচলিত শিক্ষা পদ্ধতিৰ ফলত বছৰি বছৰি এনে কিছুমান ছাত্ৰ-ছাত্ৰী বিদ্যালয়, মহাবিদ্যালয় সমূহৰ পৰা ওলাই আহে, যিবোৰ কোনো কামৰ উপযুক্ত নহয় আৰু এটা জাতিৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যজনক কথা একোবেই হব নোৱাৰে। সেয়েহে পাঠ্যক্ৰম প্ৰস্তুত কৰোতে পাঠ্যপুথিৰ কথাবোৰ যাতে দৈনন্দিন জীৱনত উপযোগিতা থাকে তাৰ প্ৰতি লক্ষ্য ৰাখি নতুন দৃষ্টিভঙ্গী লোৱাৰ প্ৰয়োজন হৈছে।

বৰ্ত্তমান সময়ত গোটেই পৃথিৱীকে যিটো ৰোগে আক্ৰান্ত কৰিছে সেইটো হৈছে সন্ত্ৰাসবাদ। এই সন্ত্ৰাসবাদ দমনৰ ক্ষেত্ৰত আমাৰ যুৱ সমাজৰ অধিক কৰণীয় আছে, বৌদ্ধিক চিন্তা চৰ্চা তথা মাননশীলতাৰ বিকাশে নিশ্চয় এইক্ষেত্ৰত বহু সহায় সহযোগিতা আগবঢ়াব। মহাবিদ্যালয়ৰ আলোচনী খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বৌদ্ধিক চিন্তা-চৰ্চা তথা এক সাহিত্য চৰ্চাৰ পৰিবেশ সৃষ্টি কৰাত গুৰুত্ব অপৰিসীম। জাগীৰোড মহাবিদ্যালয়ৰ পৰা ইতিমধ্যে প্ৰকাশিত আলোচনীবোৰে এই ক্ষেত্ৰত ছাত্ৰ- ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিছে। মহাবিদ্যালয় এখনৰ মজিয়াৰ পৰা আলোচনা প্ৰকাশৰ এই প্ৰয়াস নিশ্চিতভাবে আদৰণীয়, কিন্তু বিগত শিক্ষা বৰ্ষবোৰত দুবাৰমানৰ বাবে এই প্ৰয়াসৰ ধাৰাবাহিকতাত জটি পৰিছে। এই ক্ষেত্ৰত কৰ্তৃপক্ষ তথা ছাত্ৰ-ছাত্ৰীসকলৰ গুৰুত্ব দিয়াৰ আৱশ্যকতা আছে। অনিবাৰ্য্য কাৰণবশত ১৯৯৯-২০০০ শিক্ষাবৰ্ষৰ আলোচনীখন প্ৰকাশ নোপোৱাৰ বাবে এইবাৰ ১৯৯৯-২০০০ আৰু ২০০০-০১ শিক্ষাবৰ্ষৰ বাবে এই সংকলন খনি একেলগে প্ৰকাশৰ ব্যৱস্থা লোৱা হৈছে। আনন্দৰ কথা যে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আলোচনীখনৰ বাবে লেখনিৰ ক্ষেত্ৰত আশানুৰূপ সহাৰি পোৱা গৈছে। এই সংখ্যাটিলৈ বিভিন্ন বিষয়ৰ ওপৰত লিখনি আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী তথা সমূহ শিক্ষাগুৰুসকললৈ ধন্যবাদ জ্ঞাপন কৰিলো। এই আলোচনীখন অতি কম সময়ৰ ভিতৰত প্ৰকাশ কৰিব লগা হোৱা বাবে বহুতো ভুলত্ৰুতি থাকি যাব পাৰে। পঢ়ুৱৈ সকলে এই ভুলবোৰ গঠনমূলক সমালোচনাৰে উনুকিয়াই দি আলোচনীখনৰ মানদণ্ড আৰু উন্নত কৰাত সহায় কৰিব বুলি আশা কৰি এই আলোচনীখন পঢ়ুৱৈ সকললৈ আগবঢ়ালো।

— প্ৰতিযা বৰা

# প্ৰবন্ধ

প্ৰবন্ধত লেখকৰ জীৱনানুভৱ,মননশীল ৰূপত প্ৰকাশ পায়। সেয়েহে প্ৰবন্ধত লেখকৰ ব্যক্তিনিষ্ঠতা লক্ষ্য কৰা যায়। **'Style is the man himself'** শৈলীয়েই ব্যক্তি কথাযাৰ প্ৰবন্ধকাৰৰ ক্ষেত্ৰত সেয়েহে প্ৰজোয্য হোৱা যেন লাগে।

***XXX***

'তত্বালোচনাৰ গ্ৰন্থও বজাৰতে ভেঁকুৰে। যৌন বিলাসৰ (যৌন তত্বৰ গভীৰতাৰ নহয়) উচ্ছাস ভৰা গল্প, উপন্যাসে হলে ফল্গু সুঁতিয়েদি বহুত বালি তিয়ায়। বিদ্যালয় মহাবিদ্যালয় বিশ্ববিদ্যালয়ৰ কাষ চাপিলে চিন্তাৰ এই সংকট হেনো আৰু সন্নিকট হয়। সাহিত্য তত্বালোচনাৰ নামত চমক লগোৱা নাম-পাতৰ তলত বহুত শব্দৰ স্তুপ ৰচিত হৈছে। অথচ উপলব্ধিৰ ফালে সেইপোনে তলি উদং। বিশ্ববিদ্যালয়ৰ চৰম উপাধি ধাৰি ভাষাতাত্বিকৰ আকাৰ-ইকাৰ বোৰেই থিত নালাগিল। ভাষাৰ অৰ্নাচ, প্ৰথম শ্ৰেণীৰ এম, এ আৰু ডক্টৰ এজনো যেতিয়া তত্ব শব্দৰ তৎধৰাত অক্ষম আমাৰ ভাষা সাহিত্য দেৱলীয়া নহৈ দেৱলীয়া হবলৈ কি বস্তু আছে?

– ড° মহেশ্বৰ নেওগ ।

# সত্যঃ তিনিটা উক্তি, তিনিটা চৰিত্ৰ আৰু ব্যক্তিগত চিন্তা

**শ্ৰীপুলক জ্যোতি বৰা,** ৰষায়ন বিজ্ঞান বিভাগ

"সত্য" এটা মাথো শব্দ নহয়; ই যেন নিজেই এক ধাৰা, যাৰ প্ৰভাৱ বৰ্তমান সময়ত বাৰুকৈয়ে অনুভূত হয়। সত্য সম্বন্ধে মোৰ ধাৰণা স্পষ্ট "Nothing above truth,always ready to sacrifice for truth" সত্য তথা মুখৰ কথাৰ সম্পৰ্কে তিনিজন মহান মনীষীৰ তিনিটা উক্তিৰ আঁত ধৰিয়েই এই লেখা আগবঢ়াব বিচাৰিছো। মনীষী তিনিজন হ'ল মহামানৰ মহাত্মা গান্ধী, কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু প্ৰাক্তন ৰাষ্ট্ৰপতি দাৰ্শনিক ডঃ ৰাধাকৃষ্ণণ।

১৯২৫ চন। মহামানৱ গান্ধীজী দেশবন্ধু চিত্তৰঞ্জন দাসৰ ৰুগ্ন শৰীৰৰ খবৰ লবলৈ দাৰ্জিলিংলৈ গৈছিল। তাতে আছিল ৰবীন্দ্ৰ নাথৰ পৰম সুহৃদ দ্বিজেন্দ্ৰনাথ মিত্ৰৰ কন্যা মীৰা চৌধুৰী। ৭ জুনৰ দিনা তেওঁ নিজৰ 'অটোগ্ৰাফ' খন বাপুজীৰ আগত দি কিবা এটা লিখিবলৈ অনুৰোধ কৰিলে। বাপুজীয়ে অতি আনন্দৰে লিখিলে, "Never make a promise in haste. Having once make it fulfill it at the cost of your life." অৰ্থাৎ "কেতিয়াও লৰালৰিকৈ একো প্ৰতিজ্ঞা নকৰিবা, যদিহে এই প্ৰতিজ্ঞা কৰা, তেন্তে জীৱন আহুতি দিও সেয়া পালন কৰিবা।"

১৯৩১ চন। স্থান কলিকতা। এক বিশেষক্ষণত মীৰা চৌধুৰীয়ে তেওঁৰ অটোগ্ৰাফখন আগবঢ়ালে কবিগুৰু ৰবীন্দ্ৰনাথলৈ। কবিগুৰুয়ে পাত লুটিয়াই ১৯২৫ চনত গান্ধীজীয়ে লিখা কথাখিনি দেখা পালে। বাপুজী সম্পৰ্কে ৰবীন্দ্ৰনাথে নিজেই কৈছিল "যি সকল মহাপুৰুষ, তেওঁলোকৰ যেতিয়া আগমন হয়, আমি তেওঁলোকক ভালকৈ চিনিব নোৱাৰো। কাৰণ আমাৰ শিথিল স্বভাৱ আৰু দুৰ্বল অভ্যাসে এইক্ষেত্ৰত আমাক পদে পদে অপাৰগ কৰি তুলিছে। আমাৰ মনত সেই সহজাত শক্তি নাই যাৰ জৰিয়তে আমি মহত্বক সম্পূৰ্ণ বুজিব পাৰো। যিজন সবাতোকৈ মহৎ তেওঁকেই আমি সবাতোকৈ দূৰত ৰাখিছো।" ৰবীন্দ্ৰনাথে এই উক্তিৰ মাজেৰেই গান্ধীজীক 'মহাত্মা' নামেৰে বিভূষিত কৰিছিল। মীৰা চৌধুৰীৰ অটোগ্ৰাফত গান্ধীজীৰ লিখনি চাই কবিগুৰু ক্ষন্তেক থমকি ৰ'ল। তাৰ পাছত তেওঁ লিখিলে,"Surrender your pride to truth. Fling away your promise if it is found to be wrong" অৰ্থাৎ তোমাৰ সকলো অহংকাৰ সত্যৰ ওচৰত সমৰ্পন কৰা; তুমি যি প্ৰতিজ্ঞা কৰিছা সেয়া যদি ভুল প্ৰমাণিত হয় তেন্তে তাকো পাৰিহাৰ কৰা।"

ড° ৰাধাকৃষ্ণণ। এজন স্বয়ংসম্পূৰ্ণ পুৰুষ। যেতিয়া ১৯৫০ চনত মীৰা চৌধুৰীয়ে একেখন অটোগ্ৰাফকে তেওঁলৈ আগবঢ়াই দিলে তেতিয়া ডঃ ৰাধাকৃষ্ণণে পাত লুটিয়াই গান্ধীজীআৰু ৰবীন্দ্ৰনাথৰ লেখা পঢ়ি ক্ষন্তেক থমকি লিখিলে, "Whether you fling away a promise or cling to it,be true to yourself. Truth without charity is an idol" অৰ্থাৎ নিজে কৰা প্ৰতিজ্ঞা তুমি খামোচ মাৰি ধৰি থকা বা পৰিহাৰ কৰা এটা কথা কিন্তু নাপাহৰিবা; সেয়া হ'ল নিজৰ সত্তাক সত্যৰ উপৰত প্ৰতিষ্ঠা কৰিবা। প্ৰেম, মৰম বদান্য বিহীন সত্য কিন্তু সদায়েই মাটিৰ প্ৰতিমা হৈয়ে থাকিব।"

সচাঁয়ে কিযে মহান সেই উক্তি, কিযে মহান সেই ব্যক্তি আৰু তেওঁলোকৰ চিন্তাশীল ভাৱগধুৰ অভিব্যক্তি। সত্যৰ অন্বেষন তথা প্ৰতিজ্ঞাৰ প্ৰমূল্যবোধক জীয়াই ৰখাৰ বাবে ইয়াতকৈ ভাল উক্তি হয়টো বিৰল। যদিও দুৰ্নীতি-অনীতিঁৰে পৃথিৱী ছানি ধৰিছে তথাপিও সত্যৰ সাধক সকলে আমাক প্ৰকৃত পথৰ সন্ধান দিয়ে থাকিব। গান্ধীজীৰ ত্যাগ, ৰবীন্দ্ৰনাথৰ আদৰ্শ আৰু ডঃ ৰাধাকৃষ্ণণৰ চিন্তা উদ্ৰেককাৰী যুক্তিয়ে আমাক আজীৱন প্ৰেৰণা যোগায় থাকিব। ❑

# নাস্তি যোগাৎ পৰম বলম্

**শ্ৰীআনন্দৰাম বুঢ়াগোহাঞি,** প্ৰবক্তা, গণিত বিভাগ, জাগীৰোড মহাবিদ্যালয়

"জগতৰ শ্ৰেষ্ঠ কবিতা কোনটো ?" বুলি এবাৰ সোধা এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উত্তৰত নোবেল বঁটা বিজয়ী শ্ৰেষ্ঠ কবি টি, এচ, এলিয়টে (T. S. Eliot) কৈছিল যে তেওঁ দুটা বিশেষ কবিতাক জগতৰ শ্ৰেষ্ঠ কবিতা বুলি গণ্য কৰে ; তাৰে এটা হ'ল মহাকবি ডান্টেৰ 'ডিভাইন কমেডি' আৰু আনটো হ'ল মহৰ্ষি ব্যাসদেৱৰ 'শ্ৰীমদ্ভগবদ্গীতা'। এলিয়টৰ এই তাৎপৰ্য্যপূৰ্ণ উত্তৰে ভাৰতীয় সংস্কৃতিক সুপ্ৰতিষ্ঠিত কৰাৰ লগতে জনমানসত শ্ৰীমদ্ভাগৱত গীতাৰ গুৰুত্ব আৰু গৰিমা বহুগুণে বৃদ্ধি কৰিলে। শ্ৰীমদ্ভগবদ্গীতা, অতি আপোনজনক এটি সুমধুৰ সংক্ষিপ্ত নামেৰে মতাৰদৰে যাক আমি আদৰতে সংক্ষেপে 'গীতা' বোলোঁ, ভাৰতীয় মনীষাৰ এক উজ্জ্বল নিদৰ্শন। অনভিজ্ঞজনে কেৱল কিছুমান ভকতীয়া কথাৰ সংগ্ৰহ বা সাধাৰণ লোকৰ কামত নহা কিছুমান গধুৰ দাৰ্শনিক তত্বৰ সমষ্টি বুলি উপহাস কৰা গীতা গ্ৰন্থখন ভাৰতৰ জাতীয় জীৱনৰ স্পন্দনস্বৰূপ আৰু ইয়াৰ বিচাৰসমূহ জীৱন অনুসন্ধানী প্ৰতিজন সংগ্ৰামী ব্যক্তিৰ জীৱনযুদ্ধৰ কুৰুক্ষেত্ৰৰ ৰথৰ সাৰথি। এই গীতা গ্ৰন্থখনিত ভাৰতীয় সংস্কৃতিৰ মধ্যমণিস্বৰূপ যোগেশ্বৰ শ্ৰীকৃষ্ণই তেওঁৰ সখা অৰ্জ্জুনক প্ৰকাৰান্তৰে কৈছে, "অৰ্জ্জুন, তুমি কেৱল কৰ্ম আৰু ভক্তিৰ আচৰণ অথবা কেৱল জ্ঞানৰ অন্বেষণ নকৰিবা ; এই সকলোবোৰতে তুমি যোগ আচৰণ কৰা আৰু তেতিয়াহে সমস্ত যজ্ঞানুষ্ঠানৰ মহাপ্ৰসাদ আনন্দ লাভ কৰিব পাৰিব।" সঁচাকথা! আমি নিতৌ নতুন নতুন জ্ঞান লৈছোঁহে লৈছোঁ, ভক্তি আৰু কৰ্মৰ অনুষ্ঠান কৰিছোঁহে কৰিছো — অথচ এই সমূহ যজ্ঞৰ পূৰ্ণাহুতিৰ ফল 'আনন্দ' লাভ কৰিবলৈ সক্ষম হোৱা নাই। এয়া আমাৰ জীৱনৰ এক পৰাজয়েই নহয় চৰম বিপৰ্যয়। কাৰণ, আমাৰ জীৱনৰ সমস্ত পুৰুষাৰ্থৰ লক্ষ্য হ'ল আনন্দ আৰু সমস্ত অস্তিত্বৰ সাৰ হ'ল আনন্দ। জীৱনত আনন্দৰ অসীম খেলা দেখি উপনিষদৰ ঋষিয়েতো সগৌৰৱে ঘোষণাই কৰিছে — আনন্দত জীৱনৰ শুভাৰম্ভ, আনন্দত জীৱন আৰু আনন্দতে জীৱনৰ পৰিসমাপ্তি। স্বৰূপ উপলব্ধিত ব্যৰ্থ হৈহে আমি আনন্দপূৰ্ণ জীৱনটোক বিষাদগ্ৰস্ত কৰি পেলাইছো। আনন্দঘন সংসাৰত আনন্দৰ স্বৰূপ উপলব্ধিৰে আনন্দত নাদুৰি-সাঁতুৰি জীৱনটো আনন্দময় কৰি তুলিবলৈ তেওঁলোকে আমাক উপদেশ দিছে। কেৱল সেয়ে নহয়, বিশ্বজাগতিক প্ৰক্ৰিয়াটোৰ সৰ্ব্বময় কৰ্ত্তা সনাতন ব্ৰহ্মও যে আনন্দময় তাৰ সাৰ্থক ইংগিত তেওঁৰ সদানন্দ আৰু সচ্ছিদানন্দ (সৎ + চিৎ + আনন্দ) নাম দুটিয়েই বহন কৰে। এই সনাতন ব্ৰহ্মক ঋষিসকলে আনন্দনিধি বুলি অভিহিত কৰিছে। গভীৰ অধ্যয়ন আৰু সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে আমি স্বীকাৰ কৰিবলৈ বাধ্য হওঁ যে ব্ৰহ্মাণ্ডৰ সাৰভূত বস্তুটো আনন্দৰ বাহিৰে আন একো নহয়। এই আনন্দৰ প্ৰাপ্তি কেৱল যোগৰ আচৰণৰ দ্বাৰাহে সম্ভৱপৰ বুলি যোগেশ্বৰ কৃষ্ণই গীতাৰ বিভিন্ন অধ্যায়ত প্ৰকট কৰি কৈছে। নিৰন্তৰ দুখ যন্ত্ৰণাৰে পীড়িত মানৱ জীৱনত যোগৰ গুৰুত্বও এইখিনিতেই। এতিয়া আমাৰ মূলভূত প্ৰশ্নটো হৈছে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ সাৰভূত বস্তু আনন্দ আহৰণৰ সঁচাৰ কাঠিস্বৰূপ যোগ মানেনো কি বা ইয়াৰ পদ্ধতিগত চৰ্চ্চানো কেনেদৰে কৰিব পাৰি?

পৃথিৱীৰ প্ৰায় সৰহসংখ্যক লোকেই যোগ শব্দটোৰ লগত বহুলভাৱে পৰিচিত যদিও খুব কমসংখ্যক লোকেহে ইয়াক প্ৰকৃতাৰ্থত বুজি পায়। আনহে নেলাগে নিয়মিত যোগচৰ্চ্চাকাৰী সকলৰো বহুতেই ব্যাপক অৰ্থ বহনকাৰী এই যোগ শব্দটিৰ অন্তৰ্নিহিত গভীৰ তাৎপৰ্য্য ভালদৰে বুজি নেপায়। বহুতে ইয়াক সংসাৰ ত্যাগী সন্ন্যাসীসকলে অলৌকিক শক্তি লাভৰ বাবে কৰা গোপন

সাধনা বুলিহে ভাবে। আন বহুতে আকৌ ভাবে যে সংসাৰী লোকসকলে যোগ সাধনাত কেতিয়াও কৃতকাৰ্যতা লাভ কৰিব নোৱাৰে আৰু সেয়েহে যোগ সাধনাত সিদ্ধিলাভৰ বাবে সংসাৰ ত্যাগ কৰাটো অত্যন্ত জৰুৰী বুলি তেওঁলোকে মত পোষণ কৰে। কিছুমানে যোগ চৰ্চাক শৰীৰৰ সৌন্দৰ্যবৰ্দ্ধন আৰু সুস্বাস্থ্যলাভৰ বাবে কৰা কিছুমান বিশেষ শ্ৰেণীৰ শাৰীৰিক ব্যায়াম বুলিহে আখ্যা দিয়ে। আন কিছুমানে আকৌ যোগ বুলিলে হিন্দু ধৰ্মৰ এক বিশেষ সাধন পদ্ধতি বুলি বিবেচনা কৰে আৰু আন ধৰ্মাৱলম্বী লোকৰ বাবে ইয়াক অনুপযোগী বুলি গণ্য কৰে। কিন্তু যোগ সম্বন্ধীয় এই ধাৰণাসমূহ একেবাৰে শুদ্ধ নহয়। এনেধৰণৰ অলেখ বদ্ধমূল তথা সংকীৰ্ণ আৰু ভ্ৰান্ত ধাৰণাৰ বাবেই মহোপকাৰী ভাৰতীয় যোগবিদ্যাই সমাজত জনপ্ৰিয়তা আৰু প্ৰসাৰতা লাভ কৰিবলৈ সক্ষম হোৱা নাই। কিন্তু এটা অতি সুখৰ খবৰ হ'ল এই যে সম্প্ৰতি পৃথিৱীৰ বহুকেইখন উন্নত দেশত ভাৰতৰ এই আপুৰুগীয়া সম্পদটি ওপৰত ব্যাপক অধ্যয়ণ আৰু গবেষণা চলি আছে। এই গৱেষণাসমূহে যোগৰ বৈজ্ঞানিক ভিত্তি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাৰ লগতে বহুতো মূল্যবান তথ্য পোহৰলৈ আনিছে। বিশেষকৈ ৰোগাৰোগ্য আৰু শৰীৰৰ আভ্যন্তৰীণ প্ৰতিৰোধ ক্ষমতা গঢ়ি তোলাৰ ক্ষেত্ৰত যোগৰ সফল ভূমিকা আৰু সামৰ্থ্য দেখি গবেষকসকল বিস্ময়ত অভিভূত হৈ পৰিছে। চিকিৎসা বিজ্ঞানীসকলেও বৰ্ত্তমানে নিজৰ গোড়ামি এৰি মানৱ শৰীৰ আৰু মনৰ ওপৰত যোগৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ণত আত্মনিয়োগ কৰিছে। উল্লেখযোগ্য যে আধুনিক চিকিৎসা পদ্ধতিৰে আৰোগ্য কৰিব নোৱাৰা বহুতো মানসিক আৰু মনোশাৰীৰিক ৰোগ যৌগিক পদ্ধতিৰ সফল প্ৰয়োগৰদ্বাৰা আৰোগ্য কৰিবলৈ তেওঁলোক সক্ষম হৈছে। এনেদৰে গা কৰি উঠা যৌগিক চিকিৎসা পদ্ধতি আৰু ভাৰতীয় যোগবিদ্যাই পশ্চিমীয়া দেশসমূহত বৰ্ত্তমান বিপুল সমাদৰ লাভ কৰিছে। যোগৰদৰে এক মহামূল্যবান বিদ্যা জগতক প্ৰদান কৰাৰ বাবেই বহুতো দেশে ভাৰতক যোগবিদ্যাৰ দেশ বুলিহে অভিহিত কৰে। অথচ যোগবিদ্যাৰ দেশ ভাৰতত সম্প্ৰতি যোগচৰ্চ্চাৰ ক্ষেত্ৰত বিশেষ কোনো আগ্ৰহ দেখা নেযায়। বৰঞ্চ যোগচৰ্চ্চাৰ এক উপযুক্ত পৰিবেশ থকা স্বত্বেও ভাৰতীয় মানুহে ইয়াৰ প্ৰতি অনীহা প্ৰকাশ কৰাহে সততে পৰিলক্ষিত হয়। ভাৰতীয় বস্তুৰ প্ৰতি ভাৰতীয় লোকৰ স্বাভাৱিক অনীহাই হয়তো ইয়াৰ মূল কাৰণ। এনে অনীহাৰ বাবেই বহুতো ভাৰতীয় লোকে বিভিন্ন সময়ত বিশেষ লজ্জাজনক পৰিস্থিতিৰ সন্মুখীন হোৱাও সঘনে পৰিলক্ষিত হয়। কেইবছৰমান আগতে তেনে এক পৰিস্থিতি হৈছিল ফ্ৰান্সত। ঘটনাটো এনেধৰণৰ — এজন ভাৰতীয় ভদ্ৰলোকে ফ্ৰান্স ভ্ৰমণৰ বাবে গৈছিল। তাত তেওঁ এজন ফৰাচী ভদ্ৰলোকৰ লগত চিনা- পৰিচয় হওঁতে ফৰাচী লোকজনে তেওঁক ভাৰতীয় বুলি জানিব পাৰি বৰ উৎসুকতাৰে ক'লে "oh ! you are from the land of Yoga. I hope you know all about yoga". এনেদৰে কৈয়েই ক্ষান্ত নেথাকি যোগৰ নিয়মীয়া চৰ্চ্চাকাৰী সেই ফৰাচী ভদ্ৰলোকজনে ভাৰতীয়জনৰ লগত যোগসম্পৰ্কে এক অৰ্থপূৰ্ণ চৰ্চ্চা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। কিন্তু ভাৰতীয় লোকজনে যেতিয়া যোগ সম্পৰ্কে তেওঁৰ অজ্ঞতা প্ৰকাশ কৰিলে তেতিয়া এক অভাৱনীয় ঘটনা ঘটিল। এজন ভাৰতীয় লোকৰ যোগৰ ওপৰত কোনো জ্ঞান নেদেখি ফৰাচী ভদ্ৰলোকজনে মহা বিস্ময় মানিলে আৰু স্বতঃস্ফুটভাৱে তেওঁ কৈ পেলালে, "Then you cann't claim to be an Indian" ফৰাচী লোকজনৰ এই মন্তব্যত ভাৰতীয় লোকজন অতিশয় লজ্জিত হ'ল আৰু এই লজ্জাই তেওঁক এনেদৰে উদ্বুদ্ধ কৰিলে যে তেওঁ কেৱল যোগ সম্পৰ্কে অধ্যয়ন কৰিয়েই ক্ষান্ত নহৈ নিজকে এজন যোগ সাধকলৈ উন্নীত কৰিলে।

যোগসম্পৰ্কে এটা শুদ্ধ তথা সম্যক ধাৰণা পাবলৈ হ'লে ইয়াৰ বিভিন্ন সংজ্ঞাসমূহ সূক্ষ্মভাৱে অধ্যয়ন কৰাটো অত্যন্ত দৰকাৰী। 'যোগ' শব্দটো সংস্কৃত মূল (root) 'যুজ' (yuj) ৰপৰা আহিছে যাৰ অৰ্থ হ'ল জোৰা লগোৱা, লগ লগোৱা (to yoke or to join) বা একত্ৰিত কৰা (to unite)। অৰ্থাৎ যোগ







শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হ'ল — মিলন, একত্ৰীকৰণ, সংযোগ স্থাপন বা সমতা স্থাপন। মিলন বা একত্ৰীকৰণৰ এই প্ৰক্ৰিয়াটো ব্যক্তি জীৱনত আৰম্ভ হৈ অনন্তত পৰিসমাপ্তি ঘটে (দ্ৰঃ অনন্ত সমাপতিভ্যাম)। এজন ব্যক্তিৰ ক্ষেত্ৰত মিলন বা একত্ৰীকৰণৰ অৰ্থ হৈছে ব্যক্তিজনৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক শক্তিসমূহৰ মিলন। এই শক্তিসমূহৰ একত্ৰীকৰণৰদ্বাৰা ব্যক্তিয়ে এক অফুৰন্ত মহাশক্তি লাভ কৰে আৰু এই অতুলনীয় মহাশক্তি লাভৰ প্ৰক্ৰিয়াই হেছে যোগ। সাধাৰণ অৱস্থাত পদাৰ্থ ভেদ কৰাৰ সামৰ্থ নথকা সূৰ্য্যৰ আপাত সমান্তৰাল ৰশ্মিক এখন বিবৰ্ধক কাঁচ বা অভিসাৰী লেন্সৰ সহায়ত এঠাইত কেন্দ্ৰীভূত কৰিলে কেন্দ্ৰীভূত তীব্ৰ শক্তিসম্পন্ন ৰশ্মিয়ে পদাৰ্থক ভেদ কৰাৰ এক অদ্ভুত সামৰ্থ লাভ কৰাৰ দৰেই যোগেও এজন ব্যক্তিৰ বিশেষতাহীন বিশৃংখল শক্তি সমূহক একত্ৰিত কৰি এক মহাশক্তি উৎপন্ন কৰে যি ব্যক্তিৰ আধিভৌতিক, আধিদৈবিক আৰু আধ্যাত্মিক পীড়াসমূহ (ত্ৰিতাপ) নাশ কৰি জীৱনৰ যত পুৰুষাৰ্থৰ মূল লক্ষ্য আনন্দ আহৰণৰ পথ প্ৰশস্ত কৰি তোলে।

পাটীগণিতৰ যোগ প্ৰক্ৰিয়াটোৰ লগতো যোগ শব্দটোৰ মাৰ্মিক সাদৃশ্য আছে। পাটীগণিতীয় যোগ প্ৰক্ৰিয়াটোৰ দুটা বিশেষ বৈশিষ্ট্য হ'ল —
(১) দুটা সংখ্যা লগ হৈ এটা হয় আৰু
(২) একত্ৰিত সংখ্যাটো পূৰ্ব্বৰ সংখ্যা দুটাতকৈ আপেক্ষিকভাৱে ডাঙৰ হয়।
এই দুয়োটা বৈশিষ্ট্য যোগ সাধন প্ৰক্ৰিয়াটো সমভাৱে পৰিলক্ষিত হয়। প্ৰত্যেক ব্যক্তিয়েই বহুতো সুপ্ত (অবিকশিত) আৰু কিছুমান জাগ্ৰত (বিকশিত) শক্তি বা প্ৰতিভাৰ সমষ্টি। যোগৰ নিষ্ঠাপূৰ্ব্বক চৰ্চাই এই সমস্ত শক্তিক একত্ৰিত কৰি এক অখণ্ড প্ৰতিভাৰ সৃষ্টি কৰে যাৰ বলত ব্যক্তিয়ে অসাধ্য সাধন কৰিবলৈ সক্ষম হয়। লক্ষ্য কৰিবলগীয়া কথা হ'ল এই যে সুপ্ত শক্তিৰ ধাৰণাটো কোনো অবৈজ্ঞানিক ধাৰণা নহয়। বিজ্ঞানীসকলে ঠাৱৰ কৰিছে যে আমাৰ শৰীৰৰ অংগসমূহ যেনে হাওঁফাওঁ, মগজু আদিৰ মুঠ কাৰ্য্যক্ষমতাৰ এটা ক্ষুদ্ৰ অংশ ব্যৱহাৰ কৰি আমি আংশিকভাবেহে জীৱন নিৰ্ব্বাহ কৰি আছো ; বাকী বৃহৎ অংশ অব্যৱহৃত বা সুপ্ত (dormant) অৱস্থাতো আছে। এই আংশিকভাৱে ব্যৱহৃত ক্ষুদ্ৰ পৰিমাণৰ শক্তিৰেই আজি মানুহে কি কৰিব পৰা নাই ? যদি শৰীৰস্থিত সমুদায় শক্তিৰ পূৰ্ণ ব্যৱহাৰ হয়, তেন্তে মানুহৰ অসাধ্য জানোঁ কিবা থাকিবগৈ? যোগ প্ৰক্ৰিয়াই শক্তিৰ পূৰ্ণ ব্যৱহাৰৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰে।

যোগৰ এই ব্যুৎপত্তিগত অৰ্থ সমূহৰ উপৰিও ভিন্ ভিন্ গ্ৰন্থত যোগ শব্দটোক বিভিন্ন ধৰণে সংজ্ঞাবদ্ধ কৰিছে। ইতিমধ্যে উল্লেখ কৰা যোগৰ এখন প্ৰামাণ্য গ্ৰন্থ গীতাত কৈছে —
(১) সমত্বং যোগ উচ্যতে আৰু
(২) যোগঃ কৰ্মসু কৌশলম্। অৰ্থাৎ সমতাই হৈছে যোগ আৰু যোগ হৈছে কৰ্মৰ কুশলতা (Yoga is the skill in action)। প্ৰথমটো সংজ্ঞাত সমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কিন্তু এই সমতা কিহৰ ? য'ত অসমতা বা বিষমতা আছে তাতেহে সমতাৰ প্ৰশ্ন আহি পৰে। তেন্তে আমাৰ জীৱনৰ বিষমতানো ক'ত ? জ্ঞানীসকলে কৈছে এই সংসাৰত সৰ্ব্বত্ব কেৱল দ্বৈতৰেই খেলা। ভাল-বেয়া, সুখ-দুখ, পাপ-পূণ্য, হৰ্ষ-বিষাদ, শীত-তাপ, প্ৰাপ্ত-

অপ্রাপ্ত, লাভ-লোকচান, জয়-পৰাজয় আদি দ্বন্দাত্মক ভাবনাৰাজিৰ মাজত অহর্নিশে দোলকৰদৰে দুলি দুলি আমি সংসাৰৰ নিকাৰ ভূঞ্জিব লাগিছো। এই দ্বন্দাত্মক ভাবনাৰাজিত নিৰুদ্বিগ্ন চিত্তেৰে সমতা স্থাপন কৰা আৰু ৰাগ, ভয়, দ্বেষ, ক্রোধ, কাম আদি আবেগসমূহ প্রশমন কৰি মনৰ প্রশান্ত আৰু সচেতন অৱস্থা প্রাপ্ত কৰাই হৈছে যোগ। আনটো সংজ্ঞামতে সংসাৰৰ সমুদায় কর্মৰ বন্ধন বা মুক্তিৰ প্রধান আহিলা মনক বুদ্ধিৰ লগত প্রযুক্ত কৰি পাপ-পূণ্যাদি পৰিত্যাগেৰে কর্মত নির্লিপ্ত হৈ কর্মৰ কুশলতা বা নিপুণতা (skill) প্রাপ্ত কৰাই হৈছে যোগ। কর্মকুশলতাৰ মূল ছাবি-কাঠি হৈছে এটি নিৰুদ্বিগ্ন, সদা-সচেতন তথা প্রত্যেক ব্যক্তিয়েই নিজ নিজ কর্মক্ষেত্রত নিশ্চিতভাৱে নিপুণতা লাভ কৰিব পাৰে। যোগৰ প্রণালীবদ্ধ চর্চাই এজন শিক্ষকক কৃতী শিক্ষক, এজন ছাত্রক সুছাত্র, এজন খেলুৱৈক পাৰদর্শী খেলুৱৈ, এজন কর্মচাৰীক কার্য্যদক্ষ কর্মচাৰী আৰু এজন গৃহস্থীক আদর্শ গৃহস্থী কৰি গঢ়ি তোলে।

ঋক্‌বেদত কৈছে, 'যুজ্যতে অনেন ইতি যোগ'। অর্থাৎ জোৰা বা লগলগাই একত্ব অনাই হৈছে যোগ। মহানির্ব্বাণতন্ত্রৰ মতে যোগ হৈছে জীৱ আৰু আত্মাৰ ঐক্য (যোগ জীবাত্মানো ঐক্যম্)। অন্য হাতেদি যোগবশিষ্ঠ ৰামায়ণত কৈছে, 'মনঃ প্রশমনোপায় যোগ ইত্যাভি ধীয়তে।' অর্থাৎ মনক প্রশমন বা প্রশান্ত কৰাৰ কৌশলেই (Trick of calming down the mind) হৈছে যোগ। স্বামী বিবেকানন্দই কৈছে, "By yoga I mean all round development of the personality" অর্থাৎ ব্যক্তিত্বৰ সর্ব্বাত্মক বিকাশ সাধন প্রক্রিয়াকেই তেওঁ যোগ বুলি অভিহিত কৰিছে। প্রায় একে ভাবর্থৰেই ঋষি অৰবিন্দইও যোগৰ সংজ্ঞা দি কৈছে, "Integral personality development is yoga" অর্থাৎ মানুহৰ অখণ্ড ব্যক্তিত্বৰ বিকাশ সাধনেই হৈছে যোগ।

যোগ সম্বন্ধে এনেধৰণৰ আৰু বহুতো সংজ্ঞা ভিন্ ভিন্ গ্রন্থত পোৱা যায়। সংজ্ঞাবোৰ দেখাত ভিন্ন যেন লাগিলেও প্রত্যেকৰে নিহিতার্থ কিন্তু এটাই। প্রতিটো সংজ্ঞাই এটা প্রশান্ত মনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। কোনোটো সংজ্ঞাই মন আৰু বুদ্ধিকো চেৰাই গৈ আত্মাৰ উত্থান আৰু সর্ব্বক্ষেত্রত ইয়াক পৰমাত্মাৰ লগত বিলীন কৰি দিয়াৰ পোষকতা কৰিছে। এয়া যোগৰ আধ্যাত্মিক তাৎপর্য্য। আধ্যাত্মিক দিশটোৰ কথা বাদ দিলে যোগৰ অর্থ হ'ব শাৰীৰিক আৰু মানসিক স্থিৰতা আৰু সুখ আহৰণৰ এক প্রণালীবদ্ধ প্রক্রিয়া বা সুন্দৰ জীৱন যাপনৰ এটা পূর্ণাংগ কলা। এই কলাই জীৱনৰ পৰিপূর্ণতাৰ উপলব্ধি সম্ভৱ কৰি তোলে। দর্শন হিচাপে যোগদর্শন হৈছে ভাৰতীয় ষড়দর্শনৰ (six school of Indian philosophy) এটা অবিচ্ছেদ্য অংগ। ভাৰতবর্ষত যোগৰ চর্চা পোন প্রথমে কেতিয়া আৰম্ভ হৈছিল তাক সঠিকভাৱে জনা নেযায় যদিও মহেঞ্জোদাৰো আৰু হৰপ্পাৰ ভগ্নাৱশেষত পোৱা ধ্যানমগ্ন যোগীৰ বহুতো চিত্র আৰু মূর্তিৰপৰা অনুমান কৰা হৈছে যে যোগৰ ইতিহাস তাতোকৈও অধিক পুৰণি। মুনিপ্রবৰ পতঞ্জলীৰ 'যোগসূত্র' গ্রন্থখনেই হৈছে প্রণালীবদ্ধ যোগচর্চাৰ বিৱৰণ থকা প্রথম প্রামাণ্য গ্রন্থ। এই গ্রন্থই ভাৰতত যোগদর্শনৰ ভেঁটি প্রতিষ্ঠা কৰিলে আৰু সেয়েহে মহামুনি পতঞ্জলীক যোগদর্শনৰ পিতৃপুৰুষ বোলা হয়। যোগ হৈছে এক অনুশাসনাত্মক সাধনমার্গ। 'অথঃ যোগানুশাসনম্' বুলি গ্রন্থাৰম্ভ কৰি মুনি পতঞ্জলীয়ে যোগসূত্রৰ মুঠ চাৰিটা অধ্যায়ৰ নাতিদীর্ঘ ১৯৬টা শ্লোকৰ সহায়ত যোগৰ অনুশাসনসমূহ বর্ণনা কৰিছে। এই বর্ণনাত তেখেতে যোগৰ উচ্চ শিখৰলৈ উন্নীত হ'বৰ বাবে ক্রমানুসৰি মুঠ আঠটা খলপাৰ নির্দ্দেশনা জাৰি কৰিছে। এই খলপাবোৰেদি নিম্নৰপৰা ক্রমে উর্দ্ধলৈ আৰোহণ কৰি যোগত সমাধিস্থ হ'ব পাৰি। খলপাকেইটা হ'ল ক্রমে — যম, নিয়ম, আসন, প্রাণায়াম, প্রত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি। মহর্ষি পতঞ্জলী বর্ণিত যোগ পদ্ধতিত এই আঠটা খলপা থকাৰ বাবেই বহুতে ইয়াক অষ্টাংগ যোগো (eight fald path of yoga) বোলে। যোগসূত্রত পতঞ্জলীয়ে যোগৰ সংজ্ঞা দি কৈছে, — 'যোগশ্চিত্তবৃত্তিনিৰোধঃ।' অর্থাৎ চিত্ত বা মনৰ বৃত্তিবোৰক নিৰোধ কৰাকেই যোগ বোলা হয়। তেখেতৰ মতে মন হৈছে মানস, বুদ্ধি আৰু

অহংকাৰৰ সমষ্টি। মনৰ সমস্ত আবেগ, কামনা-বাসনা আদিক বৃত্তি বোলা হয়। বৃত্তিসমূহ মানৰ মনত স্বপ্ন, জাগ্রত আৰু সুষুপ্তি — এই তিনিটা অৱস্থাতেই চিৰপ্রবাহমান। এই বৃত্তিবোৰে মনক অশান্ত আৰু বিকাৰগ্রস্ত কৰি তোলে। অন্যহাতেদি মনৰ স্বাভাৱিক অৱস্থা হৈছে প্রশান্তি। বৃত্তিৰ প্রভাৱত অশান্ত মনে সেয়েহে ইয়াৰ স্বাভাৱিক অৱস্থা পুনঃপ্রাপ্তিৰ বাবে অহৰহ চেষ্টা কৰি থাকে। কিন্তু আমাৰ বৰ্হিমুখী ইন্দ্রিয়ৰাজি আৰু বৃত্তিবোৰে মনক একেৰাহে বহির্মুখে আকর্ষণ কৰি থকাৰ বাবে ই স্বাভাৱিক অৱস্থা ঘূৰাই পোৱাটো সম্ভৱ নহয়। ইন্দ্রিয় আৰু বৃত্তিসমূহৰ এই বৰ্হিমুখী প্রবৃত্তিক নিৰোধ বা দমন কৰি মনৰ স্বাভাৱিক প্রশান্ত অৱস্থা প্রাপ্ত কৰা আৰু বুদ্ধিৰ আশ্রয়েৰে অবিনশ্বৰ আত্মাক পৰমাত্মাৰ লগত সংযুক্ত কৰি এক অখণ্ড অস্তিত্বৰ উপলব্ধি কৰাকেই পতঞ্জলীয়ে যোগ বুলি অভিহিত কৰিছে।

প্রণালীবদ্ধ যোগ চৰ্চ্চাৰ মার্গদর্শিকা হিচাপে সম্প্রতি বহুতো মূল্যৱান গ্রন্থ বজাৰত পোৱা যায় যদিও পতঞ্জলীপ্রণীত ‘যোগসূত্র’ৰ প্রাসংগিকতা কোনো গুণেই হ্রাস পোৱা নাই। কাৰণ, এইসমূহ গ্রন্থৰ ভিতৰত অষ্টাংগ যোগৰ বিশদ বিবৰণ থকা গ্রন্থৰ সংখ্যা তেনেই তাকৰ। প্রায়বোৰ গ্রন্থই তৃতীয় অংগ আসনৰ ওপৰতহে অধিক ব্যস্ত হৈ পৰা দেখা যায়। কিন্তু পূর্ণাংগ যোগ চৰ্চ্চাৰ বাবে বাকী সাতটা অংগও সমানেই অপৰিহার্য।

সেয়েহে পতঞ্জলীবর্ণিত অষ্টাংগ যোগ মাৰ্গ সম্পৰ্কে এটি চমু আলোচনা তলত আগবঢ়োৱা হ’ল। আলোচনাটিত অষ্টাংগ যোগৰ অংগসমূহ এটা এটাকৈ পৃথকভাবে আলোচনা কৰা হ’ল।

**(১) যম ঃ-** পতঞ্জলীৰ অষ্টাংগ যোগৰ প্রথম অংগ যম হৈছে পাঁচটা নৈতিক সংযম যেনে অহিংসা, সত্য, অস্তেয়, ব্রহ্মচর্য আৰু অপৰিগ্রহৰ সমষ্টি। যমসমূহ নিষ্ঠা সহকাৰে পালন কৰিলে ব্যক্তিৰ নৈতিক সংযমৰ ভেঁটি সুদৃঢ় হয়। ইয়াৰ উপৰিও যমসমূহৰ এক সামাজিক উপযোগিতাও আছে। যোগসিদ্ধ ব্যক্তি এজনে অনিমা, গৰিমা, লঘিমা, মহিমা, প্রকাম্য, প্রাপ্তি, বশিত্ব আৰু ঈশীত্ব নামেৰে আঠটা বিশেষ সিদ্ধি লাভ কৰে যাক একেলগে অষ্টসিদ্ধি বা বিভূতি বোলা হয়। যোগবলেৰে লাভ কৰা এই অষ্টসিদ্ধিক ব্যক্তিজনে সমাজৰ মংগলৰ বাবে ব্যৱহাৰ কৰিবও পাৰে বা নকৰিবও পাৰে। কিন্তু যমত প্রতিষ্ঠিত ব্যক্তি এজনে কেতিয়াও সমাজৰ অমংগল কৰিব নোৱাৰে। সেয়েহে হয়তো পতঞ্জলীয়ে যমক যোগচৰ্চ্চাৰ প্রথমতেই স্থান দিছে যাতে ই সমাজৰ ৰক্ষাকবচ হিচাপে ভূমিকা পালন কৰে। পঞ্চযমৰ প্রতিটো যম সম্পৰ্কে তলত সংক্ষেপে আলোচনা কৰা হ’ল।

**(ক) অহিংসা ঃ** কায়মনোবাক্যে সৰ্ব্বভূতত কেতিয়াও পীড়া বা কষ্ট দিয়াৰপৰা বিৰত থকাই হ’ল অহিংসা (দ্রঃ- মনোবাক্কায়ৈঃ সৰ্ব্বভূতানামপীড়নং অহিংসা)। আনক কষ্ট বা পীড়া প্রত্যক্ষ আৰু পৰোক্ষ দুইধৰণে দিব পাৰি। নিজৰদ্বাৰা পীড়াদান কার্যক প্রত্যক্ষ হিংসা আৰু আনৰ হতুৱাই পীড়াদান কার্যক পৰোক্ষ হিংসা বোলা হয়। এই দুয়ো প্রকাৰৰ হিংসাৰপৰা বিৰত থকাই হৈছে অহিংসা। অহিংসা এটা নেতিবাচক শব্দ। ইয়াৰ সমাৰ্থক ইতিবাচক শব্দটো হৈছে প্রেম। প্রেম হৈছে জীৱনৰ অৰ্থ আৰু সামৰ্থ্য। কাৰণ প্রেমে জীৱনক অৰ্থ আৰু সামৰ্থ্য দানৰ ক্ষমতা ৰাখে। সৰ্ব্বভূতত প্রেমভাব আহিলে অন্তৰৰ পৰা হিংসাবৃত্তি আপোনা আপুনি আঁতৰি নোহোৱা হৈ যাব। এই প্রেমৰ প্রথম পাঠ আৰম্ভ হয় নিজত। স্বৰূপাৰ্থত নিজক ভালপোৱা বা নিজৰ জীৱনৰ প্রেমত পৰাই হৈছে এজন ব্যক্তিৰ জীৱনৰ দিগ্বিজয়ৰ প্রথম সোপান। সূক্ষ্মভাৱে লক্ষ্য কৰিলে দেখা পাওঁ যে আমি প্রত্যেকে নিজৰ সংস্কাৰ সংবেদনবোৰক আৰু শৰীৰটোকহে ভাল পাওঁ। নিজৰ অস্তিত্বক বা জীৱনৰ মূলক নহয়। নিজৰ জীৱনৰ মূলক ভালপোৱা হ’লে আত্মনাশনৰ কোনো কাৰ্যসূচীয়েই আমি গ্রহণ নকৰিলোহেঁতেন। নিজক ভালপোৱাৰ প্রথম পাঠ সমাপ্ত হ’লে জগতৰ প্রতিটো বস্তুকেই মংগলময়ৰূপত দেখা যাব আৰু সমস্ত জগতখনক ভালপোৱাটো সহজ হৈ পৰিব। এনে বিশ্বপ্রেমী পুৰুষজনেই অহিংসাৰ প্রকৃত সাধক। অহিংসাত প্রতিষ্ঠিত ব্যক্তিৰ সান্নিধ্যলৈ অহা বৈৰীজনেও নিজৰ

বৈৰীতা ত্যাগ কৰিবলৈ বাধ্য হয় বুলি মুনি পতঞ্জলীয়ে বৰ্ণনা কৰিছে (অহিংসা প্ৰতিষ্ঠায়াং তৎসন্নিধৌ বৈৰত্যাগঃ)।

**(খ) সত্য ঃ** 'পৰহিতাৰ্থং বাঙমনসোযথাৰ্থত্বং সত্যং'। অৰ্থাৎ পৰৰ হিতৰ বাক্য আৰু মনৰ যি যথাৰ্থ ভাব সিয়েই হৈছে সত্য। যথাৰ্থতাৰ ব্যতিক্ৰম হ'লেই অসত্যৰ আশ্ৰয় লোৱা বুলি কোৱা হয়। অসত্য বা মিথ্যাৰ আশ্ৰয় লোৱাজনেই হৈছে মিথ্যাচাৰী। কৰ্মেন্দ্ৰিয় সমূহক সংযত ৰাখি মনেৰে তাৰ বিপৰীত ভাবনা ৰখাজনকো গীতাই মিথ্যাচাৰী বুলি আখ্যা দিছে। সত্যবাদী পুৰুষৰ মুখেদি নিসৃত প্ৰতিটো বাক্যই সত্যত পৰিণত হয় বা সত্যবাদীপুৰুষে বাক্‌সিদ্ধি লাভ কৰে বুলি যোগশাস্ত্ৰই নিৰ্ণয় দিছে। বাক্য আৰু মনেৰে সত্যৰ আশ্ৰয় ল'লে অন্তৰত নিৰ্মল প্ৰশান্তি বিৰাজ কৰে আৰু কোনো কৰ্ম নকৰাকৈয়ে তাৰ সুফল লাভ হয় বুলি যোগসূত্ৰই ঘোষণা কৰিছে (দ্ৰঃ সত্যপ্ৰতিষ্ঠায়াং ক্ৰিয়াফলাশ্ৰয়ত্বম্।)।

**(গ) অস্তেয় ঃ-** 'পৰদ্ৰব্যাহৰণ ত্যাগোহস্তেয়ম্'। অৰ্থাৎ পৰৰ দ্ৰব্য অপহৰণ কায়মনোবাক্যে ত্যাগ কৰাই হৈছে অস্তেয়। সৎ উপায়েৰে নিজৰ কষ্টোপাৰ্জিত দ্ৰব্য বা উত্তৰাধিকাৰসূত্ৰে পিতৃ-পিতামহৰপৰা লাভ কৰা সা-সম্পত্তিৰ বাহিৰে আনৰ দ্ৰব্য চুৰ কৰি বা বলপূৰ্ব্বক হস্তগত কৰি নিজৰ কৰাই হৈছে কায়িক চৌৰ্য্যবৃত্তি। ইয়াৰ উপৰিও পৰৰ প্ৰাপ্য কৃতিত্ব চলে বলে নিজে লোৱা আৰু আনৰ বস্তুৰ প্ৰতি লোলুপতাকো চৌৰ্য্যবৃত্তিৰ ভিতৰতে ধৰা হয়। এইসমূহ হৈছে ক্ৰমে বাচিক আৰু মানসিক চৌৰ্য্যবৃত্তি। এই সমূহ চৌৰ্য্যবৃত্তি পৰিহাৰ কৰি অস্তেয়ত সুপ্ৰতিষ্ঠিত হ'লে সমস্ত ৰত্ন লাভ হয় (অস্তেয় প্ৰতিষ্ঠায়াং সৰ্ব্বৰত্নোস্থানম্।)।

**(ঘ) ব্ৰহ্মচৰ্য ঃ-** 'বীৰ্যধাৰণং ব্ৰহ্মচৰ্যম'। অৰ্থাৎ শৰীৰস্থ বীৰ্যক অবিকৃত ৰূপত ধাৰণ কৰি ৰখাই হ'ল ব্ৰহ্মচৰ্য। ব্ৰহ্ম মানে হৈছে বীৰ্য আৰু চৰ্যা মানে হৈছে সৎ ব্যৱহাৰ। গতিকে ব্ৰহ্মচৰ্য শব্দই কেৱল বীৰ্যক ধাৰণ কৰাকেই নুবুজায়— ই বীৰ্যৰ সৎ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। শৰীৰৰ সপ্ত ধাতু যেনে— ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা আৰু শুক্ৰ বা বীৰ্যৰ সাৰ ধাতু হ'ল বীৰ্য। আহাৰ হিচাপে আমি যি খাদ্য খাওঁ, সি সপ্ত ধাতুৰ ৰূপত ক্ৰমে ৰূপান্তৰিত হৈ সৰ্ব্বশেষত বীৰ্য উৎপন্ন হয়। প্ৰায় আধালিটাৰমান তেজৰপৰা এটোপাল মাত্ৰ বীৰ্য্য উৎপন্ন হয় বুলি ঠাৱৰ কৰা হৈছে। এই মহামূল্যৱান বীৰ্যক পণ্ডিতসকলে যুঁজৰ ঘোঁৰাৰ লগত তুলনা কৰিছে। বীৰ্য ধাৰণক সেয়েহে তেওঁলোকে সম্পদ আহৰণ বুলি আখ্যা দিছে। বীৰ্যৰ অধিক স্খলনত শাৰীৰিক আৰু মানসিক অৱসাদ আৰু ব্যাধিয়ে লগ লয়। মনত উদ্ভৱ হোৱা কামভাবেই হৈছে বীৰ্য স্খলনৰ মূল কাৰণ। গতিকে বীৰ্যলাভৰ আকাংক্ষীজনে মনলৈ কামভাব আহিবলৈ দিব নেলাগে বা কামভাব উৎপন্ন হ'বপৰা পৰিবেশৰপৰা আঁতৰত থাকিব লাগে। বীৰ্যৰ স্খলন ৰোধ কৰি অবিকৃত ৰূপত ধাৰণ কৰা আৰু ওজঃ শক্তিলৈ ৰূপান্তৰ কৰি উৰ্দ্ধৰেতা হোৱাই ব্ৰহ্মচৰ্যৰ প্ৰধান লক্ষ্য। ব্ৰহ্মচাৰী পুৰুষৰ বীৰ্যলাভ (দ্ৰঃ- ব্ৰহ্মচৰ্য প্ৰতিষ্ঠায়াং বীৰ্যলাভঃ।) হয় আৰু তেওঁ অতুলনীয় জীৱনীশক্তিৰ অধিকাৰী হয়। দাম্পত্য জীৱনত সুখাভিলাষীজনেও যুৱাৱস্থাত ব্ৰহ্মচৰ্য পালন কৰা দৰকাৰ।

**(ঙ) অপৰিগ্ৰহ ঃ-** 'দেহৰক্ষাতিৰিক্ত ভোগসাধনা স্বীকাৰোহ পৰিগ্ৰহঃ।' অৰ্থাৎ দেহৰক্ষাৰ অতিৰিক্ত ভোগ্যসামগ্ৰীখিনি পৰিত্যাগ বা অস্বীকাৰ কৰাকেই অপৰিগ্ৰহ বোলা হয়। বহুতো গ্ৰন্থত অতিৰিক্ত লোভ সম্বৰণ কৰাকো অপৰিগ্ৰহ বুলি আখ্যা দিয়া হৈছে। অন্যহাতেদি নিজৰ সামৰ্থ্য অনুসৰি কৰ্ম কৰি কৰ্মফল হিচাপে প্ৰাপ্যখিনিতকৈ ওপৰঞ্চিখিনি গ্ৰহণ নকৰাকো অপৰিগ্ৰহ বোলা হয়। কিন্তু সম্প্ৰতি কৰ্মৰ ফল প্ৰাপ্তি বাঞ্ছা কৰাৰ বাহিৰেও কৰ্ম নকৰাকৈয়ে ফল আশা কৰা লোকৰ সংখ্যাই অধিক আৰু সেয়েহে সমাজত ইমান বিশংখলতাই বিৰাজ কৰিছে। অপৰিগ্ৰহত প্ৰতিষ্ঠিত হ'লে পূৰ্ব্বজন্মৰ কথা স্মৃতিপটত উদয় হয় বুলি যোগসূত্ৰত উল্লেখ কৰিছে (দ্ৰঃ- অপৰিগ্ৰহস্থৈৰ্যে জন্মকথন্তা সংবোধঃ।)

**(২) নিয়ম ঃ-** অষ্টাংগযোগৰ দ্বিতীয় অংগ নিয়মো হৈছে পাঁচটা উচ্চ নিয়মানুবৰ্ত্তিতা (Higher discipline) যেনে — শৌচ, সন্তোষ, তপঃ, স্বাধ্যায় আৰু ঈশ্বৰপ্ৰণিধানৰ সমষ্টি। পঞ্চনিয়মৰ সম্পৰ্কে তলত চমু আলোচনা আগবঢ়োৱা হ'ল।

**(ক) শৌচ ঃ** 'শৌচং তু দ্বিবিধং প্ৰোক্তং বাহ্যমাভ্যন্তৰন্তথা। মৃজ্জলাভ্যাং স্মৃতং বাহ্যং মনঃ শুদ্ধিস্তথান্তৰং'। অৰ্থাৎ শৌচ হ'ল দুবিধ বাহ্যিক তথা আভ্যন্তৰীণ। শৰীৰৰ মল দূৰীকৰণক বাহ্যিক আৰু মনৰ মলিনতা দূৰীকৰণক আভ্যন্তৰীণ শৌচ বোলা হয়। স্নানাদি কৰ্মৰ যোগেদি শৰীৰৰ বৰ্হিভাগ আৰু ধৌতি, বস্তি আদি ষট্‌কৰ্মৰ যোগেদি শৰীৰ অৰ্ন্তভাগ পৰিষ্কাৰ কৰাই হৈছে বাহ্যিক শৌচ। অন্যহাতেদি হিংসা, কুৰ্চুট-কপট, ঘৃণা, কাম, ক্ৰোধ, লোভ, হতাশা, নিৰাশা, অলসতা আদি মানৱীয়তাৰ ঋণাত্মক ভাবনাবোৰ মনৰপৰা দূৰীকৰণেই হৈছে আভ্যন্তৰীণ শৌচ। শৌচৰ এই দুই মাত্ৰাৰ লগত আৰু এটা মাত্ৰা সংযোগ কৰাটো অত্যন্ত আৱশ্যকীয়। এজন ব্যক্তিৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য ব্যক্তিজন বসবাস কৰা সমাজখনৰ সামাজিক স্বাস্থ্যৰ ওপৰতযে বহু পৰিমাণে নিৰ্ভৰশীল এই কথাৰ সত্যতা সহজে অনুমেয়। সামাজিক ৰীতি-নীতি বা সমাজত সংঘটিত প্ৰতিটো কাৰ্যকলাপত আৰু চিন্তা-চৰ্চ্চাই ব্যক্তিসত্তাৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। সামাজিক পৰিবেশ নিকা থাকিলে বা সামাজিক স্বাস্থ্য অটুট থাকিলে সমাজখনত বাস কৰা প্ৰতিজন ব্যক্তিৰ আত্মোকৰ্ষৰ সাধনা বহুখিনি সহজসাধ্য হৈ পৰে। গতিকে সামাজিক পৰিবেশটো পৰিষ্কাৰকৈ ৰখা আৰু সমাজৰপৰা কুসংস্কাৰ, অন্ধবিশ্বাস, অপসংস্কৃতি আদি আঁতৰাই সুসংস্কাৰ, সত্যবিচাৰ আৰু কৰ্মসংস্কৃতি প্ৰতিষ্ঠা কৰাটো সমাজৰ প্ৰত্যেক ব্যক্তিৰে এক সামাজিক দায়বদ্ধতা। এই দায়বদ্ধতা সুচাৰুৰূপে পালন হ'লেহে সামাজিক বা পাৰিবেশিক শৌচ বা শুচিতা ৰক্ষা হোৱা বুলি ক'ব পাৰি। শৌচই নিজৰ দেহৰ অশুচিতা আৰু পৰসংগ কৰাৰ প্ৰতিও ঘৃণা জন্মায় (শৌচাৎ স্বাঙ্গজুগুপ্সাং পৰৈৰ সংসৰ্গঃ।)

**(খ) সন্তোষ ঃ** 'যদৃচ্ছালাভতো নিত্যং মনঃ পুংসোভবেদিতি। ঘা ধীস্তামৃষয়ঃ প্ৰাহু সন্তোষং সুখলক্ষনম্।' অৰ্থাৎ প্ৰতিদিনে কৰ্মফলস্বৰূপে যি সুখ লাভ হয় তাতে সন্তুষ্ট থকাই সন্তোষ। স্থুল কথাত দুৰাকাংক্ষা পৰিত্যাগ কৰাৰ নাম সন্তোষ। ইয়াৰ অৰ্থ অৱশ্যে এইটো নহয় যে মানুহ উচ্চাকাংক্ষী হ'ব নেলাগে। উচ্চাকাংক্ষা আগত ৰাখি সাধ্যানুসৰি চেষ্টা কৰাৰ পিছত যি ফল লাভ হয় তাত সন্তুষ্ট থকাহে সন্তোষ। তদুপৰি আশানুৰূপ ফল নেপালেও হতাশ নোহোৱাটো সন্তোষৰ ভিতৰতে পৰে। আমাৰ প্ৰায় সকলোৰে এটা স্বভাৱ হ'ল যে প্ৰাপ্যখিনি পোৱাৰ পিছতো আমি আৰু বহুত আশা কৰি সদায়ে অসন্তুষ্ট হৈয়ে ৰওঁ। এনে স্বভাৱে আমাৰ মনৰ সুখ আৰু শান্তি নষ্ট কৰে। সন্তোষৰ প্ৰতিষ্ঠিতজনৰ অনুত্তম সুখ লাভ হয় (দ্ৰঃ সন্তোষাদনুত্তমঃ সুখলাভঃ।)।

**(গ) তপ ঃ** 'বিধিনোক্তেন মাৰ্গেন কৃচ্ছ্ৰচান্দ্ৰায়নাদি শৰীৰ পোষণং প্ৰাহুস্তপস্যাং তপ উত্তমম্।' অৰ্থাৎ বেদৰ বিধানুসাৰে কৃচ্ছ্ৰচান্দ্ৰায়ণ আদি ব্ৰতোপবাসৰদ্বাৰা শৰীৰ পোষন কৰাকে উত্তম তপ বোলা হয়। তপৰ শব্দগত অৰ্থ হৈছে তপস্যা। কোনো এক বিশেষ কামত নেৰানেপেৰাকৈ সচেতনভাৱে লাগি থকাৰ নামেই তপস্যা। তপৰ আন এটা অৰ্থ হৈছে দগ্ধ কৰা বা জ্বলোৱা। শৰীৰ আৰু মনৰ অশুদ্ধখিনি দগ্ধ প্ৰবল ইচ্ছাশক্তিৰে চেতনাৰ উচ্চ স্তৰত উপনীত হোৱাৰ নাম তপস্যা। প্ৰত্যেক কৰ্মীয়ে নিজৰ নিজৰ কৰ্মক্ষেত্ৰত উপযুক্তভাৱে মনোনিবেশ কৰি নিজৰ কৰ্মটো সুসম্পাদন কৰাৰ প্ৰচেষ্টাকো তপস্যা বোলা হয়। যেনে — অধ্যয়ন ছাত্ৰৰ তপস্যা, উপযুক্ত শিক্ষাদানেৰে ছাত্ৰৰ জ্ঞানচক্ষু উন্মিলিত কৰোৱাটো শিক্ষকৰ তপস্যা, নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাটো এজন কৰ্মচাৰীৰ তপস্যা ইত্যাদি। তপস্যাবিহীনতাৰ বাবেই বৰ্ত্তমান সংসাৰখনত ইমান অসুখ-অশান্তি আৰু দুনীৰ্তিয়ে বিৰাজ কৰিছে। তপস্যাৰদ্বাৰা শৰীৰ আৰু ইন্দ্ৰিয়ৰ অশুদ্ধি ক্ষয় হয় (কায়েন্দ্ৰিয়সিদ্ধিৰ শুদ্ধিক্ষয়াত্তপসঃ।)।

**(ঘ) স্বাধ্যায় ঃ** 'স্বাধ্যায়ঃ প্ৰণবশ্ৰীৰুদ্ৰপুৰুষ সূক্তাদি মন্ত্ৰানাঞ্জপঃ

মোক্ষশাস্ত্রাধনয়ঞ্চ।' অৰ্থাৎ প্ৰণৱ (ওঁ-কাৰ) আৰু সূক্তমন্ত্ৰ আদি অৰ্থপূৰ্ণ চিন্তাসহকাৰে জপ, বেদ আৰু ভক্তিশাস্ত্ৰ আদি অধ্যয়ন কৰাকে স্বাধ্যায় বোলা হয়। অন্যহাতেদি স্বাধ্যায় মানে হৈছে স্ব-অধ্যায় বা আত্ম অধ্যয়ন। পবিত্ৰ পুথিৰ অধ্যয়নে জ্ঞান তথা বৌদ্ধিক বিচাৰৰ ভঁড়াল টনকিয়াল কৰে আৰু আত্ম অধ্যয়নে আত্মজ্ঞান বা আত্ম উপলব্ধি ঘটাই আত্মসংশোধন কৰাৰ প্ৰেৰণা যোগায়। আত্মসাক্ষাৎকাৰৰ বাবে বা জীৱনৰ চৰমোৎকৰ্ষ সাধনৰ বাবে স্বাধ্যায় অপৰিহাৰ্য। আমাৰ বাহ্যমুখী ইন্দ্ৰিয়বোৰেৰে আমি কেৱল বাহ্যিক জগতখনৰ অধ্যয়নতে আজীৱন ব্যস্ত হৈ থাকো। এই ব্যস্ততাই আমাক নিজৰ অৰ্ন্তজগতখনলৈ দৃষ্টি নিক্ষেপ কৰাৰ বাবে আহৰিকে নিদিয়ে। ফলস্বৰূপে আমি জগতৰ মহৎ জ্ঞান 'আত্মজ্ঞান'ৰপৰা বঞ্চিত হওঁ। জ্ঞানীপুৰুষ চক্ৰেটিছে পৃথিৱীৰ সবাতোকৈ মহৎ জ্ঞানৰ সন্ধান কৰি পাইছিল যে 'আত্মজ্ঞান' য়েই জগতৰ সবাতোকৈ মহৎ জ্ঞান। স্বাধ্যায়ৰ অবিহনে এই মহৎ জ্ঞান লাভ কৰিব নোৱাৰি আৰু জীৱন অপূৰ্ণ হৈ ৰয়। স্বাধ্যায় সাধনৰ দ্বাৰা ইষ্ট দেৱতাৰ দৰ্শন লাভ হয় বুলি যোগসূত্ৰত উল্লেখ কৰা হৈছে (স্বাধ্যায়াদিষ্ট দেবতাসম্প্ৰয়োগঃ।)।

**(ঙ) ঈশ্বৰপ্ৰণিধান ঃ**

'ঈশ্বৰপ্ৰণিধানাদ্বা'। অৰ্থাৎ ভক্তি সহকাৰে ঈশ্বৰত আত্মসমৰ্পণ কৰি তাৰ উপাসনা কৰাকে ঈশ্বৰ প্ৰণিধান বোলা হয়। এজন ব্যক্তিয়ে এক অদৃষ্টিগোচৰ অস্তিত্বত আত্মসমৰ্পন কৰিব পাৰে তেতিয়া, যেতিয়া ব্যক্তিজনৰ অহংভাৰ সম্পূৰ্ণভাৱে নিঃশেষ হৈ যায়। গতিকে ক'বপৰা যায় যে ঈশ্বৰপ্ৰণিধান হৈছে আত্মনাশনৰ ব্ৰহ্মাস্ত্ৰ স্বৰূপ 'অহং' নিৰ্মূলকৰণৰ এক ফলপ্ৰসু সাধনা। ঈশ্বৰ প্ৰণিধানে সমগ্ৰ বিশ্বৰ তুলনাত নিজৰ উপমাবিহীন ক্ষুদ্ৰত্ব উপলব্ধিত সহায় কৰে আৰু মানুহক সম, দম আদি সৎগুণৰ কৰ্ষণেৰে বিনয়ী কৰি তোলে। ঈশ্বৰ প্ৰণিধানৰ যোগেদি যোগৰ চৰম ফল সমাধি সিদ্ধি লাভ হয় (সমাধিসিদ্ধিৰীশ্বৰ প্ৰণিধানাত্।)।

**(৩) আসন ঃ-** 'স্থিৰসুখমাসনম্।' অৰ্থাৎ অচল-অটল, বেদনাহীন আৰু উদ্বেগহীন মনেৰে, সুখেৰে শৰীৰটোক উপবেশন কৰাৰ নামেই হৈছে আসন। সম্প্ৰতি সমাজত বহুলভাৱে চৰ্চিত যোগৰ অংগটোৱেই হৈছে আসন যাক বহুতে 'যোগাসন' বুলি কয়। আমি আগতেই উল্লেখ কৰিছোঁ যে পৃথিৱীৰ সৰহসংখ্যক লোকেই যোগ বুলি ক'লে এই তথাকথিত যোগাসনকে বুজে। কিন্তু সম্প্ৰতি আমি দেখা পালোঁ যে ই যোগৰ এটা অংগহে মাথোন। আৰু এটা কথা লক্ষ্য কৰিবলগীয়া এই যে আসন আসনেই, যোগাসন বা ভোগাসন বুলি কোনো দ্বিতীয় কথা নাই। আসন হৈছে শাৰীৰিক সংযমৰ সাধনা। ই শৰীৰৰ বিভিন্ন প্ৰণালীসমূহৰ মাজত সমতা আৰু সুসমন্বয় সাধন কৰি শৰীৰত প্ৰাণশক্তি সঞ্চাৰ কৰে। বিভিন্ন শাৰীৰিক ব্যায়ামৰ লগত ইয়াৰ বহুতো পাৰ্থক্য আছে। এই পাৰ্থক্য সমূহেই আসনক বিশিষ্টতা প্ৰদান কৰিছে। আসনৰ কেইটামান প্ৰধান বৈশিষ্ট্য হ'ল —

**(১)** আসনবোৰ লাহে লাহে আৰু শৰীৰৰ অংগবোৰ যিমানখিনি পৰা যায় শিথিলভাৱে ৰাখি অনুশীলন কৰা হয়।

**(২)** আসন কৰোঁতে মনটো স্থিৰভাৱে ৰাখিব লাগে আৰু আসনত প্ৰাপ্ত সুফলৰ লগতে শৰীৰৰ বিভিন্ন অংগত পৰা চাপৰ ওপৰত মনৰ ভাবনা সংযোগ কৰি ৰাখিব লাগে।

**(৩)** আসন কৰোঁতে শ্বাস-প্ৰশ্বাসৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে।

**(৪)** আসনকাৰীয়ে পাতল, প্ৰাণযুক্ত আৰু সাত্বিক আহাৰ ভোজন কৰা দৰকাৰ।

**(৫)** আসন এক জিৰণীৰ দৰে — কাৰণ, আসনৰ অনুশীলনত জিৰণী বা বিশ্ৰাম অৱস্থাত খৰচ হোৱা পৰিমাণৰ কেলৰিহে খৰচ হয়।

আসনসমূহক দুভাগত ভাগ কৰা হৈছে — (১) ধ্যানাসন (২) স্বাস্থ্যাসন। বহুসময় ধৰি সুখেৰে ধ্যানত বহি থাকিবলৈ যিবোৰ আসন উপযোগী সেই আসনবোৰেই ধ্যানাসন। অন্যহাতেদি স্বাস্থ্য ভালে ৰাখিবৰ বাবে যিবোৰ আসন উপযোগী সেই আসনবোৰক স্বাস্থ্যাসন বোলা হয়। স্বামী স্বাত্মাৰামে তেওঁৰ যোগ সম্পৰ্কীয় গ্ৰন্থ 'হঠযোগ প্ৰদীপিকা'ত আসনৰ

প্ৰভাৱ বৰ্ণনা কৰি কৈছে, 'কুৰ্যাৎ আসনম্ স্থৈৰ্যম আৰোগ্যম্ চ অংগলাঘৱম্'। অৰ্থাৎ স্থিৰতা, আৰোগ্য আৰু অংগ লাঘৱ কৰাৰ উদ্দেশ্যে আসন সমূহ কৰা হয়। বৰ্ত্তমানে আসনৰ আৰোগ্যকাৰী দিশটোৰ ওপৰত বিশেষ মনোনিবেশ কৰি যৌগিক ক্ৰিয়াসমূহক ৰোগাৰোগ্যৰ ক্ষেত্ৰত সফলভাৱে প্ৰয়োগ কৰা হৈছে। আসনসমূহ হঠযোগৰ প্ৰধান আহিলাস্বৰূপ। হঠযোগ হৈছে ইড়া আৰু পিংগলা নাড়ীৰ ক্ৰিয়াৰ মাজত সমতা স্থাপনৰ প্ৰক্ৰিয়া। 'হ' মানে সূৰ্য্য (ইড়া) আৰু 'ঠ' মানে চন্দ্ৰ (পিংগলা) নাড়ী। এই দুই নাড়ীৰ ক্ৰিয়াৰ মাজত সমতা স্থাপন হ'লে মূলাধাৰস্থিত কুণ্ডলিনী শক্তি জাগ্ৰত হয় আৰু ই সুযুম্না নাড়ীৰ মাজেদি ষট্‌চক্ৰ অতিক্ৰম কৰি উৰ্দ্ধমুখে গৈ সহস্ৰাৰত প্ৰৱেশ কৰে। এই অৱস্থাতেই সাধকৰ তৃতীয় নেত্ৰ জ্ঞানচক্ষু উন্মিলিত হয় বুলি যোগশাস্ত্ৰই উল্লেখ কৰিছে। পৃথিৱীত মুঠতে ৮৪ লাখ আসন আছে বুলি কোৱা হয় আৰু তাৰে উপযোগী কেইখনমান আসন বাচি লৈ নিতৌ অভ্যাস কৰিলে শৰীৰৰ সমস্ত ব্যাধি নাশ কৰিবপৰা সামৰ্থ্য লাভ কৰিব পাৰি। যোগসূত্ৰত কৈছে যে আসনৰ অভ্যাসৰদ্বাৰা শীত-তাপ, সুখ-দুখ আদি দ্বন্দ সমূহ নিবৃত্ত হয় (ততো দ্বন্দ্বানভিঘাতঃ)।

**(৪) প্ৰাণায়াম ঃ-** 'তস্মিসতি শ্বাসপ্ৰশ্বাসয়োৰ্গতি বিচ্ছেদঃ প্ৰাণায়ামঃ' অৰ্থাৎ শ্বাস-প্ৰশ্বাসৰ স্বাভাৱিক গতি ভংগ কৰি শাস্ত্ৰোক্ত নিয়মে বিধৃত কৰাৰ নাম প্ৰাণায়াম। শ্বাস-প্ৰশ্বাস জীৱনৰ এক স্বাভাৱিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াক নিয়ন্ত্ৰিত কৰি প্ৰাণায়ামৰ সাধনা কৰা হয়। প্ৰাণায়াম তিনিটা পৰ্যায়ত সম্পন্ন কৰা হয় — পুৰক, কুম্ভক, ৰেচক। শৰীৰৰ ভিতৰলৈ বায়ু আকৰ্ষণৰ নাম পুৰক, শৰীৰৰ ভিতৰত বা বাহিৰত বায়ু আবদ্ধ কৰি কিছুসময় ৰখা কাৰ্যক কুম্ভক আৰু বায়ু এৰি দিয়া কাৰ্যক ৰেচক বোলা হয়। প্ৰাণায়ামৰ মূল লক্ষ্য হৈছে কুম্ভক সম্পাদন। কুম্ভক সম্পাদন কৰিবলৈ হ'লে আমাৰ শ্বাস-প্ৰশ্বাসৰ মূলযন্ত্ৰ হাওঁফাওঁটোক প্ৰথমে সবল কৰি ল'ব লাগিব। তাৰ বাবে কিছুমান যৌগিক শ্বাসকৌশল অভ্যাস কৰাটো নিতান্তই প্ৰয়োজনীয়। তেনে কিছুমান কৌশল হ'ল— ভ্ৰষ্টিকা, ভ্ৰমৰী, সদন্ত, শীতলী, কপালভাতী, চন্দ্ৰভেদ, সূৰ্য্যভেদ আৰু নাড়ীশুদ্ধি। প্ৰাণায়ামত পুৰক, কুম্ভক আৰু ৰেচকৰ মাত্ৰাৰ অনুপাত ১ঃ ৪ঃ ২। অৰ্থাৎ ৰজ্ঝ ছেকেণ্ড শ্বাস গ্ৰহণ কৰিলে তাক ৪০ ছেকেণ্ড আৱদ্ধ কৰি ৰাখি ২০ ছেকেণ্ডত শ্বাস এৰি দিব লাগে। প্ৰাণায়ামৰ এনে পূৰ্ণাংগ অৱস্থা বহুত অভ্যাসৰ পিছতহে আহে। প্ৰাণক নিয়ন্ত্ৰণ কৰিব পাৰিলে মানুহে আত্মনিয়ন্ত্ৰণৰ ক্ষমতা লাভ কৰে। প্ৰাণায়ামত সিদ্ধ হ'লে মোহৰূপ আৱৰণ ক্ষয় হৈ দিব্যজ্ঞান লাভ হয় (ততঃ ক্ষীয়তে প্ৰকাশাৱৰণম।)

**(৫) প্ৰত্যাহাৰ ঃ-** ''স্ববিষয়াসম্প্ৰয়োগে চিত্তস্বৰূপানুকাৰ ইবেন্দ্ৰিয়ানাং প্ৰত্যাহাৰঃ' অৰ্থাৎ প্ৰত্যেক ইন্দ্ৰিয়ৰ নিজ নিজ বাহ্যমুখী বিষয় পৰিত্যাগ কৰি অবিকৃত অৱস্থাত চিত্তৰ অনুগত হোৱাৰ নাম প্ৰত্যাহাৰ। গোবিন্দ মিশ্ৰই কৈছে 'শৰীৰত চাহি শ্ৰেষ্ঠ যত ইন্দ্ৰিগন।' শৰীৰতকৈ শ্ৰেষ্ঠ এই ইন্দ্ৰিয়গনক নিজৰ বশলৈ আনিব নোৱাৰিলে মানুহে জীৱনত কেতিয়াও উদ্‌গতি লাভ কৰিব নোৱাৰে। বৰঞ্চ ইন্দ্ৰিয়গণৰ অত্যাচাৰ মানুহৰ নগুৰ-নাগতিহে হয় আৰু মনৰ শান্তি বিঘ্নিত হয়। প্ৰত্যাহাৰত প্ৰতিষ্ঠিত হ'লে ইন্দ্ৰিয়সমূহ বশীভূত হয় (ততঃ পৰমবশ্যতেন্দ্ৰিয়ানাম্)। কাৰণ, প্ৰত্যাহাৰৰ সাধনাত ইন্দ্ৰিয়সমূহক শৃংখলিত কৰি অন্তৰ্মুখ কৰোৱা হয়।

**(৬) ধাৰণা ঃ-** 'দেশবন্ধশ্চিত্তস্য ধাৰণা।' অৰ্থাৎ চিত্তক কোনো বিশেষ স্থানত বা বস্তুত বন্ধন কৰি ৰখাৰ নাম ধাৰণা। আমাৰ চিত্ত বা মনটো স্বাভাবিকতে খুব চঞ্চল। জ্ঞানীলোকসলে ইয়াক বান্দৰৰ লগত তুলনা কৰিছে। বান্দৰ এটাই যেনেকৈ একেটা স্থানতে স্থিৰেৰে বহি নেথাকে, আমাৰ চঞ্চল মনেও ঠিক্ তেনেকৈয়ে এটা ভোগ্য বস্তুৰপৰা আন এটালৈ সঘনে দৌৰি ফুৰে। মনৰ এই অসংযত অৱস্থাক অভ্যাসৰ দ্বাৰা সংযমৰ ভিতৰলৈ আনিবলৈ কৰা প্ৰচেষ্টাৰ নামেই হৈছে ধাৰণা। ধাৰণাত মনটো কোনো এক বিষয়বস্তুত নিৰুদ্বিগ্নভাৱে লগাই ৰাখিবলৈ চেষ্টা কৰা হয়। ধাৰণাৰপৰা মনে সৃষ্টিৰ যোগ্যতা লাভ কৰে (দ্ৰঃ ধাৰণাসু চ

যোগ্যতা মনসঃ।)

**(৭) ধ্যান ঃ-** 'তত্ৰ প্ৰত্যয়ৈকতানতা ধ্যানম্।' অৰ্থাৎ ধাৰণাৰদ্বাৰা ধাৰণীয় পদাৰ্থত মনৰ একাগ্ৰতা সুদৃঢ় হ'লে তাক ধ্যান বোলা হয়। ধ্যানত ধ্যানীজনৰ (যিজনে ধ্যান কৰে) মন নিশ্চলভাবে ধ্যেয়বস্তুৰ (যাৰ ওপৰত ধ্যান কৰা হয়) ওপৰতে নিমগ্ন থাকে। ধাৰণাত মনৰ একাগ্ৰতা আনিবলৈ পুনঃ পুনঃ চেষ্টাহে কৰা হয়। কিন্তু ধ্যানত মন একাগ্ৰ হৈ পৰে। ধাৰণাত মন যি পৰিমাণে একাগ্ৰ হয় তাৰ বাৰগুণৰ সমপৰ্যায়ৰ একাগ্ৰতাক স্বামী বিবেকানন্দই ধ্যান বুলি আখ্যা দিছে। ধ্যানত এক অদ্ভুত সামৰ্থ্য লাভ কৰে।

**(৮) সমাধি ঃ** 'তদেবাৰ্থ মাত্ৰনিৰ্ভাসং স্বৰূপশূণ্যমিব সমাধি।' অৰ্থাৎ মাত্ৰ স্বৰূপ আত্মা বিদ্যমান আৰু একো বাহ্যজ্ঞান নেথাকে, ধ্যেয়বস্তুত মনৰ এনে তন্ময়তাই হৈছে সমাধি। সমাধি অৱস্থাত ধ্যানী আৰু ধ্যেয়ৰ মাজত একো পাৰ্থক্য নেথাকে। এই অৱস্থাত ধ্যানীজনে ধ্যেয়বস্তুত সম্পূৰ্ণভাৱে বিলীন হৈ যায় আৰু ধ্যেয় বস্তুৰ সমূহ গুণ আৰু সামৰ্থ লাভ কৰে। সমাধি দুবিধ – সবিকল্প আৰু নিৰ্ব্বকল্প।

এয়াই হৈছে পতঞ্জলীৰ অষ্টাংগ যোগৰ সংক্ষেপ সাৰ। প্ৰকৃততে ইয়াৰ প্ৰতিটো অংগই গভীৰ আলোচনাৰ একো একোটা ব্যাপক বিষয়। অষ্টাংগ যোগৰ মূল তত্ব আৰু সিদ্ধান্তসমূহ সূক্ষ্মভাৱে অধ্যয়নৰ পিছত সম্প্ৰতি গবেষকসকল এটা সিদ্ধান্তত উপনীত হৈছে যে এই তত্ব আৰু সিদ্ধান্ত সমূহ বেদৰ বাণীসমূহৰদৰেই শুদ্ধ আৰু সত্য। সমাজৰ প্ৰতিজন ব্যক্তিয়ে ইয়াৰ অনুশাসনসমূহ নিষ্ঠাসহকাৰে পালন কৰিলে জীৱনৰ চৰমোৎকৰ্ষ সাধন হোৱাৰ লগতে সামাজিক প্ৰগতি ত্বৰান্বিত হৈ সমাজত প্ৰকৃত সুখ, শান্তি আৰু আনন্দ বিৰাজ কৰিব। ব্যক্তি আৰু সমাজ জীৱনৰ সুখ আৰু শান্তি সভ্যতাৰ সোণালী সূৰুযৰ হিৰন্ময়ী কিৰণ নিষ্প্ৰভ হোৱাৰ প্ৰাক্ মূহূৰ্তলৈকে সুৰক্ষিত তথা সুনিশ্চিত কৰিবলৈ যোগৰদৰে প্ৰভাৱশালী আন কোনো বল নাই বুলি সহৃদয়তাৰে উপলব্ধি কৰিয়েই বিজ্ঞজনে স্বতঃস্ফুটভাৱে অথচ সগৌৰৱে ঘোষণা কৰিছে, 'নাস্তি যোগাৎ পৰম বলম্।' ❑

"শিক্ষণীয় বিষয় শৈশৱ কালতেই মনৰ সন্মুখত তুলি ধৰা উচিত। কিন্তু বাধ্যবাধকতাৰ মাজত নহয়। জ্ঞান আৰ্জনৰ সময়ত স্বাধীন মানুহ স্বাধীন হৈ থকাই বাঞ্চনীয়। ... বাধ্যবাধকতাৰ মাজত শিকোৱা কথাই মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ নকৰে। গতিকে জোৰ নকৰি, শৈশৱৰ শিক্ষাক আনন্দময় কৰি তোলা। ইয়াতেই শিশুৰ স্বাভাৱিক প্ৰৱণতা বুজি পাবা।"

— উইল ডুৰাণ্ট

( The Story of Philosophy )

# অসম আৰু বংগদেশৰ ব্ৰজবুলি সাহিত্যৰ পাৰ্থক্য

ড ৰুণু ভট্টাচাৰ্য্য, অধ্যাপিকা, অসমীয়া বিভাগ

অসমীয়া আৰু বঙলা ব্ৰজবুলি সাহিত্য মধ্যযুগীয় অসম আৰু বংগদেশৰ বিশাল ভক্তি-সাহিত্যৰ এটি প্ৰধান অংগ। খৃষ্টীয় পঞ্চদশ-ষোড়শ শতিকাত উদ্ভৱ হৈ প্ৰায় ঊনবিংশ শতিকালৈকে প্ৰাদেশিক অসমীয়া আৰু বঙলা ভাষাৰ লগে লগে ব্ৰজবুলি ভাষাৰ সাহিত্যইও এক বিশেষ স্থান অধিকাৰ কৰি আছে।

অসমৰ ব্ৰজবুলি ভাষা আৰু সাহিত্যৰ জনক হ'ল শ্ৰীমন্ত শংকৰদেৱ। গীত-পদ আৰু নাটকৰ মাজেৰে তেওঁ ব্ৰজবুলি ভাষা-সাহিত্যৰ যি দৃঢ় ভেটি প্ৰতিষ্ঠা কৰিছিল সেই ভেটি তেওঁৰ শিষ্য মাধৱদেৱ আৰু পৰৱৰ্তী আন বৈষ্ণৱ সন্ত-মহন্ত সকলে অধিক সুদৃঢ় আৰু বাটকটীয়া কৰি তোলে। অৱশ্যে এটা কথা ঠিক যে শংকৰদেৱ-মাধৱদেৱৰ পিচত অসমীয়া ব্ৰজবুলি সাহিত্য গভীৰতাৰ দিশৰ পৰা ভালেখিনি ম্লান হৈ পৰিল। ইয়াত নতুনত্ব একো নাই, কেৱল মাত্ৰ পূৰ্বসুৰী কবি দুজনাৰ অনুকৰণহে সহজে লক্ষ্য কৰিব পাৰি। গতিকে ব্ৰজবুলি সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন স্বৰূপে শংকৰদেৱ-মাধৱদেৱৰ ব্ৰজবুলি ভাষাৰ সাহিত্য ৰাজিলৈহে আঙুলিয়াব পাৰি। আনফালে একে সময়তে বংগীয় ব্ৰজবুলি সাহিত্য তিনিটা যুগ বা স্তৰৰ মাজেৰে বিকশিত হৈছিল ঃ প্ৰাক চৈতন্য যুগ, চৈতন্য সমকালীনযুগ আৰু চৈতন্যোত্তৰ যুগ। প্ৰাক চৈতন্যযুগত আৰম্ভ হোৱা ব্ৰজবুলি সাহিত্যই প্ৰসাৰ আৰু সমৃদ্ধি লাভ কৰে চৈতন্য সমকালীন আৰু চৈতন্যোত্তৰ যুগতহে। বিশেষকৈ চৈতন্যোত্তৰ যুগৰ ৰায়শংকৰ, জ্ঞানদাস, গোবিন্দ দাস, বলৰাম দাস আদি পদকাৰৰ পদাৱলীয়েহে সংগীত ব্ৰজবুলি সাহিত্য অধিক চহকী কৰি থৈ গৈছে। একে সময়তে মুখ্যতঃ ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসম আৰু বংগদেশত ব্ৰজবুলি সাহিত্যৰ সৃষ্টি হৈছিল যদিও দুয়োখন প্ৰদেশৰ সাহিত্যৰ মাজত ভালেখিনি পাৰ্থক্য পৰিলক্ষিত হয়।

প্ৰথমেই দুয়োখন প্ৰদেশৰ ব্ৰজবুলি সাহিত্যৰ আঙ্গিকলৈ আঙুলিয়াব পাৰি। অসমৰ ব্ৰজবুলি সাহিত্যই গীত আৰু নাটকৰ মাজেৰে বিকাশ লাভ কৰিছিল। ফলত অসমীয়া ব্ৰজবুলিৰ দুটা ৰূপ দেখা যায় ঃ পদ্য আৰু গদ্য। কিন্তু বংগদেশৰ ব্ৰজবুলি সাহিত্য কেৱল গীত বা পদৰ জৰিয়তেহে বিকশিত হৈছিল। সেয়েহে বংগৰ ব্ৰজবুলি সাহিত্যত নাট বা ব্ৰজবুলি গদ্যৰ অভাৱ সদায়েই থাকি গ'ল। অসম আৰু বঙ্গৰ ব্ৰজবুলি সাহিত্যৰ তুলনামূলক আলোচনা কৰিলে দেখিবলৈ পাওঁ অসমৰ ব্ৰজবুলি গীতৰ আঙ্গিকৰ ক্ষেত্ৰত মন কৰিবলগীয়া বৈশিষ্ট্য হৈছে যে শংকৰদেৱ-মাধৱদেৱৰ ভক্তিগীতবোৰ বিশেষকৈ বৰগীতবোৰ বিভিন্ন ৰাগযুক্ত। গীতবোৰৰ দুটা অংশ ঃ ধ্ৰুৱা আৰু পদ। আনহাতে নাট বা অংকৰ গীতবোৰত ৰাগৰ লগতে তালৰ উল্লেখ দেখা যায়। কিন্তু বংগীয় ব্ৰজবুলি পদবোৰত ৰাগৰহে উল্লেখ আছে, তালৰ উল্লেখ নাই। গীতৰ শেষত কবি গৰাকীৰ নামত 'ভণিতা' পেলোৱাটো অসম আৰু বংগ দুয়োখন প্ৰদেশৰ ব্ৰজবুলি সাহিত্যৰ বিশেষ বৈশিষ্ট্য। কিন্তু পাৰ্থক্য এইখিনিতে যে অসমৰ ব্ৰজবুলি কবি সকলে নিজকে 'কৃষ্ণৰ কিংকৰ', 'দাসৰো দাস', 'দীন', 'মূঢ়মতি' আদি বিশেষণেৰে বিশেষিত কৰি দাস্য ভক্তিৰ চূড়ান্ত প্ৰকাশ ঘটাইছে। কিন্তু বংগীয় ব্ৰজবুলি কবিৰ পদাৱলীত এই দীনতা ভাবৰ প্ৰকাশ পোৱা কবিতাৰ সংখ্যা কম।

দুয়োখন প্ৰদেশৰ ব্ৰজবুলি সাহিত্যৰ আধাৰ গ্ৰন্থও একে নহয়। অসমৰ ব্ৰজবুলি সাহিত্য বিশেষকৈ শংকৰদেৱৰ কৃষ্ণ লীলা বিষয়ক ভক্তিগীত আৰু পাঁচখন অংকীয়া নাটৰ মুখ্য আধাৰ গ্ৰন্থ হৈছে ভাগৱত পুৰাণ, কেৱল নাটৰ কথাতহে ঠায়ে ঠায়ে মাত্ৰ হৰিবংশ আৰু বিষ্ণুপুৰাণৰ মিশ্ৰণ দেখা যায়। ৰামায়ণ ভিত্তিক শংকৰদেৱৰ একমাত্ৰ নাটখন হৈছে 'ৰামবিজয়'। আনহাতে মাধৱদেৱৰ

গীত আৰু ঝুমুৰাৰ মূল হৈছে ঘাইকৈ ভাগৱত পুৰাণ আৰু বিল্ব মংগলৰ 'কৃষ্ণ স্তোত্ৰম্'। কিন্তু বংগীয় ব্ৰজবুলি পদকৰ্তাসকলে ভাগৱতৰপৰা কেৱল যশোদা নন্দন তথা গোপীবল্লভ শ্ৰীকৃষ্ণ চৰিত্ৰটোহে লৈছে। সেই কৃষ্ণক তেওঁলোকে খৃষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ পৰা বিকাশ লাভ কৰা 'ৰাধা-কৃষ্ণ বিষয়ক লৌকিক প্ৰেম লীলাৰ কৃষ্ণৰ লগত একাকাৰ কৰি পেলাইছে। বংগীয় ব্ৰজবুলি সাহিত্যত কৃষ্ণ কেৱল যশোদা নন্দন আৰু গোপীবল্লভ হৈয়েই নাথাকিল, ৰাধাবল্লভ কৃষ্ণলৈও ৰূপান্তৰিত হ'ল, যিটো বংগীয় ব্ৰজবুলি সাহিত্যৰ প্ৰধান বিষয় হৈ পৰিল। গোপীবল্লভ কৃষ্ণক মুখ্যতঃ ৰাধাবল্লভ কৃষ্ণলৈ ৰূপান্তৰিত কৰাত লোক মুখে চলি অহা ৰাধা-কৃষ্ণৰ লীলা বিষয়ক কাহিনীৰ লগতে পদ্মপুৰাণ, মৎস পুৰাণ, ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ আৰু জয়দেৱৰ 'গীতগোৱিন্দ'ত বৰ্ণিত ৰাধাকৃষ্ণৰ প্ৰেমলীলাৰ বৰ্ণনাই বংগীয় ব্ৰজবুলি পদকৰ্তাসকলক বিশেষভাবে অনুপ্ৰাণিত কৰিছিল।

অসমৰ ব্ৰজবুলি সাহিত্যৰ বিষয়বস্তু প্ৰধানকৈ ভাগৱতৰ কেন্দ্ৰীয় চৰিত্ৰ শ্ৰীকৃষ্ণ আৰু কৃষ্ণৰ লগত অভিন্ন বুলি ভবা ৰামায়ণৰ নায়ক শ্ৰীৰামৰ লীলামালাক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। ভাগৱতাশ্ৰয়ী একশৰণ বা এক ঈশ্বৰমুখী ধৰ্ম প্ৰচাৰ কৰিবৰ উদ্দেশ্যে সৃষ্টি কৰা শংকৰদেৱ-মাধৱদেৱৰ বৰগীত আৰু অংকীয়া নাটত কৃষ্ণ আৰু ৰামৰ অভিন্নতা স্বীকাৰ কৰি দুয়োগৰাকীকে এক পৰম ব্ৰহ্ম বুলি ভবা হৈছে। বৈষ্ণৱ কবি দুজনাৰ স্তুতিমূলক আৰু উপদেশমূলক বৰগীত সমূহলৈ চালে দেখা যায় যে সেইবোৰত ৰাম-কৃষ্ণ-বিষ্ণু-নাৰায়ণ একাকাৰ হৈ পৰিছে। ৰাম-কৃষ্ণ বা বিষ্ণুক ত্ৰাণকৰ্তা বুলি ভাবি তেওঁত শৰণ লৈ তেওঁৰ লীলা মাহাত্ম্য শ্ৰৱণ-কীৰ্ত্তন কৰাটোৱেই অসমৰ ব্ৰজবুলি সাহিত্যৰ মূল উদ্দেশ্য। সেয়েহে অসমৰ ব্ৰজবুলি সাহিত্যত শান্ত আৰু দাস্য ভক্তিৰসৰ প্ৰাধান্য বেছি। আনহাতে বংগৰ ব্ৰজবুলি সাহিত্যত ভাগৱতৰ এক ঈশ্বৰৰ পৰিবৰ্তে ৰাধা-কৃষ্ণৰ যুগল মূৰ্ত্তিৰ উপাসনাই প্ৰাধান্য লাভ কৰিছে, সেয়েহে ইয়াত শান্ত আৰু দাস্য ভক্তিৰ সলনি মধুৰ ভাবৰ ৰাগানুগা প্ৰেম ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰকাশ পাইছে। অৱশ্যে বংগীয় ব্ৰজবুলি সাহিত্যতো ৰাধা-কৃষ্ণৰ অলৌকিক প্ৰেমলীলা শ্ৰৱণ-কীৰ্ত্তন কৰাৰ ওপৰত গুৰুত্ব আৰোপ নকৰাকৈ থকা নাই। মন কৰিবলগীয়া কথা যে বংগীয় ব্ৰজবুলি সাহিত্যত ৰাম কেন্দ্ৰীক কোনো ব্ৰজবুলি পদ পোৱা নাযায়।

অসমৰ ব্ৰজবুলি সাহিত্যৰ ধৰ্মীয় দৰ্শন বেদান্তৰ এক ঈশ্বৰবাদৰ ওপৰত প্ৰতিষ্ঠিত। একশৰণীয়া ভাগৱতী বা কৃষ্ণ ভক্তি ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত এই সাহিত্যত ৰাধাৰ স্থান নাই। মাধৱদেৱ আৰু পৰৱৰ্তী কবিসকলৰ দুই-এজনৰ ৰচনাত ৰাধাৰ উল্লেখ আছে, কিন্তু কৃষ্ণৰ প্ৰেমিকা ৰূপে নহয়, কৃষ্ণৰ অবিভাবিকা এগৰাকী ভক্ত গোপীৰূপেহে। ৰাধাৰ পৰিবৰ্তে শ্ৰীকৃষ্ণৰ বিবাহিতা স্ত্ৰী ৰুক্মিণী, সত্যভামা আৰু শ্ৰীৰামৰ পত্নী সীতাইহে মুখ্য স্থান অধিকাৰ কৰিছে। সেয়েহে অসমৰ ব্ৰজবুলি সাহিত্যৰ ধৰ্মীয় দৰ্শন মতে ৰুক্মিণী-সত্যভামাৰ স্বামী আৰু গোপবেশধাৰী কৃষ্ণই পূৰ্ণ ভগৱান। তেৱেঁই দ্বাপৰত গোকুলত নন্দ-যশোদাৰ ঘৰত জন্ম লৈ পৰম ভক্ত যশোদা আৰু গোপবধুসকলৰ লগত নানা মনুষ্যলীলা প্ৰদৰ্শন কৰি ভূমিৰ ভাৰ হৰণ কৰিছিল। বংগীয় ব্ৰজবুলি সাহিত্যৰ মতেও গোপবেশধাৰী কৃষ্ণই পূৰ্ণ ভগৱান আৰু তেৱেঁই তেওঁৰ হ্লাদিনী শক্তি ৰাধাৰ লগত প্ৰেমলীলা আস্বাদন কৰিবৰ কাৰণে বৃন্দাবনত আত্মপ্ৰকাশ কৰিছিল। কিন্তু বংগীয় ব্ৰজবুলি সাহিত্যত এই হ্লাদিনী শক্তি ৰাধা পৰপত্নী আৰু কৃষ্ণ ৰাধাৰ উপপতিৰূপে চিহ্নিত হৈছে। ৰাধা-কৃষ্ণৰ পৰকীয়া প্ৰেমতেই ৰাতিৰ শ্ৰেষ্ঠতা প্ৰকাশিত হৈছে। গৌড়ীয় বৈষ্ণৱ সকলে প্ৰচলিত শাস্ত্ৰ আৰু লোক ধৰ্মক চৰম উপেক্ষা কৰি ৰাধা-কৃষ্ণৰ পৰকীয়া প্ৰেম-প্ৰীতিত গুৰুত্ব দি প্ৰেম ভক্তিমূলক এক নতুন ধৰ্মমত প্ৰতিষ্ঠা কৰে।

বংগীয় ব্ৰজবুলি সাহিত্যত কেৱল ৰাধা-কৃষ্ণৰ পৰকীয়া প্ৰীতিয়েই প্ৰকাশ পোৱা নাই, বৃন্দাবনৰ গোপীসকলৰ ধৰ্মপত্নী গোপীৰ কৃষ্ণপ্ৰেমৰ মাজেৰেও পৰকীয়া প্ৰীতি প্ৰকাশ পাইছে। শৰৎকালৰ পূৰ্ণিমা নিশা কৃষ্ণৰ বংশীধ্বনি শুনি তেওঁলোকে গৃহসুখ জলাঞ্জলি দিছে আৰু ক্ৰমে গুৰুজন, পৰিজন, বধুগৌৰৱ, স্বামীধৰ্ম আৰু

সৰ্বশেষত লজ্জা, আত্মমৰ্য্যদা আৰু আত্মসুখ, এক কথাত কবলৈ গলে সৰ্ব্বস্ব ত্যাগ কৰি কৃষ্ণৰ ওচৰত আত্মসমৰ্পণ কৰিছে। উদাহৰণ স্বৰূপে যশোৰাজ খানৰ 'ৰসমঞ্জৰী'ত উল্লেখিত এটি খণ্ডিত পদ উল্লেখ কৰা হ'ল ঃ

শুনি বেনু অপৰূপ ধ্বনি।
ছুটল কুঞ্জৰ গতি বৰজ-ৰমনী।।
পদে হাৰ পৰে কেহ কৰেতে নপুৰ।
কেহ অধি সীমান্ত লেহ ন সিন্দুৰ।।

গুৰুজনাৰ তাড়ন-ভৎৰ্সন, লোকনিন্দা একোৱে তেওঁলোকক পতিধৰ্ম আৰু গৃহধৰ্মলৈ ওভোতাই নিব নোৱাৰিলে। এই গোপীসকলৰ ভিতৰত ৰাধাৰ ত্যাগ আৰু দুখ স্বীকাৰেই সকলোতকৈ বেছি। বংগীয় বৈষ্ণৱ পদকৰ্তা সকলৰ দৃষ্টিত ৰাধা কেৱল প্ৰেমিকা নহয়, তেওঁ মহাভাবস্বৰূপা। বংগদেশৰ শ্ৰেষ্ঠ ব্ৰজবুলি কবি জ্ঞানদাস, গোৱিন্দদাস আদিৰ পদত এই কুলত্যাগিণী মহাভাব স্বৰূপা কৃষ্ণময়ী ৰাধাৰ চিত্ৰ অতি উজ্জ্বল ৰূপত প্ৰকাশ পাইছে।

অসমৰ নৱ-বৈষ্ণৱ ধৰ্ম আৰু সাহিত্যৰ প্ৰবৰ্তক শংকৰদেৱক তেওঁৰ সোঁহাত স্বৰূপ মাধৱদেৱ প্ৰমুখ্যে সমসাময়িক আৰু পৰৱৰ্তী দুই-এজন কবিয়ে "জগজন তাৰণ / দেৱ নাৰায়ণ / শংকৰ তাকেৰি অংশ বুলি ভাবি তেওঁৰ গুণানুকীৰ্ত্তন কৰি ভটিমা গীত ৰচনা কৰিছে। সেইবুলি অসমীয়া বৈষ্ণৱ ব্ৰজবুলি কবিয়ে শংকৰদেৱ মাধৱদেৱক কৃষ্ণ-বলোৰাম বুলি ভাবি তেওঁলোকৰ গুণ মহাপুৰুষ দুজনাত আৰোপ কৰি কৃষ্ণ-বলোৰামৰ লীলা তেওঁলোকৰ মাজেৰে প্ৰকাশ কৰিব খোজা নাই। কিন্তু বংগীয় ব্ৰজবুলিত চৈতন্যদেৱক কৃষ্ণ আৰু তেওঁৰ একান্ত ভক্ত নিত্যানন্দক বলোৰাম বুলি ভাবি কৃষ্ণলীলাৰ আৰ্হিত শ্ৰীচৈতন্যৰ জন্ম, বাল্য-লীলা বৰ্ণনা কৰা হৈছে। চৈতন্যদেৱ আছিল ৰাধাভাবৰ সাধক। তেওঁ নিজকে ৰাধা বুলি ভাবি কৃষ্ণ বিৰহত বিহ্বল হৈ পৰে। চৈতন্য সমসাময়িক পদকৰ্তা মুৰাৰি গুপ্ত, বাসুদেৱ ঘোষ আদিয়ে গৌৰাংগ অৰ্থাৎ চৈতন্যদেৱত গৌড়ীয় বৈষ্ণৱ আলংকাৰিক নিৰ্দেশিত অভিসাৰিকা, বাসকসজ্জা, খণ্ডিতা আদি নায়িকা ৰাধাৰ গুণ আৰোপ কৰি গৌৰাংগ বিষয়ক পদাৱলী ৰচনা কৰিছিল। চৈতন্য পৰৱৰ্তী কবি সকলেও ৰাধা-কৃষ্ণ বিষয়ক পদাৱলী লিখাৰ পূৰ্বে গৌৰাংগ লীলা বিষয়ৰ পদ ৰচনা কৰিছিল। চৈতন্য দেৱৰ ৰাধাভাবৰ আৰ্হিতে পৰৱৰ্তী কালত চণ্ডীদাস, জ্ঞানদাস, গোৱিন্দদাস আদি কবিয়ে বিৰহিনী ৰাধাৰ চিত্ৰ অতি মৰ্মস্পৰ্শী ৰূপত ফুটাই তুলিছে। এটা কথা মন কৰিবলগীয়া যে চৈতন্যদেৱক বংগীয় প্ৰেমভক্তি ধৰ্মৰ প্ৰবৰ্তক বুলি ভবা হয় যদিও তেওঁ শংকৰদেৱৰ দৰে বিস্তৰ গ্ৰন্থ ৰচনা কৰি তাৰ মাজেৰে প্ৰেম-ভক্তি ধৰ্ম প্ৰচাৰ কৰি যোৱা নাই। মাত্ৰ নিজৰ কৃষ্ণ প্ৰেমোন্মাদ জীৱনৰ আদৰ্শৰে ঘাইকৈ তেওঁৰ সমসাময়িক শ্ৰীৰূপ, সনাতন আৰু জীৱ গোস্বামীৰ জৰিয়তে শ্ৰীকৃষ্ণ লীলাতত্ত্বক নতুন আৰু যথাৰ্থ ৰূপত উপস্থাপন কৰাই জনসাধাৰণৰ মাজত প্ৰচাৰ কৰালে। চৈতন্যদেৱে নিজে মাত্ৰ 'শিক্ষাষ্টক' নামে আঠোটা শ্লোক লিখি নিজৰ মনোভাব ব্যক্ত কৰিছিল।

অসম আৰু বংগৰ ব্ৰজবুলি সাহিত্যৰ মাজত এটি ডাঙৰ পাৰ্থক্য হৈছে সখীসাধনা। অসমৰ সাহিত্যত ভগৱান কৃষ্ণ জীৱৰ ত্ৰাণকৰ্তাৰূপে স্বীকৃত। ইয়াত ভগৱান আৰু ভক্তৰ মাজত সখী বা মঞ্জুৰী কোনো নাছিল। কিন্তু নৱবৈষ্ণৱ ধৰ্মত দীক্ষা লোৱাৰ আগতে কোনো গুৰুৰ ওচৰত দীক্ষা বা শৰণ লব লাগিছিল। সেয়েহে অসমৰ নাম ধৰ্মত দেৱ, নাম, গুৰু আৰু ভকত এই চাৰি বস্তুত প্ৰাধান্য দিয়া হৈছিল। আনহাতে বংগীয় বৈষ্ণৱ পদাৱলী বিশেষকৈ চৈতন্য পৰৱৰ্তী ব্ৰজবুলি পদত ভগৱান আৰু ভক্তৰ মাজত সখী বা মঞ্জৰীৰ অস্তিত্ব দেখা যায়। এই দূতীয়েই ভগৱান কৃষ্ণ আৰু পৰমভক্তা ৰাধাৰ প্ৰেম, মিলন আৰু বিৰহৰ সংযোগ সেতু।

অসম আৰু বংগৰ ব্ৰজবুলি সাহিত্যলৈ চালে দেখা যায় যে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হ'লেও অসমৰ ব্ৰজবুলি সাহিত্যত বিশেষকৈ শংকৰদেৱ-মাধৱদেৱৰ নাটত তৎকালীন অসমীয়া গ্ৰাম্য সমাজৰ দাম্পত্য কলহকে ধৰি বিভিন্ন চিত্ৰ খণ্ডিত হ'লেও স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। কিন্তু বংগীয় ব্ৰজবুলি সাহিত্যত পৰকীয়া প্ৰেম-প্ৰীতিৰ বাহিৰে আন সামাজিক চিত্ৰ বৰ স্পষ্ট নহয়। এইদৰে বিশ্লেষণ কৰি চালে একে সময়তে বিকাশ লাভ কৰা অসম আৰু বংগৰ ব্ৰজবুলি সাহিত্যত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। ❑

# সাহিত্য– এক কলা

শ্ৰীদিগন্ত ডেকা, স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

কলা বুলিলে সামগ্ৰিকভাৱে চিত্ৰাংকন, সংগীত, নৃত্য, স্থাপত্য, সাহিত্য, আদিৰ দৰে সৃষ্টিশীল কথাই আমাৰ মনলৈ আহে। কলা, যাৰ ইংৰাজী প্ৰতিশব্দ 'আৰ্ট (Art) মূল লেটিন শব্দ আৰ্চৰ পৰা উদ্ভূত। ইয়াৰ অৰ্থ হ'ল সৃষ্টি কৰা (to creat) । যেনেকৈ এজন কুমাৰে এচপৰা মাটিৰ পৰা, এজন কমাৰে এটুকুৰা লোৰ পৰা বিভিন্ন গঢ়ৰ বিভিন্ন বস্তু সজাব পাৰে আৰু সেই সৃষ্ট বস্তু যদি সুন্দৰ আৰু আকৰ্ষনীয় হয় সিয়ে হ'ব কলা। কিন্তু সৃষ্টি হোৱা প্ৰতিটো বস্তুৱে যে সুন্দৰ আৰু আকৰ্ষনীয় হ'ব এনে নহয়। গতিকে যিবোৰ সৃষ্টিত শিল্পীৰ হাতৰ নিপুণতা আৰু সুন্দৰতা নাই, তেনে সৃষ্টিক কলা বুলি কব নোৱাৰি। আনপ্ৰকাৰে যি সৃষ্টিয়ে শিল্পীৰ মনৰ ভাবক মূৰ্ত্ত ৰূপ দি সু-নিপুণ আৰু সুন্দৰভাৱে সজাই তুলি মানুহৰ মন জয় কৰিব পাৰে সেয়াহে কলা।

অন্যান্য কলাৰ দৰে সাহিত্যও এক প্ৰকাৰৰ কলা। অৰ্থবহ শব্দই সাহিত্য প্ৰকাশৰ মাধ্যম। সাহিত্য এখন সমাজৰ দাপোন স্বৰূপ, যত প্ৰতিফলিত হয় সমাজৰ উচ্চ-নীচ, দুখ-দৈন্য, হৰ্ষ-বিষাদ, পোৱা-নোপোৱা সকলো। জীৱনৰ অৱহেলিত আৰু উপেক্ষিত বহুতো বিষয়ে শিল্পীৰ সু-নিপুণ হাতৰ পৰশত কলাৰ ৰূপ পায়। কলা হৈছে সত্য আৰু সুন্দৰৰ ৰূপত জীৱনৰ প্ৰকাশ। নহলে ভূঃস্থ কোনো সত্য আৰু সুন্দৰৰ ই সুন্দৰ প্ৰতিফলন আৰু সেই সত্যতা আৰু সুন্দৰতাক কোনো সংবেদনশীল আত্মাই কলাৰ ৰূপত মানুহৰ দৃষ্টিলৈ ননালৈকে অনাদৃত আৰু অৱহেলিত হৈ থাকে। সাধাৰণ নিয়ৰৰ টোপালটি, নিয়ৰসিক্ত দুৱৰি কেইডাল, বিৰিখৰ শুকান ডাল পাতবোৰ, প্ৰলয়কাৰী ধুমুহাজাক আৰু বাটৰ ভিক্ষাৰীৰ দৰে সাধাৰণ বিষয়বোৰ আজিও হয়তো উপেক্ষিত হৈ থাকিলহেতেন। আনকি বাটৰ লেৰেলা কুকুৰটোও সেয়েহে বাদ পৰি যোৱা নাই সাহিত্য সৃষ্টিৰ বিষয়বস্তুৰপৰা আৰু বাদ পৰি যোৱা নাই ডাষ্টবিনত পৰি থকা এটুকুৰা শুকান ৰুটিও।

সাধাৰণ বিষয় এটাক কলাৰ ৰূপ দিবলৈ অথবা সাহিত্যৰ বিষয়বস্তু হিচাপে পাবলৈ এজন লিখকৰ গভীৰ অৰ্ন্তদৃষ্টিৰ প্ৰয়োজন। আন দহজনতকৈ তেওঁৰ দৃষ্টিভংগী হয় সততে বেলেগে। আন দহজনে য'ত দেখে কেৱল শুষ্কতা আৰু মলিনতা শিল্পীমনে তাতেই বিচাৰি পায় সত্য আৰু সুন্দৰক। উদাহৰণ স্বৰূপে মুকলি পথাৰৰ মাজত থিয় হৈ থকা এজন পথিকে যিসময়ত দেখা পাব ফাগুনৰ কেৱল ধূলিময় শুকান লেতেৰা ঘাঁহপাতবোৰ সেইসময়ত এজন কবি বা সাহিত্যিকৰ দৃষ্টিভংগী হয় সততে বেলেগ। কেৱল মলিনতাৰ বিপৰীতে তেওঁ দেখিব শুকান ঘাঁহনিদৰাত খেলি থকা নিষ্পাপ শিশুবোৰৰ মনৰ উৎফুল্লতা আৰু আত্মাৰ বিশুদ্ধতা। যিয়ে হৈ পৰে তেওঁৰ বাবে সত্য আৰু সুন্দৰক কলাত্মক ৰূপ দিয়াৰ এক অদম্য অনুপ্ৰেৰণা। তাহানিৰ সোঁৱণশিৰিৰ বালিৰ পৰা সোন আৰু আকৰৰ পৰা ধাতু নিষ্কাষণৰ দৰে, শামুকৰ বুকুৰ পৰা মুকুতা বুটলাৰ দৰে তেওঁৰ দৃষ্টিভংগী হ'ব বিশুদ্ধ আৰু সংস্কাৰমুখী। মুঠতে কলা সৃষ্টিৰ বাবে ব্যক্তিৰ সত্য আৰু সুন্দৰক বিচাৰিব পৰা এক গভীৰ অন্তৰ্দৃষ্টিৰ প্ৰয়োজন। সেই অন্তৰ্দৃষ্টিক অৰ্থবহ, শব্দ আৰু ভাষাৰ মাধ্যমত প্ৰকাশ কৰিলে সি হৈ পৰে সাহিত্য।

মুঠতে সাহিত্য সৃষ্টিত লিখকে লিখনিৰ মাজেৰে কোনো গোপন সত্যক সুন্দৰভাৱে ফুটাই তুলিব পাৰিলেহে সি হ'ব সাহিত্য, মানৱ ইন্দ্ৰীয়ক জয় কৰিব পৰা, আবেগক প্ৰাণ দিব পৰা, গোপন সত্যক শব্দৰ ভাষাৰে সুন্দৰভাৱে ফুটাই তুলিব পৰা কলাই হ'ব সাহিত্য। যাৰ ব্যতিৰেকে পৰ্য্যাপ্ত পৰিমানে লিখা-মেলা থকাৰ পৰিপেক্ষিততো প্ৰতিষ্ঠিত লিখক বা সাহিত্যিকৰ সংখ্যা তাকৰ হোৱাটো একো অস্বাভাৱিক নহয়।

সাধাৰণভাৱে আৰু ব্যাপকভাৱে সাহিত্য হ'ল একোটা জাতিৰ লিখিত দলিল। পৃথিৱীৰ প্ৰতিটো সচেতন জাতিৰে নিজা নিজা ভাষাত সেই জাতিৰ ইতিহাস, বিজ্ঞান, আদিক সংৰক্ষণ কৰিব পৰাকৈ আৰু সমাজ জীৱনক প্ৰতিফলিত কৰিব পৰাকৈ নিজা সাহিত্য আছে। সাহিত্য অবিহনে সেয়েহে এটা জাতিৰ কোনো অস্তিত্ব থাকিব নোৱাৰে। ❑

# শব্দহীন সংবাদ কাৰ্টুণ

শ্ৰীমৃণাল কুমাৰ পাটৰ, স্নাতক ১ম বৰ্ষ

আজিৰ পৰা প্ৰায় ৪০০ বছৰ পূৰ্বেই জন্মগ্ৰহণ কৰা কাৰ্টুণে ভাৰতত প্ৰৱেশ কৰি জনমানসত কেনেদৰে বিয়পি পৰে এই বিষয়ে কোনো সঠিক তথ্য পোৱা নাযায়। যিয়ে নহওক লাগে এটা কথা ডাঠি ক'ব পাৰি যে কাৰ্টুণ বাতৰি কাকতৰ এটা অবিচ্ছেদ্য অংগ হৈ পৰিছে। কাৰ্টুণ অবিহণে এখন কাকত আধৰুৱা যেন লাগে। আজি কালি আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয়, স্থানীয় যিকোনো কাকতত কাৰ্টুণ ছপা কৰি সামাজিক সচেতনতা বৃদ্ধিৰ চেষ্টা কৰা পৰিলক্ষিত হৈছে।

ইটালীৰ চিত্ৰকৰ ওচেপে ১৫৫৩ চনত প্ৰথমটি কাৰ্টুণ আঁকিছিল বুলি জনা যায়। ইয়াৰ পিচত সঠিক ৰূপত ব্ৰিটিছ চিত্ৰকাৰ উইলিয়াম হোৰ্গাথোই বাতৰি কাকতৰ কাৰ্টুণ অঁকা কাম আৰম্ভ কৰে। তথ্যনুসাৰে বিশ্বৰ প্ৰথমজনা 'সংবাদ কাৰ্টুনিষ্ট হিচাপে হোৰ্গাথোৰ নাম ল'ব পাৰি।

যিয়েই নহওক — এই বিদ্যাৰ আৰম্ভণি য'তেই নহওক কিয় — কাৰ্টুনৰ অস্তিত্ব আচলতে প্ৰাচীন সভ্যতাৰ লগত সম্পৰ্কিত। ইয়াৰ প্ৰমাণ প্ৰাচীন গুহা, শিলালিপি আৰু কাঠত প্ৰাচীন কালত খোদিত ৰেখা সমূহ।

কাৰ্টুনিষ্টৰ মতে, কাৰ্টুন আৰু ইয়াত নিহিত হৈ থকা গুঢ়াৰ্থ বুজি পাবলৈ হ'লে মানৱ শিক্ষিত, জ্ঞানী আৰু খোলা অন্তৰৰ হোৱা প্ৰয়োজন। তেনে কাৰণতেই বোধকৰো কাকতৰ কাৰ্টুণ আজি ব্যংগ বিনোদনৰ বস্তু হৈ থকা নাই, বৰঞ্চ আজি বাতৰি কাকতৰ কাৰ্টুৰ্ণৰ অন্তৰালত লুকাই থাকে মানুহক সজাগ কৰিব পৰা চেতনাবোধ।

ভাৰতবৰ্ষত কাৰ্টুণক এক গুৰুত্বপূৰ্ণ শব্দহীন সংবাদলৈ লৈ যোৱাৰ কৃতিত্ব কাৰ্টুনিষ্ট শংকৰৰ কাৰ্টুনসমূহে দাবী কৰিব পাৰে। স্বাধীনতা সংগ্ৰামৰ সময়তেই ভাৰতত সংবাদ পত্ৰৰ লগতে কাৰ্টুণ কলাৰো বিকাশ হয়। প্ৰথম বিশ্বযুদ্ধৰ পিছত ভাৰতৰ স্বাধীনতা আন্দোলনে তীব্ৰতা লাভ কৰাৰ লগে লগে কাৰ্টুণৰ ক্ষমতাও বাঢ়ি যায়। ৰাজনেতাই বৃটিছ বিষয়াক কটাক্ষ কৰি অঁকা কাৰ্টুৰ্ণে সেই সময়ত পৰিপক্কতা লাভ কৰে।

সেয়া হলেও ভাৰতবৰ্ষৰ কাৰ্টুণৰ পিতামহ শংকৰে এই বিদ্যাক এক নতুন ৰূপ দিবলৈ প্ৰয়াস কৰে ১৯৩০ চনৰ সময়চোৱাত। তেওঁ সম্পূৰ্ণ মনোযোগেৰে ব্যংগ চিত্ৰৰ বিষয়ে কাম কৰিবলৈ লয়। সেই চিত্ৰসমূহ তেতিয়া বোম্বে ক্ৰণিকেল'ত প্ৰকাশিত হৈছিল। শংকৰৰ ৰাজনৈতিক কাৰ্টুণে ইমানেই জনপ্ৰিয়তা অৰ্জন কৰিছিল যে পিছত তেওঁ হিন্দুস্তান টাইমছ' কাকতত কাৰ্টুন আঁকিবলৈ ধৰে। মূখ্য পৃষ্ঠাত নিতৌ কাৰ্টুণ ছপা হোৱা 'হিন্দুস্তান টাইমচ' ভাৰতৰ প্ৰথমখন কাকত।

বৰ্তমানে পাঠকৰ মাজত কাৰ্টুনে এক নিৰ্দিষ্ট আসন দখল কৰিছে। ইলেক্ট্ৰনিক মাধ্যমৰ যুগত এয়া এক ভিচুৱেল প্ৰিণ্ট। সকলোতকৈ ডাঙৰ কথাটি হৈছে — প্ৰত্যেকটি কাৰ্টুণ প্ৰত্যেকখন বাতৰি কাকতৰ বাবে 'এক্সক্লুচিভ'। 'লীক' হোৱাৰ কোনো সম্ভাৱনা নাই। ❑

---

বন্ধুত্ব গঢ়ি তুলিলে বন্ধুত্ব স্থায়ী নহয়। — ফ্ৰান্সিচ্।

❑ কেৱল কোনো উদ্দেশ্যৰ ভিত্তিত বন্ধুত্ব গঢ়ি তুলিলে বন্ধুত্ব স্থায়ী নহয়। — ফ্ৰান্সিচ্।

❑ খঙে অন্য ব্যক্তিৰ অপকাৰ কৰাৰ বহু আগতেই তোমাৰ অপকাৰ কৰে। — মহৰ্ষি

শ্ৰীমানৱ জ্যোতি শৰ্মা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান শাখা)

# অসমীয়া ভাষাৰ অস্বিত্বৰ সঙ্কট

( ছাত্ৰ-ছাত্ৰীৰ উত্তৰ বহীৰ ভাষাৰ বিশেষ উল্লেখনেৰে )

**হাবীবুৰ ৰহমান**, প্ৰবক্তা, অসমীয়া বিভাগ

অসমীয়া ভাষাৰ অস্বিত্ব সম্পৰ্কে সচেতন মহলে উদ্বেগ প্ৰকাশ কৰা প্ৰায়েই লক্ষ্য কৰা যায়। এই বিষয়ে কাগজে-পত্ৰে বিভিন্নজনে বিভিন্ন সময়ত আলোচনা-বিলোচনা আদিও আগবঢ়াই আহিছে। অসমীয়া ভাষাটো যে ক্ৰমে এলাগী হৈ গৈ আছে, এই কথা অস্বীকাৰ কৰাৰ উপায় নাই। সাধাৰণ কথা-বতৰা, সভা-সমিতিৰ বক্তৃতা, ৰেডিঅ'-দূৰদৰ্শনৰ কথিকা বা ঘোষণা, ছাইন ব'ৰ্ড, বেনাৰ আদিৰ ভাষাত প্ৰায়েই পোৱা বিভিন্ন আঁসোৱাহসমূহে এই কথাৰ প্ৰমাণ দাঙি ধৰে। তদুপৰি বিদ্যালয় বা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ উত্তৰ বহীৰ অসমীয়া ভাষাৰ পুতৌ লগা অৱস্থাই ভাষাটোয়ে মৃত্যুৰ মুখলৈ গতি কৰি আছে সেই কথাৰ সাক্ষ্য বহন কৰে। আমাৰ হাতত বছৰে বছৰে পৰা পৰীক্ষাৰ উত্তৰ-বহীবিলাকৰ পৰ্য্যবেক্ষণৰ পৰা এটা কথা স্পষ্টকৈ বুজা গৈছে যে বিশেষকৈ বিদ্যালয় পৰ্য্যায়ত অসমীয়া ভাষাৰ অনুশীলন মুঠেই আশানুৰূপ নহয়। ফলত ছাত্ৰ-ছাত্ৰীয়ে (অধিক সংখ্যক) বানান, শব্দ সাধন, বাক্য গঠন, বিভক্তিৰ প্ৰয়োগ, খণ্ডবাচ্য বা জতুৱা ঠাঁচৰ প্ৰয়োগ আদি বিভিন্ন দিশত অসংখ্য ভুল কৰা দেখা যায়। এনে ভুলে এহাতে ছাত্ৰ-ছাত্ৰীৰ আশানুৰূপ নম্বৰ পোৱাৰ অন্তৰায় সৃষ্টি কৰে আৰু আনহাতে ভাষাটোকো সঙ্কটৰ মুখলৈ ঠেলি দিয়ে। বহুতো ছাত্ৰ-ছাত্ৰীৰ মনত (এনেকি বহুত শিক্ষিত(?) লোকৰ মনতো) এনে এটা বদ্ধমূল ধাৰণাই ক্ৰিয়া কৰে, অসমীয়া যেন এটা পঢ়িবলগা বিষয় নহয়; কিবা এটা লিখিলেই হৈ যায়। অনেকে কেৱল পঢ়িব লাগে বুলিয়েই পঢ়ে। মোৰ কেতিয়াবা ক'বলৈ মন যায়, ভৰতবৰ্ষত বোধহয় অসমীয়াই এটা জাতি যি নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি কম শ্ৰদ্ধাশীল। বানান, বাক্য গাঁথনি, বিষয় বস্তুৰ জ্ঞান আদি বিভিন্ন দিশত ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণতে কৰা কিছু ভুল আমাৰ আলোচনাৰ মুখ্য বিষয়।

সংস্কৃত "বৰ্নন" শব্দটোৰ পৰা "বানান" শব্দটো উদ্ভৱ হৈছে। নিৰ্ধাৰিত বিশেষ ক্ৰম বা নিয়মেৰে আখৰৰ প্ৰয়োগকে আখৰ জোঁটনি বা বানান বোলা হয়। শব্দত বৰ্ণসমূহ নিৰ্দিষ্ট ক্ৰমত প্ৰয়োগ নহ'লে শব্দৰ অৰ্থ প্ৰকাশ নাপায়। সাধাৰণতে বানানৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ লেখাত দুই প্ৰকাৰে ভুল কৰে—বৰ্ণৰ আৰু পদৰ। এনে কিছু উদাহৰণ তলত দেখুৱা হ'ল—

(ক) ঈ - ৰ ঠাইত ই - ৰ প্ৰয়োগ ঃ

ভিম, চোৱালি, বুঢ়ি, এজনি, দুখিয়া, অতিত, প্ৰিতি, বিৰ, দিঘল, বুৰঞ্জি, পৰিক্ষা নদি ইত্যাদি।

(খ) ই - ৰ ঠাইত ঈ - ৰ প্ৰয়োগ ঃ

যেতীয়া, তেতীয়া, নোৱাৰী, বিচাৰী, উপৰী, আগবাঢ়ী, কবী, প্ৰকৃতী, মনী (মণি), প্ৰতী, নাতী, সামাজীক, যোগেদী, দক্ষীন, বীয়া, নেকী, আজীকালী, দেখী, খেলী, হাহী (হাঁহি), চুলী, বুদ্ধী, মান্তী, তীৰুতা, বীৰল, কান্ধী-ইত্যাদি। জীৱনী, আমী, গীৰীয়েক উপস্থীত, হীচাপ,

(গ) উ - ৰ ঠাইত ঊ - ৰ প্ৰয়োগ ঃ

ভূল, সূন্দৰ, মূখ, ধূনীয়া, অনুৰূধ।

(ঘ) ও - ৰ ঠাইত উ - ৰ প্ৰয়োগ ঃ

ফুলবুৰ, মুৰ (মোৰ), তুৰ (তোৰ), তুমাক, তীৰুতা, প্ৰতিশুধ, নেপালু, গলু, জুগাৰ (যোগাৰ), টাঙুন, আকুৱালী, সুযুগ, হয়তো, বান্ধুন, উলাই (ওলাই), গুতেই বুৰ, পঠুৱাৰ, বিদ্ৰুহ, আলুকৰ (আলোকৰ) ইত্যাদি।

(ঙ) উ - ৰ ঠাইত ও - ৰ প্ৰয়োগ ঃ

সাজো (সাজু), জোবা (জুবা), হতোৱাই, কিছো, লোকায় আদি।

(চ) ঋ - আৰু ৰ - কাৰৰ বিভ্ৰাট আৰু অপপ্ৰয়োগ ঃ
অগ্ৰীত, মাতৃী, পৰ্থম, হ্দিয়, ভ্ৰীতু, পৃতি (পিতৃ), আক্ৰিষ্ট, কৃত্তন, আৰ্শীবাদ, মৃৰ্ত্যু, শৃয্য, প্ৰৰ্ত্যাখান, শিৰ্য্য, সম্ৰ্ট্ৰাট (সম্ৰাট), দিহ (দৃঢ়), সৰ্য্য, শ্ৰোলোক (শ্লোক), কুৰ্চিত (কুৎসিত), শাস্ত্ৰী (শাস্তি), হৰ্ত্যা আদি।

(ছ) শ, ষ, স - ৰ প্ৰয়োগৰ বিভ্ৰাট ঃ
ষ্টুটি (স্তুতি), শুটা (সূতা), সত্ৰুতা, পসু, সুন্য, সুনিলে, শিশ্য, স্বহীদ, সংযয়, শাক্ষী, শ্বৰ্গ, অসান্ত, শেবা, শোন, অশোক (অসুখ), শখিয়েক, বষ্ট্ৰ ইত্যাদি।

(জ) খ আৰু শ, য, স - ৰ বিভ্ৰাট ঃ
পাখাখেল, সিনাই যাব, সুলি দিলে, সাৰ (খাৰ), দুখ (দোষ), সেইসিনি, খৰ্য্যন্ত (ষড়যন্ত্ৰ), সন্তেকীয়া ইত্যাদি।

(ঝ) থ আৰু ঠ - ৰ প্ৰয়োগ বিভ্ৰাট ঃ
চাই ঠাকিল, পথা/পাথা, থাই, হথাৎ, পুঠি (পুথি), উথিল, যঠেষ্ঠ ইত্যাদি।

(ঞ) ত আৰু ট - ৰ প্ৰয়োগ বিভ্ৰাট ঃ
প্ৰচেস্তা, অটুল, কেইতা, মুকুটা, আটৰত, ষ্টুটি, শুটা, টহিলং, বৰপেতা, চোত-আটা, হয়টো, দুয়োতা, হাটত (হাতত), ঔ-তেঙা, বষ্ট্ৰ, গুতেই ইত্যাদি।

(ট) জ আৰু য - ৰ প্ৰয়োগ বিভ্ৰাট ঃ
জায়, জুগাৰ, যোৱাই (জোৱাই), জিজন, জেতীয়া, সহজোগ, জুজিলে, জিহেতু ইত্যাদি।

(ঠ) ই আৰু য় - ৰ বিভ্ৰাট ঃ
খাবলৈ নেপায় শোকায় সিনাই মৰিব (খাবলৈ নেপাই শুকাই খিনাই মৰিব), ধৃতৰাষ্ট্ৰয় বিদুৰক মাতি পঠিয়াই (ধৃতৰাষ্ট্ৰই বিদুৰক মাতি পঠায়)।

(ড) য'তে আছে ও ত'তেই দিবাঁ চন্দ্ৰবিন্দো ★ সূত্ৰ - ৰ প্ৰয়োগ ঃ চাওঁক, হওঁক, যাওঁক, লক্ষ্মীকান্তওঁ, কেতিয়াওঁ, তথাপিওঁ, ওঁলাল, খনেওঁ, টকাওঁ, কথাওঁ, ওঁচৰত, চাৰিওঁফালে, ইত্যাদি। তদুপৰি বিবাঁহ, দেঁহ, পইচাঁ, কঁচু, সেৰাঁ, হাঁতত, শোঁৱে আদিত চন্দ্ৰবিন্দুৰ অপপ্ৰয়োগ।

(ঢ) ব আৰু ৱ - ৰ বিভ্ৰাট ঃ
জীৱন, জোৱা, নৱ, দিৱ, লৱ, খাৱ, কৰিৱ ইত্যাদি।

(ণ) ণত্ববিধি, ষত্ববিধি, সমাস, প্ৰত্যয় আদিৰ ভুল প্ৰয়োগঃ
কাৰন, তৃন, সোন /শোন, অনুস্তান, প্ৰতিস্থান, অভিশেক, দুল্লভ, দুচ্চৰিত্ৰ ইত্যাদি।

(ত) শব্দ বিভক্তি লোপ বা ভুল প্ৰয়োগ ঃ

গছঅ পআ——'গছৰ পৰা'

ঘৰঅ পআ——'ঘৰৰ পৰা'

গুৱাহাটী যাম——'গুৱাহাটীলৈ যাম'

শঙ্কৰদেৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ বাবে কাব্য-পুথি ৰচনা কৰে।
মাধৱদেৱ গুৰু কৈছিল - 'মাধৱদেৱে গুৰুক কৈছিল।'
খণ্ডবাক্য আৰু ভাঙৰা ঠাঁচ আৰু অন্যান্য ভুল ঃ
— শুক শুককৈ কান্ধিবলৈ ধৰিলে।
— পাতমুগীৰ সৌন্দৰ্য্যই গুৰু গোসাই নমনা হ'ল।
— হিয়া উবুৰী কান্দিছিল।
— প্ৰানীহীন জনশূন্য।
— চিন্তাত ব্যৱস্থা হৈ পৰিল।
— হা হলিয়াই কান্দিছিল।
— হিয়া ভূৰুকাই কান্দিছিল.
— মাটিত মূৰ্ছা খাই পৰিল।
— হিয়া ভেদা ৰদ।
— পানী তিহা ধৰিছিল।
— গোটেই জীৱন চিৰকুমাৰ।

বাক্য গঠনৰ ক্ষেত্ৰতো ছাত্ৰ-ছাত্ৰীয়ে কৰা ভুলৰ সীমা-সংখ্যা নাই। বাক্য এটা কিহেৰে আৰম্ভ কৰি, কেনেকৈ ক'ত শেষ কৰিছে একো ধৰিব নোৱাৰি। কৰ্তাৰ লগত কৰ্ম বা ক্ৰিয়াৰ সম্পৰ্কহীনতা আন এটা বিশেষ আঁসোৱাহ। বিষয়-বস্তুৰ লগত সম্পৰ্ক নথকা কিছুমান নাভূত নাশ্ৰুত কথাই পৰীক্ষকক সঁচাকৈ চিন্তিত কৰি তোলে। তলত কেইটামান উদাহৰণ দাঙি ধৰা হ'ল——

★ (ডিম্বেশ্বৰ নেওগৰ (ব্যঙ্গ))

—'পাতমুগী ওপৰত ভ ভ কা মৌজাৰ বামুনৰ লৰা লক্ষ্মীকান্তই তেওঁক ভাল পাইছিল।'

—'কবিয়ে ৰাতিপুৱা উঠি ঘৰৰ সমোখত ফুলনিৰ বাগিচাত ফুলৰ পাঁহি এটোপাল নিয়ৰ ফুলত ওলমি আছে।'

—'পাতমুগী মুৰ্চা গল আৰু কান্দিবলৈ ধৰিলে।'

—'মেধিয়নীৰ চুলিবুৰ কেচা কলা মিচিকিয়া চুলিবোৰ আছিল।'

—'ফুকনৰ গল্পটো পঢ়ি আমোদজনক এটি গল্প।'

— 'উক্ত কথাশাৰি কবিতা মুঞ্জীৰ থকা মগৰীবৰ আজান নাটকখন সাৰদাকান্ত বৰদলৈ আৰু কৃষ্ণকান্ত ভট্টাচাৰ্য্যদেৰে লিখা নাটকখনৰ তুলি দিয়া হৈছে।'

—'মনোমতী উপন্যাসখন এখন বুৰঞ্জীমূলক নাটক।'

—'ইংৰাজসকলে অসমক হেলাৰঙে চাইছিল।'

—'কাজিৰঙাত থকামানাহ অভয়াৰন্যত বাঘ পোৱা যায়।'

—'পাতমুগী গল্পটো এটা ৰোমান্টিক কবিতা।'

—'দদায়ে উলোটাকৈ পৰি ভগৱানৰ ওচৰত ক্ষমা বিচাৰিলে।'

এইবোৰৰ উপৰিও কিছুমান নাভূত-নাশ্ৰুত কথা পৰীক্ষাৰ বহীবিলাকত পোৱাযায়। উদাহৰণ-

—'মাধৱদেৰৰ বায়েকে ভায়েকৰ কথা পেলাব নোৱাৰি ছাগলী বিচাৰী গল আৰু বাটত শঙ্কৰদেৱ লগ পালে।'

—'মাধৱদেৱ প্ৰাক শঙ্কৰ যুগৰ কবী শঙ্কৰদেবৰ অকান্ত পিয় শিৰ্ষ আছিল।'

—'দদাই কি ছাইচা। ৰহ লাগি পিছলি পৰিবা চাবা।'

—'চুটি গল্প ৬০ চেকেণ্ডৰ ভিতৰত পঢ়ি শেষ কৰিব লাগিব।'

—'উত্তৰ পৃথিবীৰ ভিতৰত অসম অকৃত্ৰিম ৰাজ্য।'

—'ৰাম সৰস্বতীয়ে লিখা মগৰীবৰ আজান নামৰ পাটটিৰ পাৰা তুলি দিয়া।'

—'অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য নিচেই মনোৰম।'

—'মনোমতী উপন্যাসৰ ৰচক সাৰদাকান্ত বৰ কাকতি।'

—'শঙ্কৰদেৱ অসমীয়া লিটাৰেচাৰৰ মানুহ আছিল।'

—'অঙ্কীয়া নাটত বিহুৰ প্ৰভাৱ লক্ষনীয় কথা।'

—'কোৰাছ (Chorus) নামে ঠাইত অসম সাহিত্য সভাৰ সপ্তম অধিবেশন বহিছিল। কোৰাছ আহোম সকলৰ বাসস্থান।'

—'মাধৱদেৱ আগতে শক্তিদেৱী আছিল।'

কোৰাছ ঃ-

—'শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে কাব্যপুথি ৰচনা কৰাৰ দৰে ইও এক প্ৰকাৰ তেনে এটা নৃত্য। এই নৃত্য দাক্ষিণাত্যত প্ৰচলিত।'

—'উক্ত কথাষাৰি শঙ্কৰদেৱে মাধৱদেৱক বিয়া কৰোৱা সম্পৰ্কে কৈছিল।'

**বেজবৰুৱাৰ দুৰ্গতি ঃ**

—'বেজবৰুৱা জাতত কুমাৰ ঘৰৰ লৰা আছিল। তেওঁ দেউতাকে চৰু কলহ বনাই তেওঁলোকৰ জীৱিকা নিৰ্ভৰ কৰিছিল।' (বেজবৰুৱাৰ পাতমুগী)

—'পাতমুগীয়ে তাইৰ স্বমীয়ে তাইক এৰি থৈ যোৱাৰ অপৰাধত তাই লক্ষ্মীনাথ বেজবৰুৱাক লগত লৈ কোৰ্টলৈ গ'ল। লক্ষ্মীনাথ বেজবৰুৱাই ঔ টেঙা গছত উঠি গছৰ পৰা পাতমুগীৰ সমস্ত অঙ্গ চাই ললে।' -(পাতমুগী)-

—'এজনৰ লগত ভালপোৱা ভাবত আবদ্ধ হৈ পিছত পাতমুগীয়ে লক্ষ্মীনাথ বেজবৰুৱাৰ লগত প্ৰেমৰ জাল পতা ইচ্ছা মুঠেই অপচন্দীয়।' -(পাতমুগী)-

—'পাতমুগীয়ে লক্ষ্মীনাথ বেজবৰুৱাক দদাই বুলি মাতিছিল।' -(পাতমুগী)-

—'বেজবৰুৱাদেৱ হ'ল পাতমৰ্গীৰ সম্পৰ্কত দদাই।' - (পাতমুগী)-

ছাত্ৰ-ছাত্ৰীয়ে এনে ধৰণৰ ভুল কৰাৰ মূলতে শব্দ-জ্ঞানৰ অভাৱ, অমনোযোগিতা, গ্ৰাম্য বা থলুৱা ভাষাৰ প্ৰভাৱ, বৰ্ণ-বিন্যাস দোষ, ব্যাকৰণৰ জ্ঞানৰ অভাৱ, বিদেশী ভাষাৰ প্ৰভাৱ, দেৱাল লিখন, চাইনবোৰ্ড, বেনাৰআদিত থকা কিছুমান ভুলৰ প্ৰভাৱ আদি বুলি সাধাৰণতে ঠাৰৰ কৰিব পাৰি। তদুপৰি অসমীয়া ভাষাত উচ্চৰণৰ অনুপাতে আখৰৰ সংখ্যা অধিক। আকৌ এনে কিছুমান ধ্বনি আছে যাৰ উচ্চাৰণ অসমীয়াত একেবাৰেই নাই। উদাহৰণ স্বৰূপে অসমীয়া বৰ্ণমালাত থকা ১১ টা স্বৰৰ আটাইকেইটাৰে উচ্চাৰণ নাই। 'ঋ' - ৰ উচ্চাৰণ 'ৰি' - ৰ দৰে হয়। 'ঈ', 'ঊ' - এই দুটাক আমি যদিও দীৰ্ঘ বোলো, উচ্চাৰণত কিন্তু ক্ৰমে 'ই' আৰু 'উ' - ৰ দৰে । আকৌ 'ঐ' আৰু 'ঔ' - এই দুটা যৌগিক স্বৰ (ঐ-অই, ঔ-অউ)। গতিকে

উচ্চাৰণৰ ভিত্তিত বৰ্ণমালাত থকা ঋ, ঈ, ঊ, ঐ, আৰু ঔ-—এই পাঁচোটাকবাদ দিলে স্বৰ পামগৈ ৬ টা (অ, আ, ই, উ, এ, ও)। এই ছটাৰ ভিতৰৰ আকৌ 'অ' আৰু 'এ' - ৰ দুবিধকৈ উচ্চাৰণ —অ আৰু অ'; এ আৰু এ'। যেনে—

| অ আৰু অ' | | এ আৰু এ' | |
|---|---|---|---|
| কলা | ক'লা | বেচ (বএচ) | বেচ (বএ'চ) |
| গল | গ'ল | বেল (বএল) | বেল (বএ'ল) |
| হল | হ'ল | খেল (খএল) | খেলি (খএ'লই) |

স্বৰবৰ্ণৰ নিচিনাকৈ ব্যঞ্জনৰ ক্ষেত্ৰতো উচ্চাৰণ আৰু আখৰৰ সামঞ্জস্যহীনতাই বানানৰ ক্ষেত্ৰত খেলিমেলিৰ সৃষ্টি কৰে। চ আৰু ছ, জ, ঝ আৰু য, ত আৰু ট, দ আৰু ড, ধ আৰু ঢ, থ আৰু ঠ, ন আৰু ণ, শ, য আৰু স, ৰ আৰু ড় - ৰ উচ্চাৰণ গত পাৰ্থক্যহীনতাই এনে বেমেজালিৰ ঘাই কাৰণ। প্ৰাথমিক পৰ্য্যায়ৰ পৰাই উপযুক্ত আৰু পৰ্য্যাপ্ত অনুশীলনে এনে ধৰণৰ ভুলবোৰ আঁতৰ কৰে। লিখাৰ অভ্যাস আৰু ব্যাকৰণ আৰু অভিধান অধ্যয়ন শুদ্ধ বানান আৰু ভাষা লিখাৰ আহিলা স্বৰূপ। ব্যাকৰণ বা অন্য যিকোনো ৰচনা অধ্যয়নৰ অভাৱ, উচ্চাৰণ বৈশিষ্ট্য, অসাৱধানতা, থলুৱা ভাষাৰ প্ৰভাৱ, শ্বাসাঘাত, অশুদ্ধ উচ্চাৰণ আদিয়ে অশুদ্ধ বাক্য গঠন বা অশুদ্ধ ভাষা লিখাত ইন্ধন যোগায়। অধিক পঢ়া আৰু লিখাৰ অভ্যাসে বানান শুদ্ধ কৰে আৰু আখৰ ভাল কৰে, ভাষা শুদ্ধ কৰে আৰু লগতে চিন্তাৰ খোৰাক যোগাই মগজুক সক্ৰিয় কৰি তোলে, আত্মবিশ্বাস বৃদ্ধি কৰে।

ভাষা এটা গতিশীল বস্তু। গতিশীলতাই ভাষাৰ প্ৰাণ। যি ভাষা যিমানেই গতিশীলতা লাভ কৰিব সেই ভাষা সিমানেই অধিক সমৃদ্ধশালী হ'ব। অৱশ্যে এই গতিশীলতা হ'ব লাগিব নিজস্ব কক্ষত। সাধাৰণতে পৰিৱৰ্ত্তনে ভাষা এটাক গতিশীলতা প্ৰদান কৰে। ভাষাৰ পৰিবৰ্ত্তন ঘটে অইন ভাষাৰ প্ৰভাৱত। সমাজৰ পৰিৱৰ্ত্তনৰ লগে লগে সমাজত নতুন নতুন বস্তুৰ আমদানি ঘটে আৰু তাৰ লগে লগে সংশ্লিষ্ট সমাজৰ ভাষাতো নতুন নতুন শব্দ বা বৈশিষ্ট্যৰ আগমন ঘটে। এনে আগমনক 'ভাষাৰ ধাৰ' বুলি কোৱা হয়। ভাষাই সদায় প্ৰয়োজনতহে আন ভাষাৰ পৰা ধাৰ কৰে। অসমীয়া ভাষাই উদ্ভৱ কালৰ পৰাই বিভিন্ন সময়ত বিভিন্ন ভাষাৰ পৰা উপাদান গ্ৰহণ কৰি বৰ্তমান ৰূপ পৰিগ্ৰহ কৰিছে। আধুনিক অসমীয়া ভাষাই অধিক প্ৰভাৱান্বিত হৈছে, বিশেষকৈ ইংৰাজী ভাষাৰ দ্বাৰা। ৰাতি পুৱা শুই উঠি হাতত লোৱা টুথব্ৰাছডাল, তাত লগাই লোৱা পেষ্ট, মুখধোৱা বেচিন, চাহ খোৱা ডাইনিংটেবুল, কাপ-প্লেট, ব্ৰেড-বাটাৰ ইত্যাদিকে আদি কৰি দিনৰ দিনটো যে আমি কিমান ইংৰাজী শব্দ ব্যৱহাৰ কৰি থাকো হিচাপ নাই। অৱশ্যে নিতান্ত প্ৰয়োজনত নিজস্ব ধৰণেৰে, নিজৰ ভাষাৰ সাঁচত গ্ৰহণ কৰিলে, এনে ধৰনৰ ধাৰে ভাষাটোক বিপন্ন কৰিব বুলি আমি নাভাবো। এটা বাক্য লোৱা যাওক—' লাইটৰ চুইচ্‌টো অফ কৰি দিয়া।' পাঁচটা শব্দৰ এই বাক্যটোৰ তিনিটাই ইংৰাজী। বিশুদ্ধ এসমীয়া ভাষাৰ শব্দৰে বাক্যটো কবলৈ চেষ্টা কৰিলে আমি নিশ্চয় বিপাঙত পৰিম। এই দৰে পি. চি. অ'. ফ্ৰিজ, কম্পিউটাৰ, কাৰেন্ট, ফুটবল, ভলীবল, বাস্কেটবল, টেনিচ, ক্ৰিকেট, বেস্ক, গেচ, চিলিণ্ডাৰ, ফ্লেট, এক্সপ্ৰেছ, বাছ, টিকট, কণ্ডাক্টৰ, কমপ্লেন, মোবাইল, ফেক্স, ড'টক'ম, এ. কে. ফৰ্টিচেভেন, টেক্সি, মাৰুতি, ট্ৰেফিক পুলিচ, ফৰ্ম-ফিলাপ, ফিজ, অফিচ, ছাৰ, প্ৰিন্সিপাল, ইডিয়ট, ষ্টুপিড, ছাৰ্ট, ফাইল, ছিটিবাছ, ইঞ্জিন, মেচিন, টিউব লাইট, টেবুল, ডেস্ক, বেঞ্চ, ছিলিং, ফেন, ছিনেমা হল, আৰ্ট, টৰ্চ লাইট, গেট, বাউণ্ডাৰী আদি অনেক শব্দ আমি আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি আছোঁ। এইবোৰে আমাৰ ভাষাৰ শব্দ ভাণ্ডাৰ নিশ্চয় চহকী কৰিছে।

ভাষাৰ ধাৰৰ যেনেকৈ ধনাত্মক দিশ আছে, তেনেকৈ ঋণাত্মক দিশো আছে। যধে-মধে আৰু অপ্ৰয়োজনত কৰা ধাৰে এহাতে ভাষাটোক বিজতৰীয়া কৰে, আনহাতে নিজৰ ভাষাত থকা অনেক শব্দক মৃত্যুৰ মুখলৈ ঠেলি দিয়ে। বহিৰাগত শব্দৰ অত্যাচাৰত এটা সময়ত কিছুমান শব্দ অভিধানৰ পাততহে নিৰাপদ অনুভৱ কৰে। উদাহৰণ স্বৰূপে—'বনায়' শব্দটোকে লোৱা যাওক কোনোবা দিন কেনেবাকৈ শব্দটোৱে কাঁটা তাৰৰ বেৰ ভাঙি অসমীয়া ভাষাত প্ৰৱেশ কৰিলে। দিনক দিন তাৰ অত্যাচাৰ ইমান বাঢ়ি গ'ল যে অসমীয়াৰ 'ৰান্ধে', 'সাজে', 'বয়', আদি শব্দই ভয়তে অভিধানত সোমাই জাপদুৱাৰ জপাই দিলে। উপায় নাপাই আমাৰ ৰান্ধনীয়ে ভাত নৰন্ধা

হ'ল, শিপিনীয়ে কাপোৰ নোবোৱা হ'ল, মিস্ত্রীয়ে ঘৰ নসজা হ'ল। আটাইয়ে 'বনাব'লৈ ললে। আমাৰ ল'ৰা ছোৱালীয়ে 'বনোৱা' ভাত খাই কলেজ যাব পৰা হ'ল, অফ পেৰিয়ডত টিফিন খাব পৰা হ'ল, ক্লাচত লাষ্টবেঞ্চত বহি গাৰ্ল-ফ্রেণ্ড, বয়-ফ্রেণ্ডলৈ লাভ লেটাৰ লিখিব পৰা হ'ল। আমি প্ৰায়েই শুনিবলৈ পোৱা এনে বিজতৰীয়া ভাষাৰ কিছু উদাহৰণ—জল্‌দি স্কুল যাওঁ, দেতা গুৱাহাটী গৈছে, তাই ডিপাৰ্টমেন্ট গ'ল, মই ঘৰ যাওঁ, মাই পিঠা বনাইছে, তাৰ লাইফ বনি গ'ল। তেনেকৈ বৈদ্য পিটিন, ৰাম পিটিন, ঠাণ্ডা বনাই দে, তামাম খালো, বেয়া পিটিন, জবৰ্দস্ত খানা, দিমাগ খাৰাপ, বেটাৰী দাউন, গেহেৰা খানা, পিটি তক্তা বনাই দে, এইছা খাৰন দিম, বাপেৰৰ নাম ভুলি যাবি, বৰ কামিনা, ইন্মান কঞ্জুচ, থেঙ্ক ইউ, ছ'ৰী, দিলদাৰ, টেংভাঙি দিম, লাইফ বৰ্বাদ কৰ, গিয়াৰ উঠি যায়, জিন্দেগীভৰ, ফিলামেন্ট জ্বলি যায়, ফিউজ গ'ল, নাট-বল্টু ঢিলা, বদমাচৰ হাৰ্ডি, মস্ত ফাল্টু, লাথ মাৰ, লেংমাৰ, ফ'ৰ টুৱেন্টি, গুলি মাৰ, চাধা-চিধা, বাপ্‌কা বেটা, ৰাজী-খুচি, হিম্মত নাই, বোম পিটিন, দোচোৰা দিন, ইনচাফ কৰ, ফজিৰ ফজিৰ, লাল বাত্তি, লাইন মাৰ, ধোকা দে, লাক বেয়া, কামানি কম, মস্ত মোটি, খাচ মানুহ, খালাচ, পুৰিয়া মাৰ, খতম কৰ, বিগিন কৰ, এইছা জমনি, বৈদ্য জমনি, তাজা খবৰ, আইৰা, ইয়াক্কু, হাই, মাল খায়, হাল্লা কৰ, ট্ৰেজেদি ফাল, চচুৰ বাৰী—আদি অজস্ৰ উদাহৰণ আমি দেখিবলৈ পাওঁ। এইবোৰক ঘঁহি-মাজি সুন্দৰ কৰি অসমীয়া ধৰণে গ্ৰহণ কৰিব পাৰিলে ভাষাৰ প্ৰকাশিকা শক্তি বাঢ়িব সঁচা কিন্তু এইবোৰ ব্যৱহাৰ নকৰাকৈ এনে ধৰণৰ ভাব প্ৰকাশ কৰিবলৈ আমাৰ ভাষাত উপযুক্ত শব্দ আছে নে নাই সেই কথা বিচাৰ কৰাৰ প্ৰয়োজন আছে। আমি ভাবো অসমীয়াত এনে ভাব প্ৰকাশক শব্দৰ নিশ্চয় অভাৱ ঘটা নাই। গতিকে অযথা জাবৰ জোথৰেৰে অসমীয়া ভাষাৰ শব্দ ভঁৰাল ভৰাবলৈ গ'লে বিশুদ্ধ শব্দবিলাকো পচি যেৱাৰ সম্ভৱনা আছে। গতিকে এই ক্ষেত্ৰত সকলোৰে সচেতন হোৱাৰ প্ৰয়োজন আছে, বিশেষকৈ ছাত্ৰ সমাজ। ভাষা সাহিত্যৰ অধ্যয়নত গোড়ামি থাকিব নেলাগে। অন্য ভাষা বা ভাষাৰ সাহিত্যৰ অধ্যয়ন নোহোৱাকৈ নিজৰ ভাষা-সাহিত্যৰ অধ্যয়নো পূৰ্ণ নহয়। আমি ইংৰাজী, বঙলা, হিন্দী আদি জনাটো ভাল কথা। কিন্তু অপ্ৰয়েজনত এনে ভাষাৰ বিভিন্ন উপাদানেৰে ভাষাটো ভাৰাক্ৰান্ত কৰিলে, ভাষাটো নিশ্চয় অস্তিত্বৰ সঙ্কটত পৰিব। ছাত্ৰ সমাজলৈ আমাৰ আহ্বান, তেওঁলোকে নিজৰ ভাষা-সাহিত্য-সংস্কৃতিক ভাল পাবলৈ, শ্ৰদ্ধা কৰিবলৈ শিকক। হাতত নিচান লৈ ৰাজ আলিত 'শ্লোগান' দি দি বিৰাট মিছিল উলিয়ালেই দেশসেৱা কৰা নহয়। নিজৰ ভাষা-সংস্কৃতিক শুদ্ধ ৰূপত ব্যৱহাৰ কৰিব পৰাটোও একপ্ৰকাৰ দেশসেৱা।

<u>দ্ৰষ্টব্য</u> ঃ প্ৰবন্ধটোত উল্লেখ থকা উদ্ধৃতি, ভুল বানান, বাক্য গাঁথনি আদি পৰীক্ষাৰ উত্তৰ বহীৰ পৰা হুবহু তুলি দিয়া হৈছে।❑

- আমাক ভাল মানুহ লাগে, ভাল আইন আৰু আদালতৰ আৱশ্যক নাই। আমি যিমানেই কম জানো সিমানেই সঠিক ভাবে জানো। জ্ঞান বঢ়াৰ লগে লগে সন্দেহো বাঢ়ি যায়।

— গোটে

- আঠুঁ কাঢ়ি জীয়াই থকাতকৈ থিয় হৈ মৃত্যুবৰণ কৰাই শ্ৰেষ্ঠ।

— এমিলিয়ান জপিটি

শ্ৰীসঞ্জীৱ মেধি, স্নাতক প্ৰথম বৰ্ষ (কলা)

# কম্পিউটাৰ শিক্ষাৰ আনুষংগীক কথা

ভবেন চন্দ্ৰ নেওগ, প্ৰৱক্তা, গণিত বিভাগ



কম্পিউটাৰ বৰ্তমান যুগত প্ৰায় সকলো ক্ষেত্ৰৰ বাবে অতি প্ৰয়োজনীয় এক যন্ত্ৰত পৰিণত হৈছে। এসময়ত মানুহে কম্পিউটাৰ নামৰ যন্ত্ৰটো কেৱল বিজ্ঞানী সকলৰ বাবে প্ৰয়োজনীয় এক অত্যাধুনিক যন্ত্ৰ বুলিহে ভাবিছিল। যোৱা কিছু বছৰৰ আগৰ পৰা সমগ্ৰ বিশ্বতে কম্পিউটাৰ বিজ্ঞানে অতি চমক প্ৰদ অগ্ৰগতি লাভ কৰে। ফলত এতিয়া বিজ্ঞানীৰ উপৰিও বিভিন্ন উদ্যোগ, বাণিজ্যকে আদি কৰি প্ৰায় সকলোবোৰ ক্ষেত্ৰতে ইয়াৰ ব্যৱহাৰ কাৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। বিজ্ঞানৰ সকলো বিলাক বিষয়ৰ ভিতৰত কেৱল মাথো কম্পিউটাৰ বিজ্ঞান বিষয়টোৱেহে ইমান কম সময়ৰ ভিতৰত এনে গুণোত্তৰ হাৰত বৃদ্ধি লাভ কৰিবলৈ সক্ষম হৈছে। অতি কম সময়ৰ ভিতৰত বিভিন্ন স্তৰত সমাদৃত তথা ব্যৱহৃত এই যন্ত্ৰটোৰ বিষয়ে আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ সৰহ সংখ্যকৰে জানিবলৈ এতিয়াও বহুত বাকী আছে। কম্পিউটাৰৰ বিষয়ে সম্যক জ্ঞান নথকা লোকৰ মনত উদ্ভৱ হোৱা প্ৰশ্নবোৰ হৈছে -- ইনো আচলতে কেনেকুৱা, কি কি কামত, কেনেদৰে প্ৰয়োগ কৰিব পাৰি, কেনেকৈ ইয়াক শিকিব পৰা যায়, শিকিলেনো কেনে ধৰণৰ সুবিধা ইয়াৰ পৰা পোৱা যাব ইত্যাদি। এনে ধৰণৰ নানান টা প্ৰশ্নই বহুতৰ মনত খু- দুৰণীৰ সৃষ্টি কৰি আহিছে।

কম্পিউটাৰৰ ব্যৱহাৰ সকলোদিশতে ক্ৰমান্বয়ে বাঢ়ি অহালৈ চাই আজিৰ দিনত ইয়াৰ

শিক্ষা অতি প্ৰয়োজনীয় হৈ পৰিছে। এই কথা উপলব্ধি কৰিয়েই ভাৰত চৰকাৰৰ অনুমোদন ক্ৰমে বিভিন্ন ৰাজ্যৰ (বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আদি) শিক্ষানুষ্ঠান সমূহত কম্পিউটাৰ শিক্ষাৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে। ইয়াৰ সমান্তৰাল ভাবে বেচৰকাৰী তথা ব্যক্তিগত প্ৰতিস্থান সমূহেও বিভিন্ন পাঠ্যক্ৰম অৰ্ন্তভূক্ত কৰি কম্পিউটাৰ শিক্ষাৰ ব্যৱসায় আৰম্ভ কৰিছে।

এই খিনিতে আমাৰ পাঠক সকলক কম্পিউটাৰ শিক্ষাৰ কিছু আনুষংগীক কথা জনাব খুজিছো। কম্পিউটাৰ শিক্ষাৰ মূল উদ্দেশ্য প্ৰধানতঃ দুটা। এই দুটা হৈছে — বৃত্তিমুখী বা চাকৰিমুখী আৰু শিক্ষামুখী বা শৈক্ষিক উদ্দেশ্য (Vocational and academic approach) শৈক্ষিক উদ্দেশ্যৰে কৰা শিক্ষাদানত কম্পিউটাৰ বিজ্ঞানৰ ওপৰত তথা বৈজ্ঞানীক প্ৰগ্ৰেমিঙৰ (Scientific Programming) ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। এই শাখাত কম্পিউটাৰ তত্বগত দিশটোৰে প্ৰাধান্যতা লাভ কৰে। ইয়াৰ শিক্ষাৰ্থী সকলক প্ৰধানতঃ উচ্চ শিক্ষাৰ প্ৰয়োজনতহে শিক্ষা প্ৰদান কৰা হয় যাতে তেওঁলোকে ভৱিষ্যতে গৱেষণা তথা অন্য উচ্চস্তৰৰ প্ৰগ্ৰেমিঙত নিজকে জড়িত কৰিব পাৰে।

আনহাতে বৃত্তিমুখী শিক্ষাত কম্পিউটাৰৰ ব্যৱহাৰিক দিশটোৰ ওপৰত বেছিকৈ গুৰুত্ব দিয়া হয়। ইয়াৰ শিক্ষাৰ্থী সকলক প্ৰধানতঃ প্ৰয়োগ সংক্ৰান্তীয় বিভিন্ন চাকৰিৰ বাবে প্ৰস্তুত কৰি তোলা হয়। সেয়েহে ইয়াত কম্পিউটাৰৰ বিষয়ে বিতং জ্ঞান দিয়াতকৈ ইয়াক কিমান বিভিন্ন ক্ষেত্ৰত কেনেদৰে প্ৰয়োগ কৰিব পাৰি তাৰ ওপৰতহে বেছিকৈ গুৰুত্ব আৰোপ কৰা হয়।

বৰ্তমান কম্পিউটাৰৰ শিক্ষা প্ৰদান কৰি থকা বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু বেচৰকাৰী প্ৰশিক্ষণ কেন্দ্ৰবোৰৰ পাঠ্যত্ৰমলৈ লক্ষ্য কৰিলে দেখা যায় যে বিশ্ববিদ্যালয় বা মহাবিদ্যালয় সমূহে সাধাৰণতে শৈক্ষিক দিশটোৰ গুৰুত্ব বিবেচনা কৰি শিক্ষা প্ৰদান কৰে। অৱশ্যে ইয়াৰ কিছুসংখ্যকে বৃত্তিমুখী শিক্ষাদান নকৰা নহয়। কিন্তু সৰহ সংখ্যাকেই উচ্চ শিক্ষাৰ প্ৰয়োজনতহে কম্পিউটাৰ শিক্ষা প্ৰদান কৰে। আনহাতে প্ৰায়বোৰ বেচৰকাৰী প্ৰতিষ্ঠানে বৃত্তিমুখী শিক্ষা প্ৰদান কৰে।

প্ৰশিক্ষাৰ্থী সকলে শিক্ষা গ্ৰহণ কৰিব খোজাৰ আগতে কেইটামান কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। তেওঁলোকে গুৰুত্ব দিব লগা মুল কথাটো হৈছে তেওঁ কম্পিউটাৰ শিক্ষা গ্ৰহণ কৰাৰ উদ্দেশ্য কি? ইয়াৰ সম্ভাব্য উত্তৰবোৰ হ'ল এনেধৰণৰ—

(১) সংস্থাপনৰ বাবে, (সংস্থাপন নোপোৱা সকলৰ বাবে)
(২) নিজৰ বৃত্তিৰ লগত জড়িত আনুষঙ্গীক কামৰ সহায়ৰ বাবে, (চাকৰিয়াল সকলৰ বাবে)
(৩) মনোৰঞ্জণৰ বাবে
(৪) বিলাসিতাৰ বাবে, (অপৰ্য্যাপ্ত টকা পইচা থকা সকলৰ বাবে)
(৫) উচ্চ পৰ্য্যায়ৰ গৱেষণা তথা অধ্যয়ণৰ বাবে (পঢ়া-শুণাত ভাল ছাত্ৰ-ছাত্ৰীৰ বাবে নিজৰ কেৰিয়াৰ হিচাপে)।

ওপৰৰ প্ৰথম চাৰিটা কাৰণৰ বাবে বৃত্তিমুখী শিক্ষাক নিৰ্বাচন কৰা ভাল। কাৰণ এনেধৰণৰ পাঠ্যক্ৰমবোৰ বেলেগ বেলেগ প্ৰয়োজন অনুসৰি প্ৰস্তুত কৰা হয়। তদুপৰি এনেধৰণৰ পাঠ্যক্ৰমবোৰ সময় সাপেক্ষ হয়। অতি কম এক মাহৰ পৰা আৰম্ভ কৰি দুই, তিনি বছৰ পৰ্য্যন্ত এই পাঠ্যক্ৰম শিকাৰ ব্যৱস্থা থাকে।

আজিৰ যুগ হৈছে প্ৰতিযোগিতাৰ যুগ। প্ৰতিদিনৰ নতুন নতুন আৱিষ্কাৰ তথা বিকাশে কম্পিউটাৰ জগতত দ্ৰুত গতিত পৰিবৰ্তন আনি দিছে। আজিৰ বিবেচনাত অত্যাধুনিক তথা উন্নত যেন লগা সামগ্ৰীক তাৰ পিছৰ আৱিস্কাৰে মূল্যহীন কৰি তুলিছে। উদাহৰণ স্বৰূপে — কিছুদিন আগলৈকে (Pentium- III) প্ৰচেচৰ্ টোৱেই আছিল আটাইতকৈ নিৰ্ভৰযোগ্য আৰু উচ্চ গতিবেগ সম্পন্ন (Speedy) প্ৰচেচৰ। ইয়াৰ ব্যৱহাৰৰ বাবে ব্যৱহাৰ কাৰীৰ মাজত হেতা ওপৰা লাগি থকাৰ অৱস্থাতে (Pentium- 4) ৰ আৱিস্কাৰে (Pentium- III) ক বহু দূৰ পিছ পেলাই থৈ আহিবলৈ সক্ষম হৈছে। লগে লগে গ্ৰাহকে (Pentium- 4) ৰ ব্যৱহাৰৰ কথা ভাবিবলৈ আৰম্ভ কৰিছে। একে ধৰণে Software ৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য হয়।

গতিকে এনেধৰণৰ পৰিৱৰ্তনবোৰৰ লগত খোজ মিলাই যাব পৰাজন বহুদূৰ আগবাঢ়ি গৈছে আৰু নোৱাৰাবোৰে পিছ পৰি একাষত পৰি ৰ'ব লগা হৈছে। কম্পিউটাৰ জগতৰ এই পৰিৱৰ্তনৰ লগে লগে প্ৰশিক্ষণ কেন্দ্ৰ সমূহৰ পাঠ্যক্ৰমৰো পৰিৱৰ্তন তথা (upto date) হোৱা নিত্যান্তই আৱশ্যকীয়। পিছে দেখা যায় যে বহু সংখ্যক কেন্দ্ৰয়েই পাঠ্যক্ৰমৰ পৰিবৰ্তন নকৰে বা কৰাৰ চেষ্টা নকৰে। ইয়াৰ কাৰণ হিচাপে হয় তেওঁলোকৰ প্ৰশিক্ষক বৃন্দই সেই নতুন পৰিবৰ্তন আয়ত্ব কৰিব পৰা নাই, নহয় তাৰ বাবে প্ৰয়োজনীয় নতুন কম্পিউটাৰ কিনিবলৈ আগ্ৰহ প্ৰকাশ কৰা নাই বা হয়তো তেনেপৰিৱৰ্তনৰ কথা গমেই পোৱা নাই। তদুপৰি বহুতো কেন্দ্ৰৰ প্ৰশিক্ষক সকলৰ অৰ্হতাৰ উপযুক্ততা নাথাকে। প্ৰায়বোৰ কেন্দ্ৰই নুন্যতম বেতনৰ বিনিময়ত প্ৰয়োজনতকৈ কম অৰ্হতাসম্পন্ন ব্যক্তিক নিয়োগ কৰি শিক্ষাৰ্থী সকলক আভুৱা ভৰা— দেখিবলৈ পোৱা যায়। বহুতো চলাহী কথাৰে বাতৰি কাকতৰ বিজ্ঞাপনৰ যোগেদি জনসাধাৰণক বিভ্ৰান্ত কৰাৰ চেষ্টা কৰে। ফলত কম্পিউটাৰ শিকাত আগ্ৰহী বহুলোকে এই কথাবোৰৰ উমান নাপায় এনে কেন্দ্ৰ সমূহত শিক্ষা লয়গৈ। ফলত তেওঁলোকে বহু হাজাৰ টকা খৰচৰ বিনিময়ত কম্পিউটাৰৰ শিক্ষা আহৰণ কৰে হয়, পিছে সেই শিক্ষা আধৰুৱা হয় আৰু এনেধৰণৰ শিক্ষা চাকৰিৰ বাবে কামত নাহে। সেয়েহে কম্পিউটাৰ শিক্ষা গ্ৰহণ কৰাৰ সময়ত কোনো প্ৰতিষ্ঠানত ভৰ্ত্তি হোৱাৰ আগতে এনেধৰণৰ কথাবোৰ চালি-জাৰি চোৱাটো আৱশ্যক।

আনহাতে আমাৰ প্ৰায়বোৰৰ মনত উদ্ভৱ হোৱা অন্য এটা প্ৰশ্ন হৈছে - - কম্পিউটাৰৰ পাঠ্যক্ৰম চৰকাৰৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত (Govt. Recognised) হ'বই লাগে নেকি? চৰকাৰী স্বীকৃতি নোপোৱা প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰিলে চাকৰি পোৱাত অসুবিধা হ'ব নেকি? এই প্ৰশ্নৰ উত্তৰ হ'ল কম্পিউটাৰ পাঠ্যক্ৰম চৰকাৰৰ দ্বাৰা স্বীকৃত হ'বই লাগিব। এনে কথা নাই। অৱশ্যে কিছুমান চাকৰিৰ বাবে চৰকাৰী স্বীকৃতি থকা পাঠ্যক্ৰম পঢ়াটো প্ৰয়োজনীয়। আনহাতে বহুতো কোম্পানীত চাকৰিৰ বাবে এনে পাঠ্যক্ৰমৰ আৱশ্যকতা নাই। আজিকালি বহুতো কোম্পানীয়ে প্ৰাৰ্থীজনে ক'ত কেনেধৰণৰ পাঠ্যক্ৰম পঢ়িছে তাক চোৱাতকৈ প্ৰাৰ্থীজনে কিমান জানে তাৰ ওপৰতহে বেছিকৈ গুৰুত্ব দিয়া দেখা যায়। চৰকাৰী 'পঞ্জীয়ণ ভূক্ত' আৰু চৰকাৰী 'অনুমোদন প্ৰাপ্ত (Govt. Registered & Govt. Recognised) দুয়োটা বেলেগ বেলেগ ব্যৱস্থা। বহুটো কম্পিউটাৰ শিক্ষা প্ৰতিষ্ঠানে চৰকাৰী পঞ্জীয়নকে চৰকাৰী অনুমোদন থকা বুলি ভুৱা প্ৰচাৰ চলোৱা দেখা যায়। এটা প্ৰতিষ্ঠান চৰকাৰী পঞ্জীয়ণ ভূক্ত হোৱা মানে ই চৰকাৰী অনুমোদন নাপবও পাৰে।

ইফালে (DOEACC) হৈছে কেন্দ্ৰীয় চৰকাৰৰ ইলেক্ট্ৰনিক্স বিভাগৰ দ্বাৰা অনুমোদন প্ৰাপ্ত এক সৰ্বভাৰতীয় কম্পিউটাৰ পাঠ্যক্ৰম। ইয়াৰ পাঠ্যক্ৰমবোৰক "O","A","B" আৰু "C" পৰ্য্যায়ত ভাগ কৰা থাকে। এইবোৰ ক্ৰমে চাৰ্টিফিকেট ক'ৰ্চ, ডিপ্ল'মা, এম চিএ আৰু এম্‌টেক্ ৰ সমতুল্য। এই আঁচনিৰ আধীনত কৃতকাৰ্য্যই যোগ্যতা লাভ কৰা জনৰ যোগ্যতাক সৰ্বভাৰতীয় যোগ্যতা হিচাপে স্বীকৃতি দিয়া হয়।

উপৰোক্ত কথাবোৰ বিবেচনা কৰিলে দেখা যায় যে কম্পিউটাৰ সম্পৰ্কীয় যি কোনো পাঠ্যক্ৰম গ্ৰহণ কৰাৰ আগতে এই সম্পৰ্কে জনা শুনা কোনো লোকৰ লগত পৰামৰ্শ গ্ৰহণ কৰিলে ঠগখোৱাৰ সম্ভাৱনা কম থাকে। অৰ্থাৎ কম্পিউটাৰ সম্পৰ্কীয় শিক্ষাৰ ক্ষেত্ৰত সাৱধানৰ মৰণ নাই। ❑

# সাম্প্ৰতিক সমাজত “সততা আৰু নৈতিকতাৰ” প্ৰাসঙ্গিকতা

**নমিতা বৰুৱা**, স্নাতক ১ম বৰ্ষ

সততাই নৈতিকতাক জন্ম দিয়ে আৰু নৈতিকতাই সামাজিকভাৱে দায়বদ্ধ হবলৈ শিকাই। এই সামাজিক দায়বদ্ধতাই সমাজখনক সুন্দৰ আৰু সু-শৃংখল কৰি তোলে। যিখন সমাজ হৈ পৰে শান্তিৰ আধাৰ আৰু সুখৰ স্বৰ্গস্বৰূপ। সততাই মানুহৰ মনত এক দৃঢ় আত্মবিশ্বাস জন্মায় আৰু আত্মবিশ্বাস থকা বাবেই সৎব্যক্তি সদায় আত্মবিশ্লেষণ কৰি নিজকে আদৰ্শৰ সু-উচ্চ শিখৰত অৱস্থান কৰিবলৈ সক্ষম হয়। কাৰণ এজন সৎব্যক্তিয়ে গ্ৰাহ্য আৰু অগ্ৰাহ্যৰ দুয়োটাৰে প্ৰভেদ বুজি পায়। ভাল কাম কৰি পোৱা আনন্দত এক তৃপ্ততা ভৰা সুখ থাকে। সততাৰে পূৰ্ণ অন্তৰ এখন সদায় গভীৰ প্ৰশান্তিৰে পূৰ্ণ হৈ থাকে। এনে প্ৰশান্তি ভৰা সুখ কেতিয়াও ভয়, শংকা, অভাব বা তেনে কোনো সন্দেহৰ ছাঁৰে বিকৃত নহয়। কিন্তু এনে এবিধ আমোঘ সত্যক পিঠি দি আজিৰ গৰিষ্ঠ সংখ্যক মানুহে আদৰ্শহীন জীৱন যাপন কৰাৰ ফলত আজিৰ মানৱ সমাজৰ পৰা যেন লাহে লাহে মানৱীয় প্ৰমূল্যবোধ নোহোৱা হৈ যাবলৈ ধৰিছে। আজিৰ সমাজখন বৰ দুখ লগা ধৰণে সততা আৰু নৈতিকতাৰ দৈন্যতাত ভুগিছে যেন ভাৱ হয়। এই দৈন্যতাই মানৱ সমাজত পৰস্পৰৰ মাজত ভয়, শংকা আৰু অবিশ্বাসৰ এখন অদৃশ্য প্ৰাচীৰ এনেদৰে থিয় কৰাই দিছে যে এজনে আনজনক অদ্ভুত ধৰণে সন্দেহৰ চকুৰে চাবলৈ লৈছে। তাৰ ফলত চাৰিওফালে সৃষ্টি হৈছে বিশৃংখলতা আৰু অশান্তি। আজিৰ যুগত চাৰিওফালে যান্ত্ৰিকতাৰ প্ৰয়োভৱে মানুহৰ মনবোৰকো যেন একো একোটা ‘ধাতৱ যন্ত্ৰত’ পৰিণত কৰিছে। এই ‘ধাতৱ যন্ত্ৰ’ এনেদৰে তৈয়াৰ কৰা হৈছে যে তাৰ ভিতৰৰ পৰা দয়া, ক্ষমা, ত্যাগ, সহনশীলতা আৰু মানৱতাৰ নিচিনা মহান গুণবোৰ আতৰাই তাৰ ঠাইত পূৰণ কৰা হৈছে অমানৱীয়তা আৰু কিছুমান আসুৰিক হিংস্ৰ প্ৰকৃতিৰ। ফলত সততা, নৈতিকতাৰ নিচিনা মানৱীয় গুণবোৰ ৰক্ষণাবেক্ষণ দিয়াৰ কথাবোৰ আজিৰ যুগৰ মানুহে পাহৰিয়েই পেলাইছে।

কিন্তু এটা কথা নিশ্চিত যে সততা আৰু নৈতিকতাহীন ব্যক্তিৰকোনো ধৰণৰ আত্মবিশ্বাস নাথাকে আৰু আত্মবিশ্বাস নথকাৰ ফলত জীৱনটো হৈ পৰে অনিশ্চয়তাৰে ভৰা। এনে ব্যক্তিয়ে জীৱন যাপন কৰে উৎকণ্ঠাৰে পূৰ্ণ অশান্তিদায়ক বিশৃংখল আৰু আদৰ্শহীন ভাৱে। এনে ব্যক্তিয়ে নিজকে সু-উচ্চ প্ৰাচীৰৰ মাজত আবদ্ধ কৰি ৰাখিলেও কেতিয়াও নিৰাপদ অনুভৱ নকৰে। গতিকে এনে এটা সংকুচিত, অৰ্থহীন আৰু নিৰাপত্তাহীন জীৱনৰ মাদকতাই বা ক'ত? ❑

- দৰিদ্ৰতাই বিপ্লৱ আৰু হিংসাত্মক কাৰ্য্য কলাপৰ মূল উৎস

— এৰিষ্টটল।

- অতীতৰ কালে চাবৰ প্ৰয়োজন নাই। আগফালে চোৱা। আমাক লাগে অসীম শক্তি, দুৰ্জয় সাহস আৰু অসীম ধৈৰ্য্য। তেতিয়া আমি মহৎ কাৰ্য্য সাধিব পাৰিম।”

— স্বামী বিবেকানন্দ

শ্ৰীব্ৰজেন কোঁৱৰ
উঃ মাঃ ২য় বৰ্ষ (কলা শাখা)

# দেহতত্ব আৰু আত্ম-সমালোচনা

বাবুল চন্দ্ৰ মালাকাৰ, গ্ৰন্থাগাৰিক, জাগীৰোড মহাবিদ্যালয়

**দেহতত্ব আৰু আত্ম-সমালোচনা ঃ**

পৃথিৱীখন বা জগৎখনৰ কথা মনলৈ অহাৰ লগে লগে সাধাৰণতে দুখন জগতৰ কথা আমাৰ মনলৈ আহে।

তাৰে এখন হ'ল—চকুৰে দেখা বা চাক্ষুস; আৰু আনখন— আধ্যাত্মিক বা মানসিক জগত।

চাক্ষুস জগত খনৰ বস্তু সমূহ আমি চকুৰে দেখা পাওঁ বা স্পৰ্শ কৰিব পাৰো; কিন্তু আধ্যাত্মিক জগত খনৰ বস্তু সমূহ আমি চকুৰে দেখা নাপাওঁ নাইবা স্পৰ্শও কৰিব নোৱাৰো। মাত্ৰ আমি কল্পনাহে কৰি লব পাৰো নাইবা তাক উপলব্ধিহে কৰিব পাৰো। এই মানসিক জগত বা ক্ষেত্ৰ খনৰ কিন্তু পৰিধিৰ শেষ নাই।

বাহ্যিক জগত খনত আমি বিভিন্ন ধৰণৰ গছ-গছনি, জীৱ-জন্তু আদি শৰীৰী অবয়ৱ কিছুমান দেখা পাইছো। কিন্তু মানসিক বা আধ্যাত্মিক জগত খনত এই জীৱ-জন্তু বিলাকৰ দেহৰ ভিতৰত লুকাই থকা জীৱাত্মা বা আত্মা, মন, বুদ্ধি আদি বিষয় আৰু এইবোৰৰ উপৰত প্ৰভাৱ বিস্তাৰ কৰা কিছুমান শক্তি যেনে—কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য আদি হাজাৰ হাজাৰ তেনেকুৱা অনিষ্টকাৰী শক্তিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া আদিৰ কথাহে আমি এই প্ৰৱন্ধত অতি চমুকৈ আলোচনা কৰিব খুজিছো হক।

পাৰ্থিৱ জীৱ-জন্তু বুলি কওঁতে মানুহকো ইয়াৰ ভিতৰত সামৰি লোৱা হৈছে। ইয়াত আমি কিন্তু মানুহৰ বিষয়েহে আলোচনা কৰিম। দেহতত্বৰ বিশ্লেষক সকলে মানুহৰ শৰীৰ বা দেহটোক "পঞ্চভূতি" দেহ অৰ্থাৎ পঞ্চভূতেৰে গঠিত দেহ বুলি কৈছে। (এই পঞ্চভূত হ'ল—জুই, পানী, মাটি, বায়ু আৰু পৰিবেশ বা বাতাবৰণ।) সংস্কৃত আৰু বিভিন্ন শাস্ত্ৰত এই বিষয়ে বহলাই আলোচনা কৰা আছে।

আমি ইয়াত ইমান গভীৰলৈ নোসোমাওঁ। মাত্ৰ আমাৰ সকলোৰে অতি প্ৰয়োজনীয় বুলি ভবা দুটা কথাৰ ভিতৰতে সীমাৱদ্ধ থাকিম সেই দুটা হ'ল—(১) বিবেক আৰু (২) মন।

যি দুটা শক্তিয়ে আমাক বা আমাৰ দেহটোক ইফালে সিফালে চলাই লৈ ফুৰে; ভাল বা বেয়া কৰ্ম্ম কৰিবলৈ উচটাই ফুৰে—সেই দুই শক্তিক আমি "বিবেক" আৰু "মন" বুলি চিহ্নিত কৰিছো।

আমি বেছি ভাগেই জানো যে সংসাৰত চলি ফুৰোতে মানুহ যাতে একেবাৰে মুকলি হৈ ফুৰিব নোৱাৰে; যাতে মাজে সময়ে অ'ত ত'ত খুন্দা খাই হাত-ভৰি বা মগজত অলপ দুখ অনুভৱ কৰিব পাৰে তাৰ কাৰণে ভগৱান বা আল্লাই কেইটামান অপকাৰী শক্তিক আমাৰ মাজতে মেলি দিছে। সেই বিলাক হ'ল—কাম, ক্ৰোধ....আদি শক্তি সমূহ। এই শত্ৰু-শক্তি বিলাকৰ পাৰ্শ্বক্ৰিয়া আমি আতায়ে নিশ্চয় অনুভৱ কৰো। এই ৰিপু সমূহৰ বশ্যতা স্বীকাৰ কৰিবলৈ আমাৰ শৰীৰৰ ভিতৰত লুকাই থকা 'মন' টিয়ে আমাক অহৰহ খুন্দিয়াই থাকে। এই মনটো বৰ বিপদজনক। ইয়াৰ পালত পৰি আমি কত যে কিমান অসৎ কাম নকৰো! উদাহৰণ স্বৰূপে ধৰা হওঁক আমাৰ ঘৰৰ ওচৰৰে কাৰোবাৰ বাৰীত এটা 'অমিতা' বা 'আম' গছত পকি লোভনীয় হৈ আছে। সেই বস্তুটো আমাৰ দৃষ্টি গোচৰ হোৱাৰ লগে লগে মনটোৱে আমাক ক'বলৈ আৰম্ভ কৰিব—"সৌ ফলটো পকি ৰঙা পৰি আছে দে! খাব পৰা হ'লে বৰ ভাল আছিল। চিঙি অনাই ভাল......।" এই ধৰণে আমাক উচটাই দি ই বহু ধৰণে দুৰ্নীতিত লিপ্ত কৰায়। এই মনটোৰ উচটনিতে লোভৰ বশৱৰ্তী হৈ সংসাৰত বহুত মানুহ অধঃপতনে যায়। ফলত এই চৰিত্ৰৰ মানুহবোৰ দেখাত কায়াটো মানুহৰ নিচিনা হয় যদিও স্বভাৱ চৰিত্ৰ বা প্ৰকৃতিত অধম জন্তুৰ শাৰীলৈ নামি যায়। এই খিনিতে গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক সাংসাৰিক অভিজ্ঞতা এটা দিয়াৰ কথা মনত পৰিছে।

কুৰুক্ষেত্ৰ যুদ্ধ ক্ষেত্ৰত শত্ৰুৰ মুখামুখি হওঁতে অৰ্জুনে দেখিলে যে তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অহা বীৰ সকল তেওঁলোকৰ আত্মীয় স্বজন। গতিকে তেওঁ আৰু যুদ্ধ নকৰে। তেতিয়া শ্ৰীকৃষ্ণই অৰ্জুনৰ চকুৰ আগৰ পৰা মায়াৰ জালখনি ক্ষন্তেকৰ বাবে আঁতৰাই দিয়াত তেওঁ দেখা পালে যে যিবিলাক মানুহক তেওঁ আত্মিয় স্বজন বুলি ভাবিছিল সেই বিলাক দেখোন একো একোটা বিৰাটাকাৰ হিংস্ৰ জন্তু। পশু। সিহঁতে অৰ্জুনক "খাওঁ খাওঁ" মুৰ্তি ধৰি মুখ মেলি আছে।

মনৰ উচটনিত দুৰ্নীতিত পোত যোৱা এই ঘৃণনীয় লোক সকলো এই শ্ৰেণীত পৰে। আমাৰ সমাজত এই ধৰণৰ দুৰ্ব্বল মানসিকতাৰ লোকৰ সংখ্যা দিনে দিনে বৃদ্ধি পোৱাৰ মূল কাৰণ হ'ল আমাৰ মগজুত খোপনি পোতা এই কালিকা লগা মনৰ ক্ৰিয়া।

কিন্তু আমাৰ এই মনৰ অনিষ্টকাৰী ক্ৰিয়াৰ পৰা ৰক্ষা পৰাৰ উপায় একেবাৰে নাইনে? আছে। আমাৰ দেহৰ ভিতৰতে 'বিবেক' নামৰ অইন এটা শক্তি অতন্দ্ৰ প্ৰহৰী হৈ বহি আছে। ডঃ ভূপেন হাজৰিকাই যেতিয়া গায় "........প্ৰেম প্ৰেম বুলি জগতে ঘুৰিলো /..........হিয়াতে পৰম ধন হে।" আমি বাৰু কিবা অনুভৱ বা উপলব্ধি কৰাৰ চেষ্টা কৰোনে!

আমাৰ মনৰ নিচেই ওচৰতে বহি থকা বিবেকে মনটোক সদায় নিয়ন্ত্ৰন কৰাৰ চেষ্টা কৰে। আমি কেৱল বিপদৰ সময়ত "বিবেক" স্মৰণ কৰি তাঁৰ অকনমান সহায় বিচাৰিলেই আমাক ভাল বুদ্ধি দিব; সহায় কৰিব। তেতিয়া লাহে লাহে মনৰ অনিষ্টকাৰী শক্তি লয় পাবলৈ ধৰিব। এনেকুৱা পৰিবেশত কোনো মানুহ অধঃপতনলৈ যাব নোৱাৰে।

মনটোৱে যেতিয়া কোনো এজন কৰ্ম্মচাৰীক উচটাব—"বাহিৰা? টকা নিদিয়ালৈকে মানুহজনৰ কামটো কৰি নিদিব......।" সেই পৰিবেশত বিবেক আগবাঢ়ি আহি ক'বলৈ আৰম্ভ কৰিব "কথাটো বেয়া হৈছে।" মানুহৰ কাম কৰি দিবৰ কাৰনে তোমালোকক দৰ্ম্মহা দি ৰখা হৈছে। গতিকে কথাটো ঘোৰ অন্যায় হৈছে।"—এনেকুৱা ধৰণে মানুহৰ মগজুৰ ভিতৰত মন আৰু বিবেকৰ মাজতে যুদ্ধ আৰম্ভ হয়; আৰু যদি মানুহজন অকনমান সুস্থ মগজুৰ হয়; তেতিয়া হ'লে বিবেকে জয়লাভ কৰাটো নিশ্চিত।

এবাৰ স্বামী বিবেকানন্দৰ দেউতাক ঢুকোৱাৰ সময়ত এটা ঘটনা ঘটিছিল। তেতিয়া তেখেত কন্যা কুমাৰীত গুৰু ৰামকৃষ্ণ পৰমহংসৰ লগত আছিল। ঘৰত খুউৱ আৰ্থিক অনাটন। তেতিয়া তেখেতে গুৰুক ক'লে যে তেখেতৰ ঘৰৰ আৰ্থিক নাটনি গুচাবৰ বাবে তেখেতে আৰাধ্যা দেৱীৰ "কালী গোসানী"ক প্ৰাৰ্থনা জনাব লাগে। তেতিয়া গুৰুয়ে বিবেকানন্দকে প্ৰাৰ্থনা জনাবলৈ কোৱাত বিবেকানন্দই একান্ত মনে প্ৰাৰ্থনা জনালে—"আই মাতৃ মোক জ্ঞান দিয়া।"

ইয়াৰ অৰ্থ হ'ল যে তেখেতৰ মনৰ শক্তিতকৈ বিবেকৰ শক্তি বেছি সৱল। সৰুৰে পৰা সুস্থ পৰিবেশত ডাঙৰ দীঘল হোৱা বিবেকানন্দৰ মনত কৈ বিবেকৰ শক্তি বেছি আছিল। সেইবাবে কালী গোসানীৰ আগত তেওঁ ধন সম্পত্তিৰ কথা পাহৰি জ্ঞানৰ ভিক্ষা মাগিলে।

এইখিনিতে এটা প্ৰশ্ন হব পাৰে যে যদি প্ৰতিজন মানুহৰ দেহত এই দুই শক্তি অথাৎ 'মন' আৰু 'বিবেক' লুকাই আছে—তেনেহ'লে প্ৰত্যেকৰে ক্ষেত্ৰত ইহঁতৰ ক্ৰিয়া প্ৰতিক্ৰিয়া বিলাক একে নহয় কিয়? ইয়াৰ উত্তৰ বিচাৰোতে আমি তলৰ কথা কেইটালৈ মন কৰিব লাগিব। সেই কেইটা হ'ল-(১) বংশগতি, (২) শিক্ষা, আৰু (৩) পাৰিপাৰ্শ্বিক অৱস্থা।

মানুহৰ মানসিকতা একে দিনে গঢ়ি নুঠে। এই মানসিকতা গঢ় লৈ উঠাত বংশ বা পূৰ্ব্ব পুৰুষৰ প্ৰভাৱ—মন কৰিব লগীয়া। যিবিলাক মানুহৰ পিতৃ-মাতৃ চৰিত্ৰবান তেনেকুৱা মানুহৰ সন্তানৰ মানসিকতাও উন্নত হয়। ফলত এই শ্ৰেণীৰ মানুহৰ ল'ৰা-ছোৱালীৰ বিবেক শক্তিশালী হয়।

মানুহৰ সুস্থ মানসিকতা গঢ় দিয়াত উপযুক্ত শিক্ষাৰ ভূমিকাও কম নহয়। গ্ৰন্থ বা চিনেমা বা নাটক নাইবা চুটি গল্প বা উপন্যাস আদিয়ে মানুহক সংসাৰৰ একা-বেকা অভিজ্ঞতাৰ লগত পৰিচয় কৰাই দিয়ে। ফলত ইবোৰে মানুহৰ জ্ঞানৰ পৰিধি বহন কৰে। চানক্য পণ্ডিতে শিক্ষাৰ মানৰ বিষয়ে এনেদৰে

কৈছে—"এজন শিক্ষিত লোকে সকলো পাৰ্থিৱ সম্পত্তিক ৰাস্তাৰ কাষৰ জাৱৰ বুলি গন্য কৰে আৰু আনৰ দুখ যন্ত্ৰনাকে নিজৰ দুখ যন্ত্ৰনা বুলি ভাৱে।" গতিকে ইয়াত শিক্ষা তাকে বোলা হৈছে যিয়ে মানুহৰ মানসিকতা বহল আৰু উন্নত কৰে।

মানুহৰ সুস্থ মানসিকতা গঢ় দিয়াত পাৰিপাৰ্শ্বিক অৱস্থা বা চাৰিওফালৰ পৰিবেশৰ গুৰুত্বও কম নহয়। ওচৰ চুবুৰীয়া, বন্ধু-বান্ধৱ আদিৰ সংস্পৰ্শই মানুহৰ মানসিকতাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। সৎ চৰিত্ৰৰ বন্ধু-বান্ধৱ, চাৰিওফালৰ সুস্থ পৰিবেশ আদিয়ে কিছু পৰিমানে অসৎ চৰিত্ৰৰ মানুহকো সৎ পথলৈ ঘুৰি অহাত সহায় কৰে। এনেকুৱা পৰিবেশত মনৰ অনিষ্টকাৰী শক্তি লাহে লাহে দুৰ্ব্বল হৈ আহিবলৈ ধৰে আৰু 'বিবেক'ৰ শক্তি অধিক সবল হৈ পৰে।

আনহাতে অসৎ সঙ্গ বা অসৎ পৰিবেশত পৰিলে ক্ৰমে উন্নত মানসিকতাতো ঘুণে ধৰিবলৈ আৰম্ভ কৰে আৰু বিবেক শক্তিৰ অন্তৰ্দ্ধান হৈ লুভীয়া তথা কলুষ মনৰ শক্তি ক্ৰমে বাঢ়িবলৈ ধৰে।

ফলত সমাজত দুৰ্নীতি, ঠগ, প্ৰৱঞ্চক আদিৰ সংখ্যা দিনে দিনে বৃদ্ধি পাবলৈ ধৰে; যিটো বৰ্তমান মানৱ সভ্যতাৰ বাবে এটা বিৰাট অভিশাপ স্বৰূপ হৈ উঠিছে।

সেইবাবে কি অফিচ, কি কাছাৰী, হাট-বজাৰ, আনকি বিদ্যালয়-মহাবিদ্যালয় আদিতো এই ধৰণৰ বিবেকহীন বা দুৰ্ব্বল মানসিকতাৰ লোকৰ সংখ্যা দিনে দিনে বাঢ়িবলৈ ধৰিছে।

ফলত চাৰিওফালে এটা বিষাক্ত পৰিবেশৰ সৃষ্টি হবলৈ আৰম্ভ কৰিছে। এনেকুৱা বিষাক্ত পৰিবেশ এটাৰ পৰা ৰক্ষা পৰিবলৈ আমাৰ আতাইৰে দৰকাৰ আত্ম সমালোচনাৰ। যিকোনো কামতে (অইনৰ ওপৰত ভৰষা নকৰি) আহক আমি নিজৰ নিজৰ 'বিবেক'ক ভৰষা কৰি কামত আগবাঢ়ি যাওঁ; আৰু উপযুক্ত শিক্ষা-দীক্ষা আহৰণ কৰি আমাৰ দুৰ্ব্বল মানসিকতাক আঁতৰাই 'বিবেক'ক সুস্থ সবল কৰি ৰাখো আৰু ভবিষ্যতৰ মানৱ-জাতিক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰো।


**সহায়ক গ্ৰন্থ ঃ—**

(১) ৰাজবিদ্যা- স্বামী প্ৰভুপাদ

(২) যেগিনীতন্ত্ৰম্- দত্ত বৰুৱা এণ্ড কোং।

(৩) স্বামী বিবেকানন্দৰ জীৱনৰ কেইটামান ঘটনা- কে. পি. শিৱকুমাৰ। ❑


পাবলো নেৰুদা ঃ ১৯৭১ চনত বিশ্বৰ শ্ৰেষ্ঠতম পুৰস্কাৰ সাহিত্যৰ নোবেল বঁটা লাভ কৰে। মৃত্যুৰ আগে আগে তেওঁ ৰচনা কৰি যায় তেওঁৰ বিশ্ববিখ্যাত "স্মৃতিকথা" খনি। স্পেনিছ ভাষাত প্ৰকাশ হোৱা Confiesco que be vivido : memoris নেৰুদাৰ অনুপম সৃষ্টি। যি আজি বিশ্ব সাহিত্যৰ অমূল্য সম্পদ।

নেৰুদাৰ কবিতাত দক্ষিণ আমেৰিকাৰ স্বপ্ন আৰু আকাংক্ষা জীৱন্ত হৈ উঠিছে —

"আহিসকল, মৃত্যু আৰু ক্ষোভত দীৰ্ণ বিদীৰ্ণ হৈও
সদ্যজাত দিনৰ মহান হৃদয়ৰ প্ৰতি চোৱা,
চোৱা চোৱা। যেঁহু পথাৰৰ ওপৰেদি মুঠি দাঙি
তোমালোকৰ মৃতসকলে হাঁহিব লাগিছে।"

# অসম কেশৰী অম্বিকাগিৰীৰ ব্যক্তিত্বত এভুমুকি

**শ্ৰীবিশ্বপ্ৰাণ শৰ্মা বৰদলৈ,** স্নাতক ৩য় বৰ্ষ (কলা)

অসম কেশৰী আম্বিকাগিৰীৰ জন্ম হৈছিল ১৮৮৫ চনৰ ১৮ ডিচেম্বৰত। তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'মোৰ জীৱন-ধুমুহাৰ এচাটি'ত তেওঁ নিজক উগ্ৰ, খঙাল, অসহনশীল, উৎপতীয়া আৰু বহুবল্কীৰ ৰূপত দাঙি ধৰিছে।

বংগ-ভংগ আন্দোলন, বিদেশী বস্তু বৰ্জন আৰু স্বদেশী আন্দোলনৰ প্ৰচাৰ কাৰ্য্যত লিপ্ত হৈ পৰিল অম্বিকাগিৰী। এই আন্দোলনৰ প্ৰধান নেতা হিচাপে ১৯২৬ চনত তেওঁ কাৰাৰুদ্ধ হয়। এইসময়ছোৱাত তেওঁ বহুতো জাতীয়তাবাদী গীত ৰচনা কৰে। কাৰাবৰণ কৰাৰ সময়ত তেওঁ উদাত্ত সুৰে গাইছিল।

"ধৰ ঝাড়ু ধৰ ভাই
আৰু চাবৰ সময় নাই।
চাই থাকোতে মুখত কেৱল
ভৰিল কাজল ছাঁই।"

জেলত থকা সময়ছোৱাত তেওঁক শিল ভঙা কামতো লগোৱা হৈছিল। তেতিয়া তেওঁ তেজস্বী ভাষাৰে গাইছিল —

"তই ভাঙিব লাগিব শিল
নোৱাৰো বুলিলে নহ'ব যে ভাই"

১৯২১ চনত অসহযোগ আন্দোলনৰ সময়ত তেওঁ ৰাইজক উত্ৰাৱল কৰি তুলিছিল গীতেৰে, বক্তৃতাৰে। অম্বিকাগিৰীয়ে ১৯১৮ চনত কৰ্মবীৰ চন্দ্ৰ নাথ শৰ্মাৰ সহযোগত 'অৰুণ' প্ৰেছৰ পৰা 'চেতনা' নামৰ মাহেকীয়া আলোচনী এখন উলিয়ায়। ১৯৩৫ চনত জেলৰ পৰা ওলাই আহি তেওঁ অসম সংৰক্ষণ সভাৰ মুখপত্ৰ হিচাপে 'ডেকা অসম' সম্পাদনা কৰি উলিয়াই। ইয়াৰ লগে লগে 'তুমি', 'বীণা', 'অনুভুতি' 'বন্দো কি ছন্দেৰে', 'স্থাপন কৰ, স্থাপন কৰ', 'বেদনাৰ উল্কা' আদি কবিতা পুথিসমূহো তেওঁ ৰচনা কৰে।

অম্বিকাগিৰী ১৯৫০ চনত অসম সাহিত্য সভাৰ মাৰ্ঘেৰিটা অধিবেশনত সভাপতি নিৰ্বাচিত হয়। তেওঁ একেৰাহে তিনি বছৰ কাল কাৰ্য্য নিৰ্বাহ কৰে। সাহিত্য সভাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে তেওঁ নতুন অসম গঢ়াৰ বাবে নতুন কাৰ্য্যপন্থা হাতত লয়। শেষ পৰ্য্যায়ত 'বেদনাৰ উল্কা' নামৰ কবিতা পুথিৰ জৰিয়তে অম্বিকাগিৰীয়ে ১৯৫৭ চনত 'সাহিত্য একাডেমী'ৰ বঁটা লাভ কৰে।

১৯৬৭ চনৰ ২ জানুৱাৰীত তেওঁৰ মৃত্যু হয়।

আম্বিকাগিৰীৰ জীৱন দৰ্শন আছিল অন্যায়, অত্যাচাৰ আৰু শোষণ নিস্পেষণৰ বিৰুদ্ধে! সংখ্যাত আধিক্য, বলশালী এচামলোকে যদি কোনো সংখ্যাত কম, আৰু দুৰ্বল এচাম লোকৰ এপৰত অন্যায়ভাৱে হস্তক্ষেপ কৰে — ভাষা-সংস্কৃতিত হাত দিয়ে, তেনেহ'লে তেনে দুস্কৃতিকাৰীক অম্বিকাগিৰীয়ে ক্ষমা নকৰে। অম্বিকাগিৰীৰ এফাঁকি গীতে তেনেজনক সাৱধান কৰি দিছে —

"আশাৰ সূৰুয ঢাকি পৰে ক'লা মেঘৰ ছায়া
দেশময় তোৰ গোটমৰা হায়, চেতনাহীন কায়া
নহ'বতো এইদৰে তোৰ দেশত জীয়াই থকা,
নিশ্চিহ্ন হৈ মৰিবি, খাই কেৱল গতা ঢকা।
হে ভাই দেশৰ কথা কওঁ
শুনিবি ভাই দেশৰ কথা কওঁ।"

অম্বিকাগিৰীৰ জীৱন দৰ্শনলৈ সূক্ষ্মভাৱে দৃষ্টিপাত কৰিলে আমি দেখো, যে তেওঁ আছিল এজন দূৰদৃষ্টিসম্পন্ন বীৰ পুৰুষ, যিজনে শোষিত অসমীয়াৰ দুৰ্দশা দেখি ব্যথিত হৈছিল। কুসংস্কাৰ, ব্যভিচাৰ আঁতৰাবলৈ দুস্কৃতিৰ নিচানধাৰী, হেজাৰ হেজাৰ নেগুৰ কটা শিয়ালক খেদিবলৈ ৰাম টাঙোন হাতত লৈছিল।

অম্বিকাগিৰী আছিল অক্লান্ত দেশ সেৱক। পৰাধীন ভাৰতৰ বিপৰ্যয়ত তেওঁৰ শোক সন্তপ্ত হিয়াৰ পৰা কৰুণা বিগলিত হৈছিল। জাগৰণি গীত গাইছিল —

“জাগ ভাগৱত, গীতা, বেদ, কোৰাণৰ
আত্মাবিনাশী তত্বগীত
জাগ ভাৰতবাসীৰ হৃদয়ে হৃদয়ে
মহান শক্তি জগত জিত্।”

অম্বিকাগিৰীয়ে স্বদেশৰ হকে সশ্ৰম কাৰাবাস খাটি লাঞ্ছনা সহি সতীৰ্থসৱক সাহস যোগাইছিল, বন্ধ কাৰাগাৰৰ ৰুদ্ধ দ্বাৰলৈ ভ্ৰূক্ষেপ নকৰি গীত জুৰিছিল ——

“ ধৰ ঝাড়ু ধৰ ভাই ........... ভৰিল কাজল ছাঁই।”

অম্বিকাগিৰী আছিল মানৱ প্ৰেমিক আৰু শান্তিময় বিশ্বৰাষ্ট্ৰৰ এজন পৰিকল্পনাকাৰী। শোষণমুক্ত বিশ্বৰাষ্ট্ৰৰ কল্পনা কৰি অম্বিকাগিৰীয়ে কৈছিল — “মোৰ মনোমত দেশ গঢ়িবলৈ এনে চৰিত্ৰ লাগে, যাৰ ওচৰত পৃথিৱীৰ ঐশ্বৰ্যৰ প্ৰলোভন, সৰ্ববিশ্বৰ ৰূপ -মহিমাৰ চমকনি, প্ৰলয়ঙ্কাৰী তাণ্ডৱ, উপদ্ৰৱৰ ভয় আদি সকলো নিৰাশ হয়।”❑

মনৰ প্ৰতিয়েই মোৰ সকলো প্ৰশংসা উৎসৰ্গিত হ'ব। মনেই মানুহ আৰু জ্ঞান হ'ল মন। মানুহে যি জানে তাতেই মানুহৰ পৰিচয়। স্নেহৰ সুখ জানো ইন্দ্ৰিয়জ সুখতকৈ মহৎ নহয়? আৰু স্নেহৰ সুখতকৈ জানো মনৰ আনন্দ মহত্তৰ নহয়? মাথোঁ সঁচা আৰু স্বাভাৱিক আনন্দৰ মাজত আধিক্য নাই। এইটো নহয়নে যে জ্ঞানেই একমাত্ৰ মনৰ সকলো অস্থিৰতা দূৰ কৰিব পাৰে ? নাই বুলি আমি বস্তুৰ কথা কল্পনা নকৰোঁ! প্ৰকৃততে নাপাবলগীয়া তেনে কত বস্তুৰ ওপৰত শ্ৰদ্ধা আৰু মূল্য অৰ্পণ কৰা হয়। অনৰ্থক কল্পনা আৰু সামঞ্জস্যবিহীন মূল্যায়ণ — এইবোৰেইতো ভুলৰ ডাৱৰেৰে মানসিক অস্থিৰতাৰ প্ৰবল ধুমুহাৰ সৃষ্টি কৰে। এনে আনন্দ নাইনে যি মানুহক বস্তু জগতৰ বিশৃংখলাৰ বহু ওপৰলৈ তুলি নিয়ে ?

— ফ্ৰান্সিছ বেকন (দৰ্শনৰ কাহিনী)

# জাগীৰোড অঞ্চলৰ দুগ্ধ পাম ঃ এটি ভৌগোলিক অধ্যয়ন

**শ্ৰীখগেন শৰ্মা**, জেষ্ঠ প্ৰবক্তা, ভূগোল বিভাগ

ভাৰতীয় সকলৰ আহাৰৰ তালিকাত গাখীৰে মুখ্য স্থান পাই আহিছে। গাখীৰ সকলোৰে প্ৰিয় খাদ্য। কিন্তু ভাৰতবৰ্ষৰ সকলো ৰাজ্যতে গাখীৰ সমানে উৎপাদন নহয়। সেয়ে মন থাকিলেও গৰুৰ গাখীৰ কেইখনমান ৰাজ্যৰ বাহিৰে অন্য ঠাইত সহজ লভ্য নহয়। উদাহৰণ স্বৰূপে গুজৰাট,পঞ্জাৱ, ৰাজস্থান আৰু হাৰিয়ানাৰ তুলনাত উঃপূঃ ভাৰতৰ ৰাজ্য কেইখনত গাখীৰ উৎপাদন তেনেই নগণ্য। ভাৰত বৰ্ষৰ জনমুৰি দৈনিক দুগ্ধপান পৰিমান হ'ল ১৭২ গ্ৰাম; অসমত মাত্ৰ ১০০ গ্ৰাম। অসমৰ মাত্ৰ কেইখনমান ঠাইতহে গাখীৰ ব্যৱসায় ভিত্তিত কৰা হয়। তেনে এটা গাখীৰ উৎপাদন কৰা অঞ্চল হ'ল জাগীৰোড। গুৱাহাটী আৰু নগাওঁ চহৰৰ পৰা প্ৰায় সমান দূৰত্বত অৱস্থিত জাগীৰোড অঞ্চলটো বৰ্ত্তমান গাখীৰ উৎপাদনৰ বাবে বিখ্যাত। অসমৰ আনকেইটা গাখীৰ উৎপাদিত অঞ্চল হ'ল খানাপাৰা জৱাহৰ নগৰ,বোন্দা-চন্দ্ৰপুৰ, নমাইল-যোৰাবাট ইত্যাদি। ব্যৱসায় ভিত্তিত গাখীৰ উৎপাদন কৰা এই অঞ্চল কেইটাৰ বাহিৰে অসমৰ প্ৰায় ঠাইতেই গৰু গাখীৰ অকমান গোটেই বছৰত খাবলৈ পোৱা নাযায়। মৰিগাওঁ জিলাৰ নেলীৰ পৰা কামৰূপ জিলাৰ ক্ষেত্ৰীলৈকে ৰাষ্ট্ৰীয় ঘাইপথৰ দাতিয়েদি অৱস্থিত প্ৰায় ৯০ বৰ্গ কিঃমিঃ অঞ্চলৰ এই অঞ্চলটোৰ পৰা দৈনিক ১০,০০০ লিটাৰ গাখীৰ উৎপাদন হয়। নেপালী লোক সকলে জাৰ্চী গৰু পালন কৰি ইয়াক জীৱিকাৰ প্ৰধান অৱলম্বন হিচাবে লোৱা দেখা গৈছে। অন্যান্য সম্প্ৰদায়ৰ লোক সকলেও এই ব্যৱসায়ত মনোনিবেশ কৰা দেখা গৈছে। এই প্ৰবন্ধত গাখীৰ উৎপাদনৰ কাৰক সমূহ, গো-পালক সকলৰ স্থানিক বিতৰণ, বজাৰ আৰু গো- পালনে পাৰিপাৰ্শ্বিকতাত কেনে ধৰণে প্ৰভাৱ পেলাইছে তাৰ ওপৰত এটি থূল-মূল আভাষ দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে । ক্ষেত্ৰ ভিত্তিক অধ্যয়ণ, বিশেষকৈ প্ৰতিদৰ্শী জৰীপ আৰু স্থানীয় দুগ্ধ উৎপাদক সমিতিৰ কাৰ্য্যালয়ৰ পৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰিয়েই প্ৰৱন্ধটো যুগুটোৱা হৈছে।

**গৰু খুঁটি সমূহৰ বিতৰণ ঃ**

নেলীৰ পৰা ক্ষেত্ৰীলৈকে বিয়পি থকা অঞ্চলটো আমি পাঁচটা সৰু অঞ্চলত ভগাব পাৰো – (১) নেলী, (২) আমলিঘাট (৩) জাগীৰোড (৪) টোপাটলি আৰু (৫) ক্ষেত্ৰী। ক্ষেত্ৰভিত্তিক অধ্যয়ণ কৰোতে এই পাঁচোটা অঞ্চলৰ কিছুমান বৈষাদৃশ্য চকুত পৰে। তলৰ তালিকাখনত গো-পালক সকলৰ বিতৰণ দেখুওৱা হ'ল ।

**তালিকা ঃ ১**

**( গো-পালক সকলৰ বিতৰণ )**

| অঞ্চল | অসমীয়া | | নেপালী | বেঙ্গলী | অন্য | মুঠ |
|---|---|---|---|---|---|---|
| | অজনজাতী | জনজাতি | | | | |
| ১) আমলিঘাট | ৩ | ১ | ১১০ | ১০ | ৬ | ১৩০ |
| ২) নেলী | ১ | — | ৩ | ৩ | — | ৭ |
| ৩) জাগীৰোড | ২৬ | ৭ | ৩৫ | ১১ | ৩ | ৮২ |
| ৪) টোপাতলি | ৭ | ১ | ১৬ | — | — | ২৪ |
| ৫) ক্ষেত্ৰী | ১৮ | ৮ | ৩০ | — | — | ৫৬ |
| মুঠ | ৫৫ | ১৭ | ১৯৪ | ২৪ | ৯ | ২৯৯ |

(উৎসঃ সীতাজখলা প্ৰাঃ দুগ্ধ উৎপাদক সমবায় সমিতি ২০০০)

ওপৰৰ তালিকাখনৰ পৰা দেখা গ'ল যে আমলিঘাট অঞ্চলতেই বেছি সংখ্যক গোপালক আছে। জনগোষ্ঠীৰ ফালৰ পৰা নেপালী সকলেই সৰ্বাধিক ৬৪% গোপালক ইয়াৰ পিছতেই অসমীয়া ১৮.৪% জনজাতি ৫.৬ %, বেঙ্গলী ৮ % অন্যান্য ০.২৩ % ।

ক্ষেত্ৰভিত্তিক অধ্যয়নৰ পৰা এইটোও গমপোৱা গ'ল যে মুঠ গো-পালকৰ ৭৩% লোকে ইয়াত মুখ্য বৃত্তি হিচাবে আৰু ২৭% লোকে গৌণ বৃত্তি হিচাবে লোৱা দেখা গৈছে।




**গাখীৰ উৎপাদনত সহায় কৰা কাৰক সমূহ ঃ**

এই অঞ্চলত দুগ্ধ পাম সমূহ গঢ়ি উঠাৰ প্ৰধান কাৰক সমূহ হ'ল – প্ৰাকৃতিক পৰিৱেশ, সুচল পৰিবহণ ব্যৱস্থা, আৰু নেপালী লোক সকলৰ পৰম্পৰাগত বৃত্তি ইত্যাদি। এই অঞ্চলটোৰ দক্ষিণ অংশত অৱস্থিত **সোনাইকুচী** নামৰ পাহাৰখনে গৰুৰ বাবে লাগতিয়াল কেঁচা ঘাঁহৰ যোগান ধৰি আহিছে। অৱশ্যে অত্যাধিক ঘাঁহ কটাৰ কাৰণে ঘাঁহৰ (গছৰ পাত) পৰিমান কমি আহি গোটেই পাহাৰটোৱেই এতিয়া টকলা হৈ পৰিছে। পাহাৰৰ কাষৰ এঢলীয়া অংশতে গৰু খুঁটিবোৰ অৱস্থিত। ইয়াত পানী জমা হৈ নেথাকে বাবে গৰুৰ প্ৰতিপালনৰ বাবে উপযুক্ত।

সুচল পৰিবহণ ব্যৱস্থাই এই অঞ্চলত গাখীৰ উৎপাদনত সহায় কৰিছে। গাখীৰ সোনকালে নষ্ট হয়। সেয়ে অতি সোনকালে বজাৰ পাব লাগিব। এই অঞ্চলৰ মাজেৰে যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথে গাখীৰ উৎপাদনত অৰিহনা যোগাইছে। গৰুৰ খুঁটি সমূহ ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা দুয়োকাষে খুব বেছি ১.৫ কিঃ মিঃ দূৰত্বলে আছে। গো-পাম বোৰৰ লগত এই ঘাই পথৰ সুচল যোগাযোগ থকাৰ বাবে অতি কম সময়ৰ ভিতৰতে গোটেই অঞ্চলৰ গাখীৰ সংগ্ৰহ কৰি গুৱাহাটী বা নগাঁৱলৈ পথাব পাৰে।

নিৰাপত্তা বজাৰ অবিহনে গাখীৰ উৎপাদন অসম্ভৱ। এই অঞ্চলত উৎপাদন হোৱা গাখীৰৰ প্ৰধান বজাৰ হ'ল গুৱাহাটী আৰু নগাওঁ। স্থানীয় ভাবে ৩০% গাখীৰ বিক্ৰী হয়। প্ৰথমতে গুৱাহাটীতে ভাল বজাৰ পাইছে। ৰাষ্ট্ৰীয় ঘাই পথেদি খুব বেছি এঘন্টাৰ ভিতৰতে সংগৃহীত গাখীৰ আহি গুৱাহাটী আৰু নগাঁও পায়। ইয়াৰ উপৰি নেপালী লোক সকলৰ গৰু পুহি গাখীৰ বিক্ৰী কৰাতো এক পৰম্পৰা এওঁলোক এই বৃত্তিত পাকৈত।

জাগীৰোড অঞ্চলত গাখীৰ উৎপাদন কৰাৰ অন্যতম প্ৰধান কাৰক হ'ল সাংগঠনিক সুবিধা। ইয়াত "সীতা জখলা প্ৰাথমিক দুগ্ধ উৎপাদক সমবায় সমিতি" নামৰ এখন সমিতি আছে। প্ৰকৃততে এই সমিতিখনৰ জৰিয়তেই ব্যৱসায় ভিত্তিত ইয়াত গাখীৰ উৎপাদনৰ আৰম্ভনি কৰা হয় আৰু এতিয়াও ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সমিতিখনক বাদ দি এই অঞ্চলৰ গাখীৰ উৎপাদনৰ কথা আলোচনা কৰিলে অসম্পূৰ্ণ হ'ব। সেয়ে সমিতি খনৰ বিষয়ে থোৰতে আলোচনা কৰা হ'ল।

**সীতা জখলা দুগ্ধ উৎপাদক সমবায় সমিতি ঃ**

১৯৫৯ চনত ১৭ জন অংশীদাৰক লৈ এই সমিতিখন গঠন কৰা হয়। আৰম্ভণীৰ মূলধন আছিল ১৭ জন অংশীদাৰৰ ১৭০.০০ টকা। গাখীৰ সংগ্ৰহ হৈছিল ১২০ লিটাৰ। অসমত এইখনেই অকল গাখীৰৰ লগত জড়িত সমবায় সমিতি। এই অঞ্চলটো ঐতিহাসিক ভাবেই গাখীৰৰ বাবে প্ৰসিদ্ধ। কিন্তু গো পালক সকলে উচিত মূল্য নেপাইছিল মাজৰ দালালেহে লাভ খাইছিল। উচিত মূল্য নোপোৱা, বিত্ৰীৰ অনিশ্চয়তা আদিত ভোগা গো-পালক সকলে এখন সমবায় সমিতিৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰি গঠন কৰে।

১৯৫৯ চনৰ পৰা ১৯৭৫ চনলৈকে সমিতিয়ে ব্যৱসায় সফলতা লাভ কৰিব পৰা নাছিল। ১৯৭৫ চনৰ পহিলা চেপ্তেম্বৰৰ পৰা গাখীৰ সংগ্ৰহ আৰু বিতৰণৰ সমস্ত দায়িত্ব নিজৰ হাতলৈ আনে আৰু নগাঁও চহৰতো গাখীৰ যোগান ধৰে। ১৯৭৭ চনত ইউকো বেংকৰ পৰা গাই কিনিবৰ বাবে টকা ঋণ হিচাপে লাভ কৰে আৰু তাৰে ৫ লাখ টকা ডি. আৰ. ডি.এ. অধীনত চাব্‌চিডি হিচাবে পায়। পিছত ঋণৰ টকাও কিছু হ্ৰাস পায়। সমিতিৰ অধীনত কেইবাটাও সংগ্ৰহ আৰু বিক্ৰী কেন্দ্ৰ আছে। গাখীৰ সংগ্ৰহ আৰু বিক্ৰীৰ উপৰি গৰুৰ দানা যোগান ধৰা কাৰ্যও সমিতিখনে কৰে আৰু ইয়াৰ দ্বাৰা গো-পালক সকলক বিশেষ ভাবে সহায় কৰি আহিছে। বৰ্ত্তমান সমিতিৰ মুঠ অংশীদাৰৰ সংখ্যা ৪৩০ জন। তাৰে বৰ্ত্তমান ২৯৯ জনৰ গৰু খুঁতি আছে।

**গাখীৰ উৎপাদন ঃ**

গো-খুঁটি বোৰত গাখীৰ উৎপাদনৰ পৰিমানো বেলেগ বেলেগ। গৰু খুঁটি বিলাকৰ আয়তনো একে নহয়। আঢ্যৱন্ত গুৱাল সকলে বেছিকৈ গাই কিনিব পাৰে গতিকে গাখীৰো বেছিকৈ উৎপাদন হয়। তেওঁলোকৰ গৰু খুঁটিবোৰো ডাঙৰ। আনহাতে দুখীয়া গুৱাল সকলৰ গাই-গৰুৰ সংখ্যা কম ; সেয়ে গৰু খুঁটিৰ আকাৰ সৰু আৰু উৎপাদনৰ পৰিমানো কম হয়। তলৰ তালিকাত অঞ্চল ভেদে গাখীৰ উৎপাদন দেখুওৱা হৈছে।

তালিকা ঃ ২

**খুঁটি-হিচাপত মাহিলী গাখীৰ উৎপাদন (লিটাৰ)**

| অঞ্চল | ১০০ লিটাৰৰ কম | ১০০-৫০০ লিটাৰৰ | ৫০০-১০০০ লিটাৰৰ | ১০০০-১৫০০ লিটাৰৰ | ১৫০০-২০০০ লিটাৰৰ | ২০০০ লিটাৰৰ বেছি | মুঠ |
|---|---|---|---|---|---|---|---|
| আমলিঘাট নেলি | ৮ | ৫২ | ২৫ | ১১ | ১১ | ১০ | ১৩৭ |
| জাগীৰোড | ৯ | ৩২ | ২৯ | ৬ | ৪ | ২ | ৮২ |
| ক্ষেত্ৰী | ১০ | ২৩ | ১৭ | ৩ | ৩ | — | ৫৬ |
| টোপাতলি | ১ | ১২ | ৫ | ৫ | — | ১ | ২৪ |
| মুঠ | ২৮ | ১১৯ | ৯৬ | ২৫ | ১৮ | ১৩ | ২৯৯ |

(উৎস ঃ সীতাজখলা প্ৰাঃদুগ্ধ উৎপাদক সমবায় সমিতি লিঃ- ২০০০)

ওপৰৰ তালিকাখনৰ পৰা দেখা গ'ল যে মাহিলি ১০০-৫০০ লিটাৰ গাখীৰ উৎপাদন কৰা খুঁটিৰ সংখ্যা বা গো-পালকৰ সংখ্যাই সৰহ ১১৯ জন। আনহাতে ২০০০ লিটাৰৰ অধিক গাখীৰ উৎপাদন কৰা গো-পালকৰ সংখ্যা মাত্র ১৩ জন ইয়াৰে ১০ জনেই আমলিঘাটৰ। অৰ্থাৎ ক্ষুদ্ৰ গো-পালকৰ সংখ্যাই সৰহ। আঞ্চলটোত প্ৰতিদিনে প্ৰায় ৯৫০০ লিটাৰ গাখীৰ উৎপাদন হয়। ১৯৭৭-৭৮ চনত ৫,০৫,৩২১ লিটাৰ গাখীৰৰ পৰা উৎপাদন বৃদ্ধি হৈ ১৯৯৯ - ২০০০ চনত ১৮,৯১,১৭৩ লিটাৰ উৎপাদিত হৈছে।

**বিতৰণ ব্যৱস্থা ঃ**

আমি আগতেই উনুকিয়াই আহিছো যে সমিতিয়ে নিজা ববিয়াকৈ গাখীৰ সংগ্ৰহ আৰু বিতৰণৰ ব্যৱস্থা কৰে। মুঠ উৎপাদনৰ ৭০% গুৱাহাটী আৰু নগাঁৱলৈ আৰু ৩০% স্থানীয়ভাবে বিক্ৰী হয়। গুৱাহাটীৰ নগৰ- গাখীৰ যোগান আঁচনিৰ ৯৮% গাখীৰ জাগীৰোডৰ পৰাই যোগান ধৰা হৈছিল। কিন্তু চৰকাৰৰ পৰা বুজন পৰিমানৰ টকা পাবলৈ থকাত বৰ্ত্তমান পশ্চিম অসম দুগ্ধ উৎপাদক সমবায় সমিতিত ৩০% গাখীৰ বিক্ৰী কৰিছে আৰু নগাঁৱত নিজা ববিয়াকৈ ৪০% গাখীৰ বিক্ৰী কৰিছে। গো-পালক সকলে গৰুদানা সমবায় সমিতিখনৰ পৰাই লয়। প্ৰায় ১ কোটি টকাৰ গো-খাদ্য বছৰত প্ৰয়োজন হয়।

**গো-পালন আৰু পাৰি-পাৰ্শ্বিকতাত প্ৰভাৱ ঃ**

গো পালনে অঞ্চলটোৰ কিছু সংখ্যক লোকক কৰ্মসংস্থান দিছে যদিও বিজ্ঞান সন্মত ভাবে গৰু খুঁটিবোৰ নথকাৰ ফলত ই পাৰিপাৰ্শ্বিকতাত বেয়া প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। অৱশ্যে এই অৱস্থাটোৱে জাগীৰোড নগৰৰ আৱাসিক অঞ্চলত হে বেছিকৈ প্ৰভাৱ পেলাইছে। কিয়নো জাগীৰোড নগৰত জনসংখ্যা বৃদ্ধিৰ লগে লগে বাস গৃহৰ পৰিমানো বাঢ়ি গৈছে। ফলত গোহালি বিলাকৰ পৰা ওলোৱা গৰু-মুত আগতে যেনেদৰে বৈ যাব পাৰিছিল এতিয়া নোৱাৰে। ফলত গৰু মুত বিলাক গাত খান্দি ৰাখিব লগা হৈছে। তেনে কৰোতে তাৰ পৰা ওলোৱা উৎকত গোন্ধে ওচৰৰ বাসিন্দাক উশাহ ল'ব নোৱাৰা অৱস্থা কৰে। ই- ওচৰৰ কুৱাৰ পানীও নষ্ট কৰি পেলায়। গোবৰ গোন্ধৰ পানী খাব নোৱাৰি কুঁৱা নতুনকৈ খন্দাৰ উদাহৰণ আছে। তেনেদৰে দ'মাই যোৱা গোবৰৰ পৰাও অনবৰতে গোন্ধ ওলাই থাকে। ৰ'দ বৰষুণৰ দিনত ই এখোপ চৰে। অপৰিস্কাৰ গোহালিত মহ-মাখিৰ সংখ্যা বৃদ্ধি হৈছে। নিজৰাপাৰ অঞ্চল (হিলচাইড), আৰু জাগীৰোড মহাবিদ্যালয়ৰ কাষৰ অঞ্চলত পাৰি-পাৰ্শ্বিকতা বিনষ্ট হোৱা দেখা গৈছে। বেছি জনবহুল অঞ্চলৰ পৰা গৰুখুঁটি সমূহ নগৰৰ এমুৰলৈ স্থানান্তৰ কৰিলে এই সমস্যা সমাধান হ'ব। গৰু মুত সমূহ পকা নৰ্দমাৰে বোৱাই নিলে, গোবৰ সমূহ খেতি পথাৰত পেলালেও এই সমস্যা দূৰ হ'ব। সমবায় সমিতিখনে এই দিশটোত অকনো মনোযোগ দিয়া দেখা নাই। গোবৰৰ উচিত ব্যৱহাৰৰ বিষয়ে চিন্তা কৰিবৰ হ'ল।

**সমস্যা আৰু সম্ভাৱনা ঃ**

সাধাৰণতে সৰু গো-খুঁটি সমূহৰ গুৱাল সকলে ইয়াক সাধাৰণ ভাবে জীয়াই থকাৰ সম্বল হিচাবেহে গৰু পুহিছে। অন্য উপাই নাই বাবেই বিশেষকৈ নেপালী লোক সকলে অত্যন্ত পৰিশ্ৰম, আৰু গৰুক শ্ৰদ্ধা কৰে বাবেই ই বৰ্তী আছে। গৰু খুটি সমূহৰ প্ৰধান সমস্যা হ'ল ঘাঁহৰ পৰিমান কমি অহাটো, এতিয়া ঘাঁহ বিচাৰি ৮/১০ কিঃমিঃ পৰ্য্যন্ত যাব লগা হয়। গোহালিত কাম কৰা বনুৱাৰ সমস্যাও আছে। প্ৰায়বোৰ গোহালিত ৩/৪ মাহৰ অন্তৰে অন্তৰে বনুৱা সলনি হোৱা দেখা যায়। গৰুৰ দানাৰ দাম বাঢ়ি থকাৰ ফলত গাখীৰ উৎপাদনৰ খৰচ বাঢ়ি গৈছে। সাধাৰণতে দেখা যায় যে ক্ষুদ্ৰ গো-পালক সকলে গাখীৰৰ পৰা দুবেলা দুসাজ খাই পোহ গৈ থাকে — একমাত্ৰ লাভ হয় বছৰে বছৰে বাঢ়ি যোৱা গাই গৰুৰ পৰা। পশু-চিকিৎসালয় এখন আছে যদিও সি যঠোপযুক্ত নহয়।

গৰু খুটি বিলাকৰ পৰিস্কাৰ পৰিচ্ছন্নতাৰ ক্ষেত্ৰত গো-পালক সকল অলপো সচেতন নহয়। প্ৰায়বিলাক খুঁটিয়েই গোবৰ মুতে একাকাৰ হৈ থাকে। প্ৰায় বিলাক গো-পালকৰে কাঁহ হোৱা দেখা যায়। বাচন বিলাকো অপৰিস্কাৰ। মুঠতে

স্বাস্থ্য সন্মত ভাবে গাখীৰ খীৰুৱা নহয়। গাখীৰৰ পৰাই বিভিন্ন ৰোগ হয়। কাৰণ গাখীৰ যক্ষ্মা ৰোগৰ বিজানু 'মাইক'বেক্তেৰিয়াম টিউবাৰকিউলছিছ'ৰ এটা প্ৰধান গ্ৰাহক। কলেৰা, টাইফয়েদৰ বীজানু গাখীৰৰ যোগেদি অহাটো সম্ভৱ। এইবোৰ বেমাৰৰ বাহক হ'ব পৰা এই বিপুল পৰিমানৰ গাখীৰ উৎপন্ন হয় এচাম প্ৰায় অলিক্ষিত আৰু স্বাস্থ্য শিক্ষাৰ প্ৰতি উদাসীন লোকৰ হাতত। স্বাস্থ্য সন্মত ভাবে কমেও ৩০ ফুট দূৰত্বত পেলাব লগা গোবৰ এওঁলোকে পেলায় ৩ ফুট দূৰত্বত। গাখীৰত পানী মিহলোৱা, অপৰিস্কাৰ বাচন বৰ্ত্তনৰ কথা নকলোৱেঁইবা।

ক্ৰমবৰ্ধমান নিবনুৱা সমস্যা সমাধান কৰাত এই ব্যৱসায়ে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। শিক্ষিত যুৱক সকলে ইয়াক স্ব-নিয়োজন আঁচনি ৰূপে ল'ব পাৰে। গাখীৰৰ এখন নিৰাপদ বজাৰ সমবায় সমিতি খনে দিছে। ইয়াৰ উপৰি-ঘাঁহৰ খেতি কৰি বিক্ৰী কৰিব পাৰে। শুকান খেৰৰ ব্যৱসায় কৰিব পাৰে। গৰুৰ দৰবৰ দোকান দিব পাৰে। গোহালিত লাগতিয়াল বস্তু, বাচন, ৰচী, আদিৰ যোগান ধৰিব পাৰে। ইয়াৰ উপৰি গোবৰ গেছ বা গোবৰৰ পৰা খৰি তৈয়াৰ কৰা, পেকেট সাৰ তৈয়াৰ কৰা ব্যৱসায় কৰিব পাৰে। গাই পোহাৰ লগতে ছাগলী, হাঁহ, পাৰ আদিও পুহিব পাৰে। ঘিঁউ, ক্ৰীম, পনীৰ দৈ আদি প্ৰস্তুত কৰিও বিক্ৰী কৰিব পাৰে। এই আঁচনিবোৰ-ৰূপায়ন কৰিবৰ বাবে শিক্ষিত যুৱক সকল আগবাঢ়ি আহিব লাগে আৰু চৰকাৰেও সহায় কৰিব লাগে।

**সামৰণি**

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে এই অঞ্চলটোৱে গাখীৰ উৎপাদনৰ বাবে এক উল্লেখযোগ্য অৰিহণা আগবঢ়াইছে। ই একমাত্ৰ সম্ভৱ হৈছে সমবায় সমিতিখনৰ পৰা। প্ৰত্যক্ষ ভাবে ৩০০ ঘৰ আৰু প্ৰৰোক্ষ ভাবে প্ৰায় ১৫০০ ঘৰ ইয়াৰ পৰা উপকৃত হৈছে। কেইজনমান উদ্যোগী জনজাতি লোকে এই ব্যৱসায়ত-লাগিছে যদিও সৰ্বসাধাৰণ জনজাতি লোক সকল ইয়াৰ প্ৰতি উদাসীন। ওচৰতে থকা পাহাৰৰ পৰাই গছৰ ডাল পাত কাতি ঘাঁহ হিচাবে খুৱাই, কিন্তু ইয়াত এজোপা গছো ৰোৱা নহয়। ফলত ই টকলা হৈ গৈ আছে। ঘাঁহৰ খেতি কৰি সেউজীয়া ঘাঁহৰ যোগান ধৰি, গৰুদানা প্ৰস্তুত কৰা উদ্যোগ স্থাপন কৰি আৰু পশু চিকিৎসা ব্যৱস্থা উন্নত কৰিলে অঞ্চলটোৰ গোপালক সকলে অধিক উৎসাহেৰে এই ব্যৱসায়ত লাগিব পাৰিব। ❑❑❑

"য'তেই জীৱিত বস্তু পাঁও তাতেই শুনোঁ আনুগত্যৰ স্বৰ। সকলো প্ৰাণীৰ ভিতৰতে আছে আনুগত্য। দ্বিতীয়তে, যি নিজৰ ইচ্ছাৰ নিয়ন্ত্ৰণাধীন নহয়, সি আনৰ দ্বাৰাপৰিচালিত হ'বই। জীৱিত প্ৰাণীৰ এয়ে নিয়ম। তৃতীয়তে, আদেশ পালন কৰাতকৈ আদেশ দান কৰাটো আৰু টান। অকল সেয়ে নহয়, অনুসৰণকাৰী সকলৰ দায়িত্বভাৰ আদেশদাতা সকলেই ল'ব লাগে। এই ভাৰ তেওঁ ভাঙি পৰাৰ কাৰণ হৈও উঠে। মই দেখিবলৈ পাওঁ সকলো কৰ্তৃত্বতে এটা বিপদ আৰু এক সৎ প্ৰচেষ্টা আছে। যেতিয়াই জীৱিত প্ৰাণীয়ে কৰ্তৃত্বভাৰ গ্ৰহণ কৰে, তেতিয়াই লগে লগে বিপদ সমুখীনো হ'ব লাগে।"

— ফ্ৰেডিক নীৎশ্বে

# গল্প

মানুহৰ গল্প কোৱাৰ আৰু লেখাৰ অভ্যাস অতি প্ৰাচীন।
আধুনিক চুটিগল্প বহুযুগৰ ক্ৰমবিকাশৰ ফল, বগাই উত্তৰণৰ জখলা
কথা কবিতাৰ লক্ষণত কাহিনী বৰ্ণনাৰ প্ৰাৰম্ভিক স্তৰৰ পৰা
আধুনিক চুটিগল্পই নিটোল ৰূপ পৰিগ্ৰহ কৰিছে।
বিশ্বৰ প্ৰথম চুটিগল্পটো কোনে ক'ত কেতিয়া লিখিছিল,
ঠিৰাংকৈ কোৱা টান।

XXX

'অসমীয়া গল্প-উপন্যাসত মানৱীয় আৰু জীৱনক মুখামুখিকৈ চাবৰ সাহস আৰু শক্তি বাঢ়িছে।
জনজীৱনৰ লগত ক্ৰমাৎ বেছিকৈ এই দুইটা সাহিত্যৰূপ জড়িত হৈ পৰিছে।
মানুহৰ কৰ্ম আৰু মানুহৰ মনত ৰোমান্টিক মোহত যিমান খিনি দেখা নোপোৱা হৈ আছিলোঁ,
এতিয়া মোহ মুক্তিৰ পিছত সেইখিনি কলাকাৰৰ দৃষ্টিত ধৰা দিবলৈ ধৰিছে।'

— ড° মহেশ্বৰ নেওগ

# হিয়াত তেজৰ প্লাৱন



— পলাশ প্ৰান্তিক ডেকা

অস্তাচলৰ বুকুত বেলিটো হেৰাই যাবলৈ তেতিয়াও কিছুসময় বাকী। তেনে সময়তে মৃদুস্মিতা শইকীয়াই বেদনাগধুৰ মন এটা লৈ ঘৰৰ পৰা এখোজ দুখোজ কৈ ওলাই আহিল। আজি তাইৰ মনটো অলপো ভাল লগা নাই। দুপৰীয়া সময়তে আকাশৰ ককায়েকে তাইলৈ ফোন কৰিছিল। আকাশ মানে, আকাশ দ্বীপ দুৱৰা। মৃদুস্মিতাই পাতিলোৱা ভায়েক। সেই আকাশ হেনো ঘৰৰ পৰা নাইকিয়া হোৱা আজি দহদিনৰো বেছি হ'ল। ক'লৈ গ'ল, কি হ'ল কোনেও একো শুংসূত্ৰকে উলিয়াব পৰা নাই। আৰু সেইকাৰণেই আকাশৰ ককায়েকে উপায় বিহীন হৈ তাইলৈ ফোন কৰিছিল। জানোচা আকাশ সিহঁতৰ ঘৰলৈ কে গৈছে। কিন্তু, আকাশটো সিহঁতৰ ঘৰলৈ অহা নাই। নাই মানে, আকাশ সঁচাকৈয়ে নিখোঁজ হ'ল। মৃদুস্মিতাই তাইৰ বুকুখন জোৰেৰে হেঁচি ধৰিলে। তাই বাৰু বায়েক হিচাপে কথাটো কেনেকৈ সহ্য কৰিব। আকাশ তাইৰ নিজৰ ভায়েক নহ'লেও নিজা ভায়েকতকৈ তাই বেছি ভাল পায়, মৰম কৰে। অথচ, সেই আকাশ আজি নাই। মৃদুস্মিতাই অসহ্য এক যন্ত্ৰনাত উচুপি উঠিল।

মৃদুস্মিতাই বিচনাতে বহি আকাশৰ কথাকে বাৰে বাৰে চিন্তা কৰিছে। কিয় বাৰু সি হঠাতে তেনেকৈ হেৰাই গ'ল? হেৰাই যাবৰ সময়ত, তাৰ বাৰু চিনাকী মানুহবোৰলৈ এবাৰো মনত নপৰিলনে? এই যে শেতেলীত পৰি থকা বিধৱা মাকজনী, ককায়েক নবদ্বীপ আৰু সৰু ভনীয়েক মাইনুলৈ! আৰু মনত নপৰিলনে, তাৰ কাৰণেই যে মাহেকত তিনিচাৰি খনকৈ চিঠি দিয়া গোলাঘাটৰ মৃদুবাজনীলৈ!! আকাশে হয়তো সকলোকে পাহৰি পেলাইছে। কিন্তু, কিয়? কিয়বাৰু আকাশে ইমান এটা কঠোৰ সিদ্ধান্ত ললে? একমাত্ৰ গৰিমাৰ কাৰণেই নহয়তো। গৰিমা মানে মিলনপুৰ হাইস্কুলৰ প্ৰধান শিক্ষক তিলক হাজৰিকাৰ একমাত্ৰ

ছোৱালী গৰিমা হাজৰিকা। গৰিমাক লৈয়ে আকাশে কত যে ৰঙিন সপোন দেখিছিল। চাকৰি কৰিব, ঘৰ সাজিব আৰু এদিন গৰিমাক একেবাৰে নিজৰ কৰি লব। আৰু গৰিমায়ো আকাশৰ অবিহনে জীয়াই থকাৰ কল্পনা কৰা নাছিল। সেয়ে, সত্যম্ শিৱম্ সুন্দৰমক সাক্ষী কৰি ইজনে সিজনক প্ৰতিশ্ৰুতি দিছিল- দুখৰ ভিন্ন হৃদয় এক হৈ যোৱাৰ।

সময়বোৰ আগবাঢ়ি গৈছিল। আৰু আগবাঢ়ি গৈছিল সিহঁতৰ মাজত থকা প্ৰেমৰ সম্পৰ্কটো, গভীৰৰ পৰা গভীৰতমলৈ ! কিন্তু, সিহঁতৰ মাজত থকা সেই প্ৰেমৰ সম্পৰ্কটোক গৰিমাৰ দেউতাক আৰু পৰিয়ালৰ আন সদস্যবোৰে সন্মতি জনোৱা নাছিল। যাৰ বাবে গৰিমাক জোৰ কৰি আকাশৰ কাষৰ পৰা আঁতৰাই লৈ আহিছিল। দূৰলৈ বহুদূৰলৈ। গৰিমা বিহীন আকাশৰ সকলো কল্পনা নিমিষতে ঠুনুকা গিলাছৰ দৰে ভাঙি চুৰমাৰ হৈ গ'ল-- সি যেন মৰুভূমিৰ এক পথহাৰা ক্লান্ত পথিক। আকাশে ক'তো থাকি শান্তি নোপোৱা হ'ল। প্ৰত্যেকটো মূহুৰ্ততে সি কেৱল অনুভৱ কৰি ফুৰিছিল অসহ্য এক যন্ত্ৰনা !

মৃদুস্মিতাৰ আজিও স্পষ্টকৈ মনত আছে। তাইৰ সৰুটো ককায়েক জীৱনদাৰ বিয়াত আকাশে কিছুদিন থকাকৈ আহিছিল। এদিন আবেলি সময়ত, আকাশ আৰু তাই ৰঙ্গাদিয়া নৈখনৰ ফালে ফুৰিবলৈ ওলাই গৈছিল। সোঁতবিহীন ৰঙ্গাদিয়া নৈখন, সেইদিনা সিহঁতৰ উপস্থিতিৰ বাবেই যেন আৰু বেছি নীৰৱ হৈ পৰিছিল। কেতিয়াবা নীৰৱতাৰো গভীৰ অৰ্থ থাকে। কেইটামান লহমা। তাৰ পাছত, নীৰৱতা ভংগ কৰি আকাশে মাত লগালে ---

ঃ ' মৃদুবা'

ঃ 'কিবা ক'বা নেকি আকাশ ?"

ঃ 'এৰা মৃদুবা, কবলৈতো মোৰ বহুকথাই আছে।' আকাশে আবেগিকভাৱে কথাষাৰ কৈ পশ্চিম প্ৰান্তত হেৰাই যাব খোজা বেলিটিলৈ, ৰঙচুৱা আকাশ খনলৈ এপলক দৃষ্টিৰে চাই ৰ'ল। আকাশত তেতিয়া, অকলশৰীয়া চৰাই এটাই ডেউকা কোবাই কোবাই অসীম প্ৰান্তত হেৰাই গৈছিল।

ঃ ' কি কথা আকাশ ?' মৃদুস্মিতায়ো অনুসন্ধিৎসুভাৱে প্ৰশ্নটো কৰি, আকাশৰ চকুলৈ চাই ৰ'ল। আকাশৰ চকুত তেতিয়া ভৰ বাৰিষা। তাৰ পাছত আকাশে আকৌ আৰম্ভ কৰিলে -----

ঃ ' এই যে কবিতা লিখি, ছবি আঁকি ভালপোৱা, আপোনাৰ মৰমৰ ভায়েক আকাশ মানে মই, মই যদি কেতিয়াবা নিজৰ অজানিতে হেৰাই যাঁও, তেতিয়া আপোনাৰ কেনে লাগিব ?'

ঃ 'ধেৎ আকাশ, তুমিযে কি কথাবোৰ কোৱা।'

ঃ 'নহয় মৃদুবা, এনেকৈ বুকুৰ মাজত অসহ্য এক যান্ত্ৰণা সহ্য কৰি এই পৃথিবীত জীয়াই থাকিবলৈ মোৰ অলপো ইচ্ছা নাই। মই যেন হেৰাই গলেই, সকলো দুখ-যান্ত্ৰণাৰ পৰা মুক্তি পাম !' আকাশে কথাষাৰ কৈ, তাৰ দুচকুৰে বৈ অহা অশ্ৰুবোৰ মচি ললে।

ঃ 'আকাশ, তুমি পাগল হৈ যোৱা নাইতো। সকলো সময়তে কেৱল গৰিমা আৰু গৰিমা। কিন্তু, গৰিমাই জানো, তোমাৰ কথা ভাৱে। তাই যদি তোমাৰ কথা ভাবিলহেঁতেন, যিকোনো প্ৰকাৰেই তোমাৰ হৈ গ'লহেতেন। ক'তা তাইচোন মানৱ বৰুৱাৰ লগত সুখৰ সংসাৰ পাতি অতি আনন্দৰে জীৱন অবিবাহিত কৰিছে। আৰু তুমি ? একো লাভ নাই আকাশ। সেয়ে, তুমি গৰিমাক পাহৰিবলৈ চেষ্টা কৰা আকাশ। মৃদুস্মিতাই গভীৰস্বৰে কথাখিনি কৈ দীঘল হুমুনিয়াহ এটা কাঢ়িছিল।

ঃ 'এৰা মৃদুবা, গৰিমাক পাহৰিবলৈ বহু চেষ্টা কৰিছো। কিন্তু, যিমানেই তাইক পাহৰিবলৈ চেষ্টা কৰোঁ, সিমানেই আৰু বেছিকৈ মনত পৰে। আৰু মনত পৰাৰ লগে লগে মোৰ বুকুখন প্ৰকাণ্ড আগ্নেয়গিৰি এটাৰ দৰে দপ্‌দপ্‌কৈ জ্বলি উঠে। বিশ্বাস কৰক মৃদুবা, গৰিমাক মই, নিজৰ প্ৰাণতকৈয়ো বেছি ভাল পাইছিলো, আৰু হয়তো ভবিষ্যতলৈয়ো পাই থাকিম। তেনেক্ষেত্ৰত, গৰিমাক ইমান সহজে পাহৰি যোৱাতো, মোৰ বাবে সম্ভৱ নহয় মৃদুবা" আকাশে কথাখিনি কৈ সৰু ল'ৰা এটাৰ দৰে ফেঁকুৰি ফেঁকুৰি কান্দি উঠিল। কন্দাৰ বাহিৰে তাৰ যে কৰিবলৈ আন কোনো উপায়ে নাছিল। ভায়েকৰ কাৰুণ্যভৰা দুখৰ কথাবোৰ শুনি মৃদুস্মিতাৰো চকুৰ পানীৰে ভৰবাৰিষা হৈ হৃদয় প্লাৱিত কৰি পেলাইছিল। সেয়ে, কিজানি আকাশক, সান্ত্বনা দিবলৈ মৃদুস্মিতাই কোনো ভাষা বিচাৰি পোৱা নাছিল। আৰু ভাষা বিচাৰি নোপোৱা বাবেই

হয়তু মৃদুস্মিতাই তাইৰ বুকুৰ মাজতে আকাশক জোৰেৰে সাৱটি ধৰিছিল। কেইটা মান মূহুর্ত। তাৰ পিছত, মৃদুস্মিতাই বিষাদভৰা কণ্ঠেৰে আকাশক বুজাবলৈ চেষ্টা কৰিছিল -- ঃ ‘ আকাশ, Don't worry be happy! তুমি একেবাৰে অকলশৰীয়া হৈ যোৱা নাই নহয়। তোমাৰ কাষত, এতিয়াও তোমাৰ মৃদুবাজনী জীয়াই আছে। আৰু আছে, তোমাৰ মা, নৱদ্বীপদা আৰু তোমাৰ অতি মৰমৰ সৰুভনী মাইনুজনী। মাইনুক তুমি পাহৰি যাব পাৰিবা? তুমি হেৰাই গ'লে, সিহঁতে বাৰু কেনে দৰে জীয়াই থাকিব??’

ঃ ‘প্লিজ্ মৃদুবা, আৰু নকব !’ আকাশে ঠুকা ঠুকি মাতেৰে কথাষাৰ কৈ পৰাজিত সৈনিকৰ দৰে তললৈ মূৰটো কৰিছিল।

ঃ ‘আকাশ, উঠা, সন্ধিয়া হ'ল নহয়।’ মৃদুস্মিতাই লাহেকৈ ক'লে।

মৃদুস্মিতা আৰু আকাশ, সেইদিনা বেদনাগধুৰ মন এটা লৈ তাৰ পৰা উভতি আহিছিল। ঘৰলৈ উভতি আহোঁতে মৃদুস্মিতাৰ কিয় জানো পুৰণি গীত এটালৈ বৰকৈ মনত পৰিছিল —

‘অ’ বিদেশী বন্ধু দুৰ্ভগীয়া
আজি কিয়নো বন্ধু অকলশৰীয়া
প্ৰতিধ্বনি শুনো কান্দোনৰ ...। ❑

*Constance, I know not how it is with men.*
*For women, (I am a women now like you)*
*There is no good of life but love — but love !*
*What else looks good, is some shade flung*
*from love —*
*Love glids it, gives it worth. Be warned*
*by me.*

*Never you cheat yourself one instant ! Love,*
*Give love, ask only love, and leave the rest ?*

– ‘In a Balcony’, ব্ৰাউনিং

# তোমাৰ বাবে

## (এক মিনিটৰ গল্প)

**ৰূপজ্যোতি গগৈ,** স্নাতক ৩য় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ

ৰোগীজন এখোজ দুখোজকৈ ওলাই গ'ল। সুদৃশ্য চেম্বাৰটোত ৰৈ গ'ল ডঃ উৰ্মি চৌধুৰী.... অকলশৰে। আচলতে পৃথিৱী খনতেই অকলশৰীয়া তাই। তাই বুকুৰ উমেৰে সজোৱা সপোনবোৰ চিচাৰ দৰে ঠন্ ঠনাই ভাঙি পৰিছিল পতি নামৰ প্ৰতাৰক জনৰ প্ৰতাৰণাৰ আঘাতত।

কেন্সাৰ হস্পিতেলত অনিমেষ বৰুৱাক দেখি কঁপি উঠিছিল তাই। অনিমেষো আচৰিত হৈছিল। খুউব ধীৰ কণ্ঠেৰে কৈছিল -- " চিনি পাইছা উৰ্মি? মই অনিমেষ ..... অনিমেষ বৰুৱা! যাৰ উৎপাতত তুমি শান্তিৰে থাকিব নোৱাৰিছিলা। মই কৈছিলো নহয় তোমাৰ অবিহনে মই সদায় অকলশৰীয়া হৈ থাকিম। মই মোৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিছো। মোৰ জীৱনটো এগিলাচ সুৰাত ডুব গ'ল। আৰোগ্য লাভ কৰিবলৈ মই ইয়ালৈ অহা নাই। আহিছো ভাইটোৰ মনত দুখ নিদিবলৈহে। সিয়ে মোক বৰ ভাল পায় ....."

অনিমেষ গুচি গৈছিল । ৰৈ গৈছিল নিৰ্বাক উৰ্মি। মনৰ উপত্যকাত তেতিয়া বসন্ত কাল। এজাক বৰষুণৰ দৰে হঠাৎ এদিন অনিমেষ উৰ্মিৰ জীৱনলৈ আহিছিল। বাৰে বাৰে না কোৱা স্বত্বেও সি উৰ্মিৰ পিছ এৰা নাছিল। আচলতে অনিমেষক উৰ্মিৰ মনেও পছন্দ কৰিছিল। কিন্তু, উৰ্মি আছিল তথাকথিত ভাল ছোৱালী। কলেজৰ, হোষ্টেলৰ সকলোৰে তাইক বৰ মৰম কৰিছিল। নিজৰ তথা ঘৰখনৰ মৰ্য্যাদাৰ প্ৰশ্নত তাই আপোচ কেনেকৈ কৰিব। তাইৰ বিষয়ে বেয়াকৈ শুনিলে চাৰ বাইদেৱে কি বুলি ক'ব? সেয়ে অনিমেষৰ সৰল নিভাঁজ মৰম খিনিক তাই কোনোদিনে বুজিবলৈ চেষ্টাই নকৰিলে। অথচ আজি সেই মানুহবোৰেই .......

বিয়াৰ পাছত উৰ্মিৰ জীৱনটো হৈ পৰিছিল নিসংগ দ্বীপ। যাৰ লগত হোমৰ গুৰিত বহিছিল সি আঁতৰি গৈছিল কোনোবা সপোন কুৱৰীৰ দেশলৈ! আৰু ......

টং টং টং ......... হঠাৎ ঘড়ীয়ে চাৰিবজাৰ সংকেত দিলে। উৰ্মি উচপ খাই উঠিল । তাইৰ এটা ডাঙৰ কাম বাকী আছে। একেটা ভুলতো দুবাৰ কৰিব নোৱাৰি। তাই অনুভৱ কৰিলে নিঃসংগ দ্বীপৰ পৰা লাহে লাগে এটি নতুন বাটে পাহি মেলিছে। সিপাৰত তাইৰ নিচেই চিনাকী এটি প্ৰতিচ্ছৱি ..... নাম যাৰ অনিমেষ !! ❑

**মানুহৰ শৰীৰো এক নিৰ্মল আনন্দৰ উৎস;**
**সেই উপলব্ধিৰ বাবে এটা নিৰ্মল মনৰ প্ৰয়োজন।**

— 'অনুৰাধাৰ দেশ',
ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী

# কবিতা

তুমিতো জানায়
এই কবিৰ আৰু একো নাই
এটাই মাথো কামিজ
তাৰো ছিগোঁ ছিগোঁ চিলাই
প্ৰেম নিশ্চয় এনেকুৱাই
আবৰণ খুলি হৃদয় জুৰায়।

XXX

মই কেতিয়াবা
এতিয়াও সপোনত সাৰ পাই উঠো
অফ্ৰিকা নে তেলেংগানা ক'ৰবাত
সেই ঘোঁৰা যেন হিলদ'ল ভাঙি লৰিছে
আৰু তোমাৰ চাবুকত চমকি উঠিছে
নিৰ্জন ৰাতিৰ ক্লীবতা।

— হীৰেণ ভট্টাচাৰ্য।

XXX

আধুনিক কবিতাৰ সম্পদভূমি সম্পৰ্কে আলোচনা কৰিবলৈ গৈ জে, আইজাক্‌চে আধুনিকত্ব কি তাৰ সমিধান বিচাৰি কৈছে যে......

আধুনিক কবিতাৰ বিশেষ ধৰ্মটো কি এই প্ৰশ্নৰ উত্তৰ সিমান সহজ নহয়।

গঠনত আধুনিক কবিতা উত্তেজনা আৰু সংঘাট ভাৰসাম্য।

নিকৃষ্টতম অৱস্থাত আধুনিক কবিতা বিশৃংখল আৰু অসংলগ্ন টুকুৰাৰ এটা থোপা।

উৎকৃষ্টতম অৱস্থাত ই অনন্ত কালৰ ম্লান উজ্জ্বলতাক ৰঞ্জিত কৰা এটা গম্বুজৰ নানা ৰং বিশিষ্ট কাচ বিশেষ।

XXX

# বেদনা সিক্ত নিশা

**ৰূপজ্যোতি গগৈ,** স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)



আঁউসীৰ এমুঠি ক'লা
আলফুলে সিচিলা ---
স্বপ্নমধুৰ জীৱনৰ
বিতোপন জোনালীত
বিষণ্নতাৰ বেসুৰা গীতত
ছন্দ ভাঙে জীৱনৰ
এইয়া যে বিমৰ্ষ ৰাতিৰ
অভিশপ্ত প্ৰহৰ ----

মৰমে উচুপে --
নিজানত অকলে,
আবেগ বিহ্বলা
জিলিৰ সুৰে সুৰে।
বেদনাই সেমেকায়
শেৱালিৰ পাহি;
ঢৌ তুলি বয় ---
অনুভূতিৰ নীলাভ নদী ----।
পলে পলে এতিয়া
কৰুণ আকৃতি;
হৃদয়ত মাথো
অচিনাকিৰ স্মৃতি ---। ❑

# ভাগৰুৱা-পথিক

**শ্ৰীপৰমানন্দ ডেকা,** স্নাতক ২য় বৰ্ষ (কলা)

বহুদিন হ'ল আইক নেদেখা
কথা পতা নাই
কোলাতো শুৱা নাই।

গাঁৱৰ শ্ৰমিকৰ ঘামবোৰে কথা কোৱা
বহু দিন শুনা নাই
আছেনে নাঙলৰ সীৰলুত
শান্তি সীতা?

বিল আৰু নদীৰ বালিৰ চাপৰিত
পৰি ৰ'ল মোৰ শৈশৱৰ স্নিগ্ধতা
তাতেই বান্ধিছিলো জীৱনৰ তেজী ঘোঁৰা
ৰঙ আৰু হাঁহিৰে ভৰা
শৈশৱ মোৰ নীলা পতাকা।
তেজ বৰষুণ ............................।।
আজি আৰু তই নাহিবি,
আজি ৰাতি মই গাঁৱলৈ যাম
আয়ে ৰন্ধা ভাত এসাজ খাবলৈ। ❑



মই তেনেই নিচলা কবি
আহিছোঁ উভতি
শীতৰ কুঁৱলী ফালি--
দেহত মোৰ বসন্তৰ আৰতি
সুগন্ধি সন্ধিয়াত তোমাৰ দুচকুত দেখোঁ
শইচ সোণোৱালী হাঁহি ——

— ত্ৰিশঙ্কু তাঁতী

❑❑❑

বধ্যভূমি অসমত
কুটুমৰ মঙহৰ বৰভোজ
জাক জাক ৰাংকুকুৰৰ
নখৰ আঁচোৰত
চিৰাল ফটা দিয়ে আমাৰ ভৱিষ্যত --

— নিতুমনি দাস

❑❑❑

অভিশপ্ত কোনোবা এদিন আবেলি
বুট জোতাৰ গেৰেপনি মৰা শব্দত
বকুল পাতৰ আগে ধাৰাসাৰে নিয়ৰ সৰিছিল
এজাক ধুমুহা মিলি গৈছিল এন্ধাৰৰ সতে
অভিশপ্ত কোনোবা এদিন আবেলি —

— সীমান্ত বৰদলৈ

❑❑❑

হয়তো তাইৰ শৰীৰৰ উপৰেদিয়েই
খোজ দিলেহেঁতেন ব্যস্ত মানুহবোৰে
তাই তেনে বহু ব্যস্ত মানুহ দেখি আহিছে
জীৱনৰ ক্ষণে ক্ষণে —
তাই জানে তাই পথৰ এটুকুৰা শিল
পেটৰ ভোক তৃষ্ণাৰ অনুভৱ
তাই জানে —
কেৱল নাজানে তাই বিলাসিতা
জিনিবলৈ বিশ্বক ............

— দীপাঙ্কৰ শৰ্মা

❑❑❑

এজাক শীতল বতাহৰ কোমল পৰশে
শেৱালিৰ গোন্ধ বিয়পাইছে চৌদিশে
টোপাটোপে নিয়ৰ সৰিছে
অবুজ বেদনাই চেপা মাৰি ধৰিছে মোৰ হৃদয়.........

— হেমন্ত কুমাৰ শইকীয়া

❑❑❑

# প্ৰাক্তন ছাত্ৰৰ কাপৰ পৰা

প্ৰাক্তন ছাত্ৰৰ কাপৰ পৰা

# এজন সফল ব্যক্তি হোৱাৰ সোঁতৰটা সূত্ৰ

## (একান্ত ব্যক্তিগত)

শ্ৰীঅজিত কুমাৰ বৰদলৈ, প্ৰাক্তন ছাত্ৰ

আপুনিও এজন সফল ব্যক্তি হব বিচাৰে নেকি? নিশ্চয় বিচাৰে নহয় জানো? হয় -- আপুনি ঠিকেই কৈছে, পৃথিৱীৰ কোনো মানুহেই অসফলতাক কামনা নকৰে। কাৰণ অসফলতাই মানুহক ধ্বংস মুখী পথলৈ ঠেলি দিয়ে আৰু ইয়েই কেতিয়াবা মানসিক ভাৰাসাম্য নোহোৱা কৰি অপৰাধমূলক কাম, সন্ত্ৰাসবাদৰ পথ আদিবোৰ অসামাজিক কাম কৰিবলৈ বাধ্য কৰাই জীৱনৰ মূল লক্ষ্যৰ পৰা বিচলিত কৰে। আৰু এই অসফলতাৰ কাৰণেই পৃথিৱীৰ বিভিন্ন দেশৰ লগতে আমাৰ ভাৰতবৰ্ষ তথা অসমতো অপৰাধমূলক কাম, সন্ত্ৰাসবাদ আদিবোৰে মূৰ দাঙি সামাজিক জীৱন যাপন ভয়াবহ কৰি তুলিছে।

এতিয়া কথা হ'ল আপুনি কেনেকৈ এজন অসফল ব্যক্তি হোৱাৰ পৰা হাতসাৰি এজন সমাজ প্ৰিয় সফল ব্যক্তি হব পাৰিব। চিন্তা কৰিব নালাগে, ইয়াৰ উপায়টো একেবাৰে সহজ কিন্তু কথাকেইতা যদি মনত নাৰাখে সিমানেই কঠিনো। এইয়ে ধৰক, যিদৰে সূত্ৰটো মনত ৰাখিলে অংকটো কৰাত সহজ। মই এতিয়া আপোনাক যিকেইটা সূত্ৰ দিবলৈ বিচাৰিছো ইয়াৰ প্ৰায়বোৰেই আপুনিও জানে কিন্তু ভুল আমাৰ ইয়াতেই যে, আমি আচলতে সেই সৰু সৰু কথাবোৰ গুৰুত্ব নিদিওঁ। যদি আমি ছাত্ৰ অৱস্থাৰ পৰাই এই সূত্ৰ কেইটা মুখস্থ ৰাখো আৰু সেইমতে কাম কৰো তেন্তে এজন সফল ব্যক্তি হোৱাৰ পৰা আমাক কোনোৱেই বাধা দিব নোৱাৰে তথা আমি হাত দিয়া প্ৰতিটো কামতেই সফল হ'মেই। যদি ভাবিছে মই মিছা মাতিছো তেন্তে মই দিয়া সূত্ৰ কেইটা মুখস্থ কৰি কাৰ্য্যকৰী কৰি প্ৰমান চাওঁক, ..................

০১। **সাহস** ঃ- মনত ৰাখিব সফলতাৰ মূল কাৰক হ'ল সাহস। ইয়াৰ অবিহনে আপুনি কোনো কাৰণতে সফল হব নোৱাৰে। গতিকে আপুনি এজন প্ৰকৃত অৰ্থত সাহসী ব্যক্তি হব লাগিব। আপুনি কৰা বা কৰিবলৈ ওলোৱা প্ৰতিটো কামেই সাহসেৰে কৰিবলৈ আগবাঢ়ক। ভয়-শংকা মনলৈ কেতিয়াও নানিব।

০২। **কামৰ গুৰুত্ব** ঃ- আপুনি যি কামেই নকৰক কিয় তাক সদায় গুৰুত্ব সহকাৰে পালন কৰক। পালমাৰা বা মূৰপুলুকা মৰা কাম ভুলতো কেতিয়াও নকৰিব নহলে নিজকে ফাঁকি দিয়া হব।

০৩। **দায়িত্বশীল** ঃ- আপুনি দায়িত্বশীল ব্যক্তি হ'বলৈ যত্ন কৰক। যিকোনো দায়িত্ববোধক কামক প্ৰথমে স্থান দিব। নিজ দায়িত্বক প্ৰাণ দি হলেও পালন কৰিব।

০৪। **নিয়ম বা আইন মানক** ঃ- আপুনি সদায় নিয়ম-কানুন মানি চলিব। কাৰণ প্ৰতিটো কামৰ নিয়ম-কানুন ভিন-ভিন গতিকে যি নিয়ম সেই নিয়ম-কানুন মতেই কামটো সমাধা কৰিবলৈ যত্ন কৰক।

০৫। **বদ অভ্যাস ত্যাগ** ঃ- হয়, অসফলতাৰ আন এটা মূল কাৰক হ'ল নিজ চৰিত্ৰৰ বদ অভ্যাসবোৰ গতিকে ইয়াক ত্যাগ কৰক আৰু তাৰ ঠাইত ভাল অভ্যাস গঢ়িবলৈ চেষ্টা কৰক।

০৬ । **স্ব-মূল্যায়ন** ঃ- আপুনি আপোনাৰ প্ৰতিটো কামৰ স্ব-মূল্যায়ন কৰিবলৈ শিকক। আপুনি কৰা কামটো ভাল কৰিছে নে বেয়া কৰিছে তথা কোনটো কাম প্ৰকৃততে আপোনাৰ বাবে যোগ্য বা কেনে ধৰণৰ কাম ভাল পায় তাক বিচাৰ কৰি উলিয়াওক আৰু সেই দিশৰ কামটোকে কৰক।

০৭ । **সহ্য গুণ** ঃ- আপুনি যিকোনো পৰিস্থিতিক সহ্য গুণৰ অধিকাৰী হব লাগিব। হয়তো আপুনি কৰি থকা কামটোৰ পৰা বৰ কষ্ট অনুভৱ কৰিছে তথাপি আপুনি

প্ৰাক্তন ছাত্ৰৰ কাপৰ পৰা

# অসমৰ স্থাপত্য আৰু ভাস্কৰ্য্য কলা

শ্ৰীপঙ্কজ শ্যাম, প্ৰাক্তন ছাত্ৰ

মানুহৰ মনৰ ওপৰত কলাৰ প্ৰভাৱ শক্তিশালী। ভাৰতীয় পৰিকল্পনাত কলা আৰু ধৰ্মৰ ওতঃপ্ৰোত সম্বন্ধ দেখাযায়। প্ৰকাশভঙ্গী অনুসৰি কলাৰ কেইবাটাও ভাগ পোৱা যায়। ইয়াৰ ভিতৰত দুটি উৎকৃষ্ট আৰু উল্লেখযোগ্য কলা হ'ল --- স্থাপত্য আৰু ভাস্কৰ্য্য কলা। ভাৰতৰ দৰে অসমতো বিভিন্ন মন্দিৰ, দ'ল, দেৱালয় আদিৰ মাধ্যমত স্থাপত্য আৰু ভাস্কৰ্য্য কলাৰ চৰ্চা প্ৰাচীন কালৰে পৰা কৰা হৈছিল। প্ৰস্তুত প্ৰৱন্ধটিত অসমৰ স্থাপত্য আৰু ভাস্কৰ্য্য কলাৰ বিষয়ে সংক্ষেপে আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল।

**স্থাপত্য ঃ** স্থাপত্য এটা জাতিৰ এক বিৰাট সমূহীয়া শিল্প প্ৰচেষ্টা। এটা জাতিৰ ৰুচি, হৃদয়ৰ গভীৰতা অনুধাৱন কৰিবলৈ হ'লে পোন প্ৰথমে সেই জাতিটোৰ স্থাপত্য কলাৰ বিচাৰ কৰি চাব লাগিব। কেৱল ভাৰতীয় কলাৰ ক্ষেত্ৰতে নহয়, গ্ৰীক স্থাপত্য শিল্প, মচিনীৰ বৌদ্ধ শিল্প সকলো উন্নত জাতিৰ স্থাপত্যত ভাস্কৰ্য্য বা চিত্ৰ কলা সম্পাদন হোৱা দেখা গৈছে।

অসমৰ স্থাপত্য কলাৰ ধাৰাবাহিক ইতিহাস পোৱা নাযায়। বিশেষকৈ, বৰ্ত্তমানলৈ আবিষ্কৃত তেজপুৰৰ ওচৰৰ দ-পৰ্বতীয়াৰ গুপ্ত যুগৰ কোনো স্থাপত্য বা ভাস্কৰ্য্যৰ নিদৰ্শন অসমত আজি প্ৰৰ্য্যন্ত আবিষ্কৃত হোৱা নাই। সেই বুলিয়েই প্ৰাক-গুপ্তযুগৰ অসমত স্থাপত্য বা ভাস্কৰ্য্য কলাৰ কোনো চৰ্চা হোৱা নাছিল বুলি ন দি কৰ নোৱাৰি। কিয়নো অসমত প্ৰকৃতিৰ ধ্বংসলীলাৰ প্ৰভাৱতো স্থাপত্যৰ প্ৰাচীন আৰ্হি বিনষ্ট হব পাৰে। তাৰোপৰি বৰ্ত্তমান দশকপ্ৰৰ্য্যন্ত অসমত বৈজ্ঞানিক পদ্ধতিত খননকাৰ্য্য কৰা হোৱা নাই। ফলত ভূগভস্থিত স্থাপত্য-ভাস্কৰ্য্যৰ অমূল্য সম্পদ ৰাজি উদ্ধাৰ কৰা সম্ভৱপৰ হোৱা নাই।

অসমৰ স্থাপত্যৰ পম খেদি গ'লে প্ৰথমতে পোৱা যায় পৰ্বত আৰু পৰ্বতৰ নামনিত সিচঁৰিত হৈ থকা কেতবোৰ দেওশিল। অৱশ্যে এই শিলসমূহত স্থাপত্য বা ভাস্কৰ্য্যৰ তেনে কোনো লক্ষণ পোৱা নাযায় যদিও স্মৃতি ৰক্ষাৰ ফালৰ পৰা শিলেৰে যুগমীয়া কৰি ৰখা এটা পদক্ষেপ। আৰ্য্য সংস্কৃতিৰ স্থাপত্য কলাৰ প্ৰথম নিদৰ্শন প্ৰাচীন কামৰূপৰ কোনো স্থানতে আজিকোপতি আবিষ্কৃত হোৱা নাই। এসময়ত প্ৰাচীন কামৰূপত বৌদ্ধ চৈত্য আৰু বৌদ্ধ মন্দিৰ আছিল বুলি কেতবোৰ উদ্ধৃতি পোৱা যায়। কামৰূপৰ কামাখ্যা ধাম এসময়ত বৌদ্ধ তান্ত্ৰিক ব্ৰজায়ান সম্প্ৰদায়ৰ প্ৰধান কেন্দ্ৰ আছিল বুলি কোনো কোনো পণ্ডিতে মত পোষণ কৰে। মেজৰ , হেনৰী চাহাবৰ মতে, শদিয়াৰ অনেক মন্দিৰৰ ধ্বংসাৱশেষ বিনা দ্বিধাই বৌদ্ধ স্থাপত্যৰ নিদৰ্শন আছিল বুলি নিৰ্ণয় কৰিব পাৰি।

প্ৰত্নতাত্বিক সকলৰ মতে তেজপুৰৰ পৰা তিনি মাইল নিলগৰ দপৰ্বতীয়াৰ শিৱমন্দিৰটোৰেই অসমৰ প্ৰাচীনতম আৰু স্থাপত্যৰ শ্ৰেষ্ঠ মন্দিৰ। ভাস্কৰ বৰ্মনৰ কোনোবা পূৰ্বপুৰুষে এই মন্দিৰটি আনুমানিক পঞ্চম বা ষষ্ঠ শতাব্দীতে সজোৱা বুলি বিজ্ঞ পণ্ডিত কনকলাল বৰুৱাদেৱে অভিমত ব্যক্ত কৰিছে। তেজপুৰৰে বামুণি পাহাৰ আৰু বৰ্ত্তমান কাছাৰীৰ নিৰ্মাণৰ কালছোৱাত খননকাৰ্য্যত উদ্ধাৰ হোৱা স্থাপত্য - ভাস্কৰ্য্যৰ মান-দণ্ড অতি উচ্চ খাপৰ। ইয়াত আবিষ্কাৰ হোৱা অগণন ভগ্নস্তূপৰ কাৰুকাৰ্য্যৰ পৰা এই সম্পদবোৰ গুপ্তযুগৰ স্থাপত্য-ভাস্কৰ্য্য বুলি নিৰ্ণয় কৰা হৈছে। তেজপুৰৰ বাহিৰেও শোণিতপুৰ জিলাত বিশ্বনাথ, গমিৰি, বিহালী আদি অনেক ঠাইত প্ৰাচীন স্থাপত্যৰ অনেক নিদৰ্শন পোৱা গৈছে। গুৱাহাটীৰ স্থাপত্যৰ থূপ গুৱাহাটী আৰু আশে-পাশে সিচঁৰিত হৈ

আছে। শুক্রেশ্বৰ পাহাৰৰ জনাৰ্দন আৰু শিৱৰ মন্দিৰ পুৰণি প্ৰাক্-আহোম যুগৰ নতুন সংস্কাৰ। নগাঁও জিলাত বিশেষকৈ দক্ষিণ পূব অংশৰ বহুতো ঠাইত স্থাপত্যৰ উল্লেখযোগ্য নিদৰ্শন পোৱা গৈছে। আৰ্কিয়লজিকেল চাৰ্ভে অৱ ইণ্ডিয়াৰ ১৯৩৬-৩৭ চনৰ প্ৰতিবেদনত তাৰ যুটীয়া প্ৰধান সচিব টি. এন. ৰামচন্দ্ৰনে বিশদভাৱে এই থূপ সম্পদৰ বিষয়ে আলোচনা কৰিছে। এই থূপৰ শিলত কটা নানা স্তম্ভ, পত্ৰাৱলী, পুষ্পাৱলীৰ বাহিৰেও শিৱ আৰু বিষ্ণুৰ মূৰ্ত্তি আপেক্ষিকভাৱে সৰহ। এই থূপৰ স্থাপত্য কলা ষষ্ঠৰ পৰা দ্বাদশ খৃষ্টাব্দৰ বুলি অনুমান কৰা হৈছে। শিৱসাগৰ জিলাৰ দেওপানী আৰু নুমলিগড়ত প্ৰাক্ আহোম যুগৰ স্থাপত্য বিদ্যাৰ নিদৰ্শন পোৱা গৈছে। শিৱসাগৰৰ কেতবোৰ স্থাপত্যৰ সা-সজুলি তাৰ বৰপুখুৰীৰ পৰা উদ্ধাৰ হোৱা বুলি জনা যায়। এয়া একাদশ শতাব্দীৰ বুজি জনা যায়। শদিয়াৰ স্থাপত্যৰ উল্লেখযোগ্য নিদৰ্শন হ'ল — তাম্ৰেশ্বৰী মন্দিৰ। ইয়াৰ ধ্বংসাৱশেষ কেতবোৰৰ পৰা পণ্ডিত সকলে অনুমান কৰিছে যে প্ৰাচীন কালত ইয়াত আৰ্য্যসকলে বাস কৰিছিল। বৰ্ত্তমানৰ মন্দিৰটো অৱশ্যে পোন্ধৰ শ শতাব্দীত চুটিয়া সকলে নিৰ্মাণ কৰা।

অসমৰ স্থাপত্যৰ আলোচনাত আহোম যুগৰ স্থাপত্যৰ বিষয়ে উল্লেখ কৰাটো একান্ত প্ৰয়োজন। আহোম ৰাজত্বৰ স্থাপত্যৰ চানেকি বৰ্ত্তমানো অক্ষত অৱস্থাত দেখা পোৱা যায়। অসমৰ সেমেকা জলবায়ু, বানপানী আৰু ভূমিকম্পৰ গৰাহত পৰি অনেক মূল্যবান সম্পদ কালৰ বুকুত হেৰাই গ'লেও ৰংঘৰ, শিলাসাকোঁ, গড়-আলি আৰু তলাতল ঘৰ আদিয়ে সেই যুগৰ স্থপতি বিদ্যাৰ প্ৰমাণ দাঙি ধৰে। সাধাৰণ মানুহে কাঠ-বাহঁৰ ঘৰ আৰু ৰজা সকলে, বিষয়াবৰ্গই দুমহলীয়া কাৰেং, পাটঘৰ আদিত বাস কৰিছিল। ৰুদ্ৰসিংহদেৱে ৰংঘৰটোও কাঠৰ খুটাঁৰ দুমহলীয়াকৈ সজাইছিল। সাধাৰণ মানুহৰ ঘৰবোৰ দুচলীয়া আছিল। ৰংপুৰত পকীকৰি সজা উক্ত আৰ্হিৰে - খাৰঘৰ, দেবীঘৰ, তলাতলঘৰৰ ওপৰৰ মহলাৰ বাটঘৰ আদি আজিও আছে। কাৰেংঘৰ ৰংঘৰ আদিৰ দুৱাৰ-খিড়িকীত সামান্য পৰিমাণে মোগলাই বা পাৰ্চী আৰ্হি থকা যেন লাগিলেও প্ৰকৃততে আহোমৰ ৰাজত্বকালত অসমীয়াৰ এটা স্বকীয় স্থাপত্য ৰীতি গঢ় লৈ উঠিছিল। আনপিনে কম্বোডিয়াৰ আঙ্কৰ ভাটৰ স্থাপত্য ৰীতিৰ লগত হুবহু মিল থকাটোৱে নিজা টাই-স্থাপত্যৰ প্ৰভাৱৰো সূচনা কৰে। আহোমৰ দিনত ভালেমান শিলাসাঁকো তৈয়াৰ হৈছিল, তাৰ ভিতৰত নামডাং নৈৰ শিলাসাকোঁৰ গাঁথনি অতি চমৎকাৰ। দেখাত এটা প্ৰকাণ্ড শিল কাটি সাকোঁখন তৈয়াৰ কৰা হৈছে। ইয়াৰ উপৰি দৰিকাৰ শিলাসাকোঁ, দিজৈৰ শিলাসাকোঁ, হাঁহচৰা শিলাসাকোঁ, বৰআলিৰ শিলাসাকোঁ আদিও উল্লেখনীয়, চটীয়া শিল শলখামাৰি গাঁথি এই সাঁকো সমূহ নিৰ্মিত কৰা হৈছিল।

আহোম যুগৰ আন এক স্থাপত্যৰ দিশ হ'ল যে এই সময় ঠায়ে ঠায়ে পানী চলাচল কৰিব পৰাকৈ পকী ধোন্দ নিৰ্মাণ কৰা হৈছিল। এই প্ৰসংগত ৰংপুৰ নগৰৰ, ন-দুৱাৰৰ মুখৰ আৰু ন- আলিৰ ধোন্দটো উল্লেখনীয়। পকীঘৰৰ বাবে শিল, ইটা ব্যৱহাৰ কৰা হৈছিল। ধূনা, গুৰ, বৰালী মাছ, চূণ, হাঁহকণী, বৰা চাউলৰ কৰাই গুৰি আদিৰ মিশ্ৰণেৰে প্ৰস্তুত কৰা লোৱেও কাৰেং, গৃহ আদি নিৰ্মিত হৈছিল। কাৰেং ঘৰ, ৰংঘৰ আৰু তলাতৰ ঘৰৰ চানেকী স্থানীয় প্ৰয়োজনীয়তাৰ ভিত্তিত নিৰ্মিত যদিও মন্দিৰ বিলাক উত্তৰ ভাৰতীয় 'নাগৰ শৈলীৰ। আহোম ৰজাৰ মৈদাম সমূহো স্থপতি বিদ্যাৰ উল্লেখযোগ্য নিদৰ্শন। মাটিৰ সমানে চাৰিওফালে কাঠৰ খুঁটাৰে ঘৰ সাজি তাৰ ওপৰত দ'লৰ নিচিনা মৈদাম তোলা হয়। বাঁহ কাঠ আদিৰ স্থাপত্যও মনকৰিবলগীয়া। এই ক্ষেত্ৰত অসমীয়া বাঢ়ৈ, খনিকৰৰ কৃতিত্ব আছিল অপৰিসীম।

থুলমুলভাৱে এয়ে প্ৰাচীন অসমৰ স্থাপত্যৰ চমু বিৱৰণ। প্ৰাচীন কামৰূপৰ এই স্থাপত্যৰ সৈতে ভাৰতৰ হিন্দু স্থাপত্যৰ মূল সূঁতিৰ লগত এক নিবিড় সম্পৰ্ক আছে। অসমৰ বিজ্ঞ পণ্ডিত আৰু প্ৰত্নতাত্বিক সকলৰ প্ৰচেষ্টাত অসমৰ স্থাপত্য ভাস্কৰ্য্যৰ ভালেখিনি চানেকি উদ্ধাৰ হৈছে। তথাপি এই সম্পদৰাজিৰ বিষয়ে সম্পূৰ্ণ ভাৱে জানিবৰ বাবে বৈজ্ঞানিক পদ্ধতিৰে খননকাৰ্য্যৰে ইয়াৰ সম্পূৰ্ণ উদ্ধাৰ আৰু ইয়াৰ উচ্চতৰ অধ্যয়ন একান্ত প্ৰয়োজন।

**ভাস্কৰ্য্য ঃ** স্থাপত্য আৰু ভাস্কৰ্য্যৰ মাজত এটা এৰাব নোৱাৰা সম্পৰ্ক আছে। প্ৰাচীন কামৰূপৰ স্থাপত্য-ভাস্কৰ্য্য ভাৰতীয় স্থাপত্য-ভাস্কৰ্য্যৰ দৰে ঘনিষ্ঠভাৱে সম্পৃক্ত।

স্থাপত্যই ভাস্কৰ্য্যক গঢ়ি উঠিবলৈ দিয়ে আৰু ভাস্কৰ্য্য সংযোগ কৰিবলৈকে যেন স্থাপত্য নিৰ্মাণ হয়। তথাপি এই কথা স্বীকাৰ কৰিব লাগিব যে স্থাপত্যৰ পৰাহে ভাস্কৰ্য্যৰ জন্ম।

ভাস্কৰ্য্য কলাৰ ক্ষেত্ৰত অসম এখন চহকী ৰাজ্য। অসমৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত নিৰ্মিত বিভিন্ন মূৰ্ত্তি দ'ল, দেৱালয়, বেৰ আদিত অসমৰ ভাস্কৰ্য্যৰ চানেকি পোৱা যায়। ভাস্কৰ্য্যৰ ক্ষেত্ৰতো অসমৰ ভাস্কৰ্য্যৰ ধাৰাবাহিক কোনো ইতিহাস পোৱা নাযায়। বিশেষকৈ দ-পৰ্বতীয়াৰ (তেজপুৰ) গুপ্তযুগৰ শিলত কটা দুৱাৰখনৰ চৌকাঠৰ ভাস্কৰ্য্যই প্ৰাক্-গুপ্ত-যুগৰ ভাস্কৰ্য্যৰ প্ৰথম নিদৰ্শন বুলি ধৰা হয়। চৌকাঠৰ শিলত কটা কাৰুকাৰ্য্য অতি মনোমোহা আৰু বিচিত্ৰ। এই ভাস্কৰ্য্য পঞ্চম-ষষ্ঠ শতাব্দীৰ বুলি নিৰ্ণয় কৰা হৈছে। চৌকাঠখনৰ দুয়োকাষে শিল দুছটাৰ ভূমি ভাগত একাষে গঙ্গা আৰু আনকাষে যমুনা, হাতত পুষ্পহাৰ লৈ অতি নাৰীসুলভ ভঙ্গীত থিয় হৈ আছে। ইয়াৰ উপৰিও এই শিল দুছটাত আৰু ওপৰৰ ছবিত লতা ফুল কটা আৰু কেবাটাও সৰু সৰু মূৰ্ত্তি সংলগ্ন কৰা হৈছে। শোণিতপুৰ জিলাত তেজপুৰৰ বামুণি পাহাৰ আৰু কাছাৰীৰ নিৰ্মাণ কালত উদ্ধাৰ হোৱা ভাস্কৰ্য্যৰ চানেকি উচ্চস্তৰৰ। কাছাৰী বাকৰিৰ ভগ্নস্তুপত এনেক উল্লেখযোগ্য ভাস্কৰ্য্যৰ নিদৰ্শনো উদ্ধাৰ হৈছে। এয়া বৰ্ত্তমান ক'ল পাৰ্ক আৰু মিছনাৰিৰ চৌহদৰ সংৰক্ষিত হৈ আছে। প্ৰাচীন কামৰূপৰ ভাস্কৰ সকলে ভাৰতৰ মধ্য যুগৰ ভাস্কৰ সকলৰ দৰে যে শাস্ত্ৰীয় সকলো প্ৰতীক আৰু 'মোটিফ' ব্যৱহাৰ কৰিছিল সেই কথাৰ প্ৰমাণ ইয়াত আবিষ্কাত অলেখ ভাস্কৰ্য্যই দাঙি ধৰে। ইয়াত খোদিত কিছুমান ফুলজালিৰ সৈতে উৰিষ্যাৰ ভাস্কৰ্য্যৰো মিল থকা দেখা যায়। তেজপুৰৰ বামুণি পাহাৰৰ ভগ্নস্তুপৰ ভাস্কৰ্য্য মন কৰিবলগীয়া। এই ভাস্কৰ্য্যৰ সময় অষ্টম-নৱম শতিকা হব বুলি ঠাৱৰ কৰা হৈছে। শোনিতপুৰৰ আন আন ঠাইতো প্ৰাচীন ভাস্কৰ্য্যৰ অলেখ চানেকি পোৱা গৈছে। তাৰ ভিতৰত উল্লেখনীয় ভাস্কৰ্য্য হ'ল -- চাৰিদুৱাৰৰ ভাস্কৰ্য্য, বিহালী, গমিৰি, বিশ্বনাথ আদি ঠাইৰ ভাস্কৰ্য্য।

গুৱাহাটীৰো অনেক ঠাইত প্ৰাচীন ভাস্কৰ্য্যৰ অলেখ নিদৰ্শন পোৱা যায়। শুক্রেশ্বৰ পাহাৰৰ বিষ্ণু জনাৰ্দন মন্দিৰ আৰু তাৰ উত্তৰ পাৰে ব্ৰহ্মপুত্ৰৰ পাৰত পদ্মাসনত প্ৰকাণ্ড বুদ্ধজনাৰ্দনৰ মূৰ্ত্তি আৰু লগতে একেটা শিলতে সূৰ্য্যৰ মূৰ্ত্তি, দুৰ্গাৰ মূৰ্ত্তি, গনেশৰ মূৰ্ত্তি আৰু মুনিৰ মূৰ্ত্তি আছে। উত্তৰ গুৱাহাটীত অৱস্থিত বিষ্ণু মন্দিৰৰ বিষ্ণু মূৰ্ত্তি, ব্ৰহ্মপুত্ৰৰ পাৰত বৃষভৰ ওপৰত কটা দশভূজ শিৱৰ মূৰ্ত্তি আৰু অষ্টাদশভূজা দেৱীৰ মূৰ্ত্তি তথা উমানন্দ, উৰ্বশী আৰু পাণ্ডু আদি ঠাইত অনেক দেৱদেৱীৰ মূৰ্ত্তি আছে। এই মূৰ্ত্তি, শিলাখণ্ড আদিৰ ভাস্কৰ্য্য অতি মনোৰম আৰু উচ্চমান বিশিষ্ট। গুৱাহাটী থূপ ভাস্কৰ্য্যৰ নিৰ্মাণকাল নৱম-দশম শতাব্দী হব বুলি অনুমান কৰা হৈছে। কামাখ্যা মন্দিৰৰ ভাস্কৰ্য্যও উচ্চস্তৰৰ । মন্দিৰৰ উত্তৰ ফালে ব্ৰহ্মপুত্ৰলৈ নামি যোৱা যি শিলৰ বাট আছে, তাৰ শিলাবোৰ চাৰিচুকীয়া, দুই একত খোদাই কৰা চিন পোৱা গৈছে। ভাস্কৰ্য্যৰ কাৰুকাৰ্য্যৰ পৰা এই মন্দিৰ সপ্তম - অষ্টম শতাব্দীৰ বুলি নিৰ্ণয় কৰা হৈছে।

যোগীজান, কাৰৈমাৰি, বৰগঙ্গা, গছতল, বসুন্ধৰী আদি ঠাইৰ ভাস্কৰ্য্যও উল্লেখনীয়। এই থুপ ভাস্কৰ্য্যৰ শিলত নানাধৰণৰ পত্ৰাৱলী, পুষ্পাৱলী, স্তম্ভ আদিৰ ওপৰিও শিৱ আৰু বিষ্ণুৰ মূৰ্ত্তিও আছে। একালৰ নগাওঁৰ প্ৰসিদ্ধ ডবকা ৰাজ্যৰ ভাস্কৰ্য্যৰ ভিতৰত উমালিঙ্গৰ যি মূৰ্ত্তি পোৱা গৈছে তাৰ ভাস্কৰ্য্য অতি মানদণ্ড বিশিষ্ট। এই মূৰ্ত্তিটি বৰ্ত্তমান ৰাজ্যিক সংগ্ৰহালয়ত আছে।

শিৱসাগৰ জিলাৰ প্ৰাপ্ত ভাস্কৰ্য্যৰ লেখ ভালেমান আৰু কাৰুকাৰ্য্য বৈশিষ্ট্যপূৰ্ণ। নুমলিগড়ত গন্ধৰ্ব-কিন্নৰ তথা দেৱদেৱীৰ যি মূৰ্ত্তি আবিষ্কৃত হৈছে তাৰ ভিতৰত এছটা শিলত এলানি নাৰীমূৰ্ত্তিৰ ভাস্কৰ্য্য অতি মনোমোহা। 'প্ৰত্যেক নাৰীমূৰ্ত্তি একেদৰে স্ফীতবক্ষ, মূৰত কিৰিটি কপালত তিলক, দুয়োহাতত পদ্ম লৈ স্মিত, হাস্য ভঙ্গীত চাই আছে; যেনে এজাক অপেশ্বৰীহে উৰি গৈছে। এই জিলাৰ বৰপুখুৰীৰ পৰা উদ্ধাৰ হোৱা ভাস্কৰ্য্য সম্পদবোৰৰ ভিতৰত গজলক্ষী কামদেৱ, অগ্নি, বৰাহঅৱতাৰ, সৰস্বতী আৰু মুনি উল্লেখযোগ্য। ইয়াৰ মূৰ্ত্তিবোৰৰ হাত ভৰি আপেক্ষিক ভাৱে কিছু দীঘল আৰু লাহি আৰু পদ্মৰ ওপৰত প্ৰতিষ্ঠিত। সৰস্বতীদেৱীৰ মূৰ্ত্তিটো ত্ৰিভঙ্গমূৰ্ত্তি।

গোৱালপাৰৰ ভাস্কৰ্য্যৰ ভিতৰত শ্ৰীসূৰ্য্য পাহাৰৰ দুৰ্গামূৰ্ত্তি, শিৱৰ মূৰ্ত্তি আৰু মনসা মূৰ্ত্তি উল্লেখযোগ্য। এয়া

নৱম-দশম শতিকাৰ ভাস্কৰ্য্য বুলি অনুমান হয়। বৰ্ত্তমানে নগা ৰাজ্যৰ অন্তৰ্গত ডিমাপুৰ আৰু অসমৰ পূৰ্ব প্ৰান্তৰৰ শদিয়াৰ স্থাপত্য-ভাস্কৰ্য্যও মন কৰিব লগীয়া। শদিয়াৰ তামেশ্বৰী মন্দিৰৰ ভাস্কৰ্য্যৰ চানেকীও অতি মনোমোহা। মূল মন্দিৰটো আগতেই ধ্বংসপালে যদিও তাৰ ধ্বংসাৱশেষৰ পৰা ইয়াৰ ভাস্কৰ্য্য সম্পৰ্কে উমান পাব পাৰি।

আহোম ৰজাসকলৰ দিনতেই অসমৰ ভাস্কৰ্য্য কলাৰ চৰম বিকাশ ঘটে। এই সময়ছোৱাত শিল, ইটা, কাঠ আৰু ধাতু আদিৰ ওপৰত ভাস্কৰ্য্য কৰা হৈছিল। প্ৰাক্ আহোম যুগতকৈ আহোম যুগৰ ভাস্কৰ্য্য কিছু পৰিমাণে খহটা আৰু স্থূল। জয়দ'লৰ ভাস্কৰ্য্য, গৌৰীসাগৰৰ দ'লৰ বেৰৰ ভাস্কৰ্য্যৰ সৌন্দৰ্য্য, সুষমা আৰু সূক্ষ্মতা উচ্চস্তৰৰ। শিলত কটা ভাস্কৰ্য্যত দেৱ-দেৱীৰ মূৰ্ত্তি, শাস্ত্ৰীয় কাহিনীৰ কোনো কোনো ধৰ্মীয় দৃশ্য, স্বাভাৱিক জীৱনৰ দৃশ্য, গছ-গছনি, জীৱ-জন্তু, ফুল-লতা আদি দেখা যায়। কোনো অংশত ঐতিহাসিক ব্যক্তিৰ চিত্ৰও পৰিলক্ষিত হয়। কাঠ খোদাই ভাস্কৰ্য্যৰ বাবে অসমত কিছুমান খেল নিয়োজিত আছিল। বাঢ়ৈ, খনিকৰৰ দ্বাৰা খাট-পালেং, মুখা, সিংহাসন, চালপীৰা আদি কুন্দত কাটি-নানা চানেকিৰে সজাৰ ওপৰিও ৰং দি ধুনীয়া কৰি তুলিছিল।

অসমৰ ভাস্কৰ্য্যৰ আলোচনাত পোৰামাটিৰ ভাস্কৰ্য্যৰ বিষয়ে আলোচনা নকৰিলে প্ৰবন্ধটি আধৰুৱা হ'ব। অসমৰ পোৰামাটিৰ ভাস্কৰ্য্যৰ চানেকি অতি মনোৰম আৰু বিশিষ্টমানৰ আছিল। ইটা তৈয়াৰত ফুল-লতা আদি সাঁচত মাৰি উলিওৱা হৈছিল। পিছত যথাস্থানত খাজি মনোমত ফুল-লতা গঢ় দি উলিওৱা হৈছিল। পোৰামাটিৰ ভাস্কৰ্য্যৰ এটি আপুৰুগীয়া নিদৰ্শন হ'ল নাতিগোসাঁই দ'লটো। ইয়াত ৰামায়ণৰ কাহিনী অঙ্কনৰ ওপৰিও পৰ্বতীয়া মানুহ, শেনমেলা, ৰজা আদিৰ চিত্ৰও আছে। কৰালৰ সহায়তো দ'ল-দেৱালয়, ঘৰ, গছ-লতা আদিৰ চিত্ৰ গঢ় দিয়া হৈছিল।

ইয়াৰ উপৰিও অসমৰ শিলাসাকোঁৰ ভাস্কৰ্য্যও উচ্চ মানৰ। বৰনদীৰ এটা যানৰ শিলাসাকোঁৰ ভাস্কৰ্য্যও উচ্চ মানৰ। বৰনদীৰ এটা যানৰ শিলসাকোঁৰ ভাস্কৰ্য্য অসমৰ প্ৰাচীন মন্দিৰবোৰৰ ভাস্কৰ্য্যৰ সৈতে মিলে। বৰ্ত্তমানো সত্ৰীয়া কীৰ্ত্তনঘৰৰ খুটা, চ'তি, দুৱাৰ আদিত তথা থাপনা, ঠগী আদিতো ভাস্কৰ্য্য কৰা দেখা যায়। তাতঁ ঢেঁকীশাল আদিৰ মাধ্যমতো বিস্তাৰিত ভাৱে নহলেও কমকৈ হলেও বৰ্ত্তমানো অসমত ভাস্কৰ্য্য কলাৰ চৰ্চা পৰিলক্ষিত হয়।

**সামৰণি ঃ-** ওপৰৰ আলোচনাত আমি চমুকৈ হলেও অসমৰ বিশেষকৈ প্ৰাচীন অসমৰ স্থাপত্য আৰু ভাস্কৰ্য্যৰ এটি বিৱৰণ দিবলৈ প্ৰয়াস কৰিছো। আমাৰ জ্ঞানমতে আমি নিঃসন্দেহ ক'ব পাৰো যে স্থপতি বিদ্যা তথা ভাস্কৰ্য্য কলাৰ চৰ্চাত অসম কোনো কালে পিছ পৰি থকা নাই। প্ৰাচীন অসমৰ স্থাপত্য আৰু ভাস্কৰ্য্যৰ বিষয়ে সম্পূৰ্ণকৈ জানিবলৈ হ'লে বৈজ্ঞানিক পদ্ধতিৰে খননকাৰ্য্য আদিৰ জৰিয়তে পুৰণি সম্পদ ৰাজি উদ্ধাৰ কৰি তাৰ উচ্চমানৰ অধ্যয়ন গৱেষণা আদিৰ প্ৰয়োজন। ইয়াৰ উপৰিও উদ্ধাৰ হোৱা সম্পদবোৰৰ এলানি উৎকৃষ্ট আলোকচিত্ৰ গ্ৰহণ আৰু প্ৰকাশ কৰা উচিত। নহলে এই মূল্যবান সম্পদৰাজিৰ সম্পূৰ্ণ পৰিচয় আৰু ইতিহাস চিৰকাল অজ্ঞাত হৈয়ে থাকিব। (সহায় লৈ) ❑❑❑

➪ এজন বেয়া মানুহে দিয়া বেয়া উপদেশতকৈ এজন ভাল মানুহে দিয়া বেয়া উপদেশ বেছি বিপজ্জনক।

— কনৰ ক্ৰুইজ অ'ব্ৰিয়ন।

# ভ্রমণ



# দুটি স্মৃতি কলকাতা আৰু দাৰ্জিলিং ভ্ৰমণৰ

ৰফিবুল ইছলাম (ৰৌচন), স্নাতক ৩য় বৰ্ষ (কলা)

২০০০ চনৰ ১১ জানুৱাৰী; নিশা ১১ বাজি ৩০ মিনিট। আমি ১৭ জনীয়া দলটোৱে নিজৰ নিজৰ টালি- টোপোলা লৈ কলেজ ষ্টুডিঅ'ৰ সন্মুখত গোট খালো। উদ্দেশ্য এছ্কাৰছন কলকাতা অভিমুখে। দলৰ নেতৃত্বত থকা ছাৰ দুজন ক্ৰমে ভবেন চন্দ্ৰ নেওগ আৰু হৃষিকেশ কলিতা লগত বাইদেউ দুগৰাকী। সৰ্বমুঠ আমি ২২ জন। জানুৱাৰী মাহৰ হাড় কপোঁৱা ঠাণ্ডাৰ মাজেৰে সেমেকা কুঁৱলি ফালি আগবাঢ়িছে আমাৰ ছিক্স-জিৰ'-নাইন গুৱাহাটী ৰেল ষ্টেচন অভিমুখে। কাৰো মুখত মাত নাই আটাইয়ে নিজৰ নিজৰ চিন্তাত বিভোৰ। ১২ তাৰিখে ষ্টেচনত আমি পুৱতি নিশা প্ৰায় ৪ মান বজাত উপস্থিত হওঁ। পুৱা ৫-৩০ বজাত ত্ৰিবান্দ্ৰম এক্সপ্ৰেছত আমি যাত্ৰা আৰম্ভ কৰো। দীঘল উকি মাৰি ৰেল আগবাঢ়িল। "মানুহ পৰিস্থিতিৰ দাস" ৰেলত উঠাৰ কিছু সময় পিছত আমাৰ আটাইৰে পৰিবৰ্তন হোৱা দিশটো সচায়ে আচৰিত। গোমোঠা মুখত হাঁহিৰ ঢৌ খেলি গ'ল। বিশেষকৈ ছাৰ বাইদেউহঁত আমাৰ লগত এনেদৰে মিলি গ'ল যে তেওঁলোক আমাৰ ছাৰ বাইদেউ নহয় যেন আমাৰ হিতাকাঙ্খী বন্ধু বান্ধবীহে। নানা ধৰণৰ ধেমালিৰ মাজেৰে আমাৰ যাত্ৰা আনন্দময় হৈ পৰে। মই লাহেকৈ খিৰিকিৰ কাষৰ ছিট এটা দখল কৰি 'আই অসমী চিৰ চেনেহী'ৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাধুৰ্য্য পান কৰাত ব্যস্ত হৈ পৰিলো।

কোনো অসুবিধা নোহোৱাকৈ আমি ১৩ তাৰিখে পুৱা ৪-৩০ বজাত হাওড়া ষ্টেচন পালোগৈ। তিনিখন গাড়ী ভাড়া কৰি আমি "আসাম হাউচ" অভিমুখে যাত্ৰা কৰিলো। হাওড়া ব্ৰীজখন পাৰ হোৱাৰ লগে লগে আমাৰ গাড়ীৰ চকা ফুটিল; চকা লগাই পুনৰ যাত্ৰা আৰম্ভ কৰিলো। আসাম হাউচৰ ওচৰত বাকী দুখন গাড়ীয়ে উদ্বিগ্ন ভাবে আমালৈ বাট চাই আছে। আমি আটায়ে টালি টোপোলা বোৰ গোটাই আসাম হাউচৰ কাষত বহিলো। হঠাৎ নেওগ ছাৰৰ হাতত থকা কেমেৰা তিৰবিৰাই উঠিল। লগে লগে আৰম্ভ হ'ল ফটো তোলা পৰ্ব। ৯ মান বজাত আমি আটাইয়ে নিজৰ নিজৰ ৰুম ঠিক কৰিলো। ১১ মান বজাত আমি ওচৰতে থকা হোটেল এখনত দুপৰীয়াৰ আহাৰ খাই ল'লো। অলপ জিৰণি লৈ আমি মহানগৰীৰ জনসমুদ্ৰৰ মাজত মিলি গ'লো কলিকতা চোৱাৰ উদ্দেশ্যে। প্ৰথমেই আমি "বিৰলা প্লেনেটেৰিয়াম চালো। ইয়াৰ পিছত আমি গৈ উপস্থিত হলো প্ৰতাপী বৃটিছ সম্ৰাজ্ঞী মহাৰাণী ভিক্টোৰিয়াৰ নামেৰে নামাংকিত কৰা ভিক্টোৰিয়া মেমৰিয়েলত। আটোম টোকাৰীকৈ সজাই থোৱা অতীতৰ স্মৃতিবোৰ চালেই মনটো উৰা মাৰে অতীতলৈ। মনতে গৰ্ব অনুভৱ কৰিলো ভাৰতৰ দৰে মহান দেশখনৰ বাসিন্দা হবলৈ পাই। লানি নিচিঙা মানুহৰ ভিৰৰ প্ৰত্যেকৰ মন যেন অতীত স্মৃতি ৰোমন্থন কৰিবলৈ ব্যগ্ৰ হৈ পৰিছে। ধুনিয়া ধুনিয়া ডেকা গাভৰু বোৰ যোৰ পাতি আগফালৰ বৃহৎ বাগিছাৰ চুকে কোণে বহি নিজেই নিজৰ মাজত মছগুল হৈ পৰিছে য'ত নাই কোনো বাধা। তাৰ পিছত আমি উপভোগ কৰিলো ভাৰতৰ ভিতৰত অকল কলিকতাত থকা মেট্ৰ'ট্ৰেইনৰ যাত্ৰাৰ অনুভৱ। সঁচায়ে আচৰিত লাগে মাটিৰ তলত ৰেলৰ কাৰিকৰী ব্যৱস্থা দেখিলে। ৰেলৰ ইঞ্জিনৰ পৰা দুৱাৰ বন্ধ খোলালৈকে সম্পূৰ্ণ ইলেকট্ৰিচিটিৰ দ্বাৰা চলে, এই দ্ৰুতগামী ট্ৰেইনখন। আমি ৰবীন্দ্ৰ ভবন পৰা পাৰ্ক ষ্ট্ৰীট (park

street) লৈ যাত্ৰা কৰি তাৰ পিছত নিউ মাৰ্কেটত অলপ বজাৰ কৰি নিশাৰ আহাৰ canteen তেই কৰি বিচনাত পৰিলো পিছদিনাৰ যাত্ৰাৰ বাবে।

পিছদিনা ১৪ তাৰিখ। আমি নেচ'নেল মিউজিয়ামলৈ যাওঁ য'ত সংৰক্ষণ হৈ আছে অতীতৰ কিছুমান স্বাক্ষৰ। ভাৰতবৰ্ষৰ নানাজাতিৰ কলা সংস্কৃতিবোৰ ভিতৰত সুন্দৰকৈ সজাই থোৱা আছে। দুখৰ বিষয় আমাৰ অসমীয়া সংস্কৃতিৰ কোনো অস্তিত্বই বিচাৰি নাপালো। নাজানিলো কলিকতাবাসীয়ে অসমক বাকী ভাৰতীয় ৰাজ্য তথা জাতিৰ পৰা কিয় পৃথক কৰি ৰাখিলে? মিউজিয়ামত থকা বিশাল আকাৰৰ হাতী, তিমি আদি নানা তৰহৰ জীৱ জন্তুৰ কংকালবোৰ দেখিলেই মনত এক শিহৰণ অনুভৱ হয়। লগত নিয়া কেমেৰাৰে দলগতভাৱে তথা ছাৰ বাইদেউৰ লগত সকলোৱেই photo উঠিলো। কিন্তু তাৰ বাবেও ৫০ টকা ভৰিব লগা হ'ল। মিউজিয়ামৰ ভিতৰত photo তুলিবলৈ অনুমতি লাগে প্ৰতি কেমেৰাত ৫০ টকাকৈ। তাৰ পৰা ওলাই আহি দেখো ১ বাজি গ'ল। লৰালৰিকৈ আসাম হাউচলৈ খোজ ল'লো। দুপৰীয়াৰ আহাৰ canteen ত গ্ৰহণ কৰি ২ মান বজাত পুনৰ ওলাই গ'লো বজাৰৰ ফালে বস্তু বাহানি কিনা তথা যোৱাৰ উদ্দেশ্যে। আমাৰ লগত গাইড হিচাবে আসাম হাউচৰ দুজন ব্যক্তিও গ'ল।

পিছ দিনা ১৫ জানুৱাৰী। চাৰিখন টেক্সি ভাড়া কৰি আটাইয়ে ওলাই যাওঁ। আসাম হাউচৰ পৰা পোনে পোনে আমি "নিকো পাৰ্ক" লৈ যাওঁ। তাত টয় ৰেলেৰে (Toy train) আটাইয়ে পাৰ্কৰ চৌদিশ ঘুৰি লওঁ। নানা ধেমালিৰে আটাইয়ে ওলাই আহিলো। নিকো পাৰ্কৰ ওচৰত থকা হোটেল এখনত আমি দুপৰীয়াৰ আহাৰ খাই ল'লো। ইয়াৰ পিছত আমাৰ যাত্ৰা আৰম্ভ হয় চাইন্স চিটি (Science city) অভিমুখে। কলকাতা মহানগৰীৰ বহল ৰাস্তাৰে আমাৰ গাড়ী আগবাঢ়িছে তীব্ৰ গতিত। যথা সময়ত আমি আমাৰ গন্তব্য স্থান পালো। কেৱল বাচৰ সহায়ত আমি এপাক ঘুৰি ললো গোটেই চাইন্স চিটিখন। বিজ্ঞান আৰু প্ৰযুক্তিৰ চমকেৰে সজোৱা এইখন এখন মনোমোহা জগত। ধুনিয়া ধুনিয়া বাগিছা আৰু তাৰ মাজে মাজে থকা সৰু সৰু ৰাস্তাৰে গোটেই পৰিবেশটোক বৰ মনোমোহা দৃষ্টিনন্দন কৰি তুলিছিল। বিজ্ঞানৰ কলা কৌশল বোৰ দেখি সচাঁয়ে তবধ মানিবলগীয়া। আমি যেন কোনোবা কল্পনাৰ ৰাজ্যত বিচৰণ কৰিছো। নানা ধৰনৰ গ্ৰহ বোৰৰ আকৃতিত ঘৰবেৰ নিৰ্মান কৰা হৈছে। আমি তাত থকা স্পেচ্ থিয়েটাৰ খন চালো। মাত্ৰ তিনিবছৰ আগতে নিৰ্মান হোৱা চাইন্স চিটিৰ অন্য এক মুখ্য আকৰ্ষণ এই স্পেচ্ থিয়েটাৰ। ভাৰতৰ একমাত্ৰ কলিকতাত আছে। ইয়াৰ পিছত মৰিচাচত হে ইয়াক নিৰ্মান কৰা হৈছে। ত্ৰিমাত্ৰিক ভাৱে দেখুওৱা প্লেনেটেৰিয়ামৰ আৰ্হিত বনোৱা এই থিয়েটাৰৰ কাৰিকৰী দিশটো সচাঁয়ে অভিনৱ। তাৰ পৰা উলাই আহি আমি প্ৰবেশ কৰো ডাইন'চৰ জগতত। তাত বিভিন্ন দেশৰ পৰা অহা মানুহৰ সৈতে আমাৰ দেখা সাক্ষাৎ হ'ল। বৃহৎ আকৃতিৰ ডাইন'চৰ বিলাকৰ প্ৰতিমূৰ্ত্তি দেখি মনত এনে ভাৱ হয় সঁচাকৈ এনে ধৰনৰ প্ৰাণী পৃথিৱীত বাস কৰিছিল নে? এইবোৰ এতিয়া জাগ্ৰত হলে মানুহৰ কি অৱস্থা হব! ইত্যাদি নানা ধৰনৰ প্ৰশ্ন মনত উদয় হয়। ইয়াৰ পিছত আমাৰ যাত্ৰা আৰম্ভ হয় "কেবোল ব্ৰীজৰ" ফালে বা "বিদ্যাসাগৰ সেতু" অভিমুখে। কিছুমান কেবোলৰ ওপৰত এখন বৃহৎ দলং ওপঙি আছে, তাৰ মাজেৰে শ শ গাড়ী পাৰ হৈ গৈছে। ইয়াৰ পিছত আমি গোটেই মহানগৰ খন ঘুৰি পুনৰ আসাম হাউচত উপস্থিত হওঁ। নিশা আহাৰ গ্ৰহণ কৰি আটায়ে বিছনাত বাগৰ দিলো। দিনটোৰ ভাগৰৰ অবসাদ বোৰ লৈ নিদ্ৰাদেবীৰ কোলাত সোনকালেই আশ্ৰয় ললো পিছ দিনাৰ কথা ভাবি।

১৬ জানুৱাৰী, আমাৰ বিদায় লোৱাৰ পৰ কলিকতাৰ পৰা। দিনৰ ২ বজাত ট্ৰেইন। গতিকে পুৱা ভাগত সৰু সুৱা দুই এপদ বজাৰ কৰি আটাইবোৰে নিৰ্দিষ্ট সময়ত গৈ হাওড়া ষ্টেচনত উপস্থিত হওঁ। ৫-৩০ বজাত আমাৰ যাত্ৰা আৰম্ভ হয় বাংগালোৰ এক্সপ্ৰেছত গুৱাহাটী অভিমুখে।

নিউ জলপাই গুৰিত ট্ৰেইন ৰৈ গ'ল। গম পালো ৪৮ ঘন্টা

3rd : Farjana Shehna T.D.C. 1st (Sc)Syar.
3rd Joyanta Bora, illness Consolation
4th : Manjet Baruah, T.D.C. 3rd year.

## FLOWER DECORATION

(1) First Prize : Luna Gogoi, H.S. 2nd year (A)
(2) Second Prize : Kanchan Beheti, T.D.C.3rd year (A)
(3) Third Prize : Sanjit Roy, H.S. 1st year (A)

❑❑❑

# RESULTS OF MAJOR GAMES 1999-2000 COLLAGE WEEK

## A. RESULT OF MARATHAN RACE

1st Palash Deka, T.D.C. 2nd year (Arts)
2nd Simanta Konwar, T.D.C. 1st year (Arts)
3rd Arup Deka, T.D.C. 1st year (Arts)
4th Dipmoni Deka, T.D.C. 2nd year (Arts)
5th Bapan Sarmah, H.S 1st Year (Arts)
6th Hiten Deka, T.D.C. 1st year (Arts)
7th Mridul Deka, T.D.C. 1st year (Arts)
8th Raju Kr Deka, T.D.C. 2nd year (Arts)
9th Achyut Das, T.D,C. 3rd year (Arts)
10th Pabitra Deuri, T.D.C. 2nd year (Sc)
11th Jitendra kr.Biswas, T.D.C. II yr (Arts)
12th Nirmal Sarkar, T.D.C. II yr (Arts)
13th Madan Sen, T.D.C. III yr (Arts)
14th Biplab Sarkar, H.S. II yr (Arts)
15th Paban Sarma, T.D.C. 3rd yr (Sc)
16th Kirti Kamal Deka, H.S. II yr (Sc)
17th Amarjyoti Gogoi, T.D.C. III yr (Arts)
18th Jyoti Prasad Bora, T.D.C. III yr (Sc)

## RESULT OF 100 METER RACE

**Boys :**
1st Jayanta Dutta, T.D.C. III yr (Arts)
2nd Uttam Bora, H.S. 2nd yr (Arts)
3rd Babul Swargiary, T.D.C. 2nd yr (Arts)

**Girls**
1st Kabita Sarkar, H.S. 1st yr (Arts)
2nd Tarali Deka, T.D.C. 1st yr (Arts)
3rd Farzana Shehla, T.D.C. 1st yr (Sc)

## RESULT OF 200 METRES RACE

**Boys**
1st Munindra Senapati, H.S. 1st yr (Arts)
2nd Simanta Konwar, T.D.C. 1st yr (Arts)
3rd Mridul Deka, T.D.C. 1st yr (Arts)

**Girls**
1st Kabita Sarkar, H.S. 1st yr (Arts)
2nd Evamoni Bora, H.S. 1st yr (Sc)
3rd Rupamoni Bhagawati, H.S 1st yr (Arts)

## RESULT OF 400 METERS RACE

**Boys**
1st Simanta Konwar, T.D.C. 1st yr (Arts)
2nd Utpal Bora, T.D.C. 1st yr (Sc)
3rd Rasid Ali, T.D.C. 2nd yr ( Sc)
Mantu Deka, T.D.C. 1st yr (Sc)

**Girls**
1st Kabita Sarkar, H.S. 1st yr (Arts)
2nd Tarali Deka, T.D.C 1st yr (Arts)
3rd Evamoni Bora, H.S. 1st yr (Sc)

## RESULT OF 800 METRES RACE

**Boys**
1st Simanta Konwar, T.D.C. 1st yr (Arts)
2nd Mridul Deka, T.D.C. 1st yr (Arts)
3rd Bhaskar Narayan Dewri, T.D.C. 2nd yr (Arts)

## RESULT OF 1000 METRES RACE

**Boys**
1st Simanta Konwar, T.D.C. 1st yr (Arts)
2nd Palash Deka, T.D.C. 2nd yr (Arts)
3rd Mridul Deka, T.D.C. 1st yr (Arts)
4th Dilip Bordoloi, T.D.C. 1st yr (Arts)
5th Sashikant Pandey, T.D.C. 2nd yr (Sc)
6th Rasid Ali, T.D.C. 2nd yr (Sc)
7th Biplab Das, H.S. 2nd yr (Arts)
8th Raju kr. Deka, T.D.C. 2nd yr (Arts)

## RESULT OF 1500 METRES RACE

**Boys**
1st Palash Deka, T.D.C. 2nd yr (Arts)
2nd Mridul Deka, T.D.C. 1st yr (Arts)
3rd Sashikant Pandey, T.D.C. 2nd yr (Sc)
4th Aizul Hoque, H.S. 2nd yr (Arts)
5th Dhanti Nath, T.D.C. 1st yr (Arts)
6th Rasid Ali, T.D.C. 2nd yr (Sc)
7th Raju kr Deka, T.D.C. 2nd (Arts)
8th Bhaskar Dewri, T.D.C. 2nd yr (Arts)
9th Madan Sen, T.D.C. 3rd yr (Arts)
10th Biplab Das, H.S. 2nd yr (Arts)

## RESULT OF LONG JUMP

**Boys:**
1st Babul Swargiary, T.D.C. 2nd yr (Arts)
2nd Rajib Deka, T.D.C. 2nd yr (Sc)
3rd Biplab Das, H.S. 2nd yr (Arts)

**Girls :**
1st Tarali Deka, T.D.C. 1st yr (Arts)
2nd Kabita Sarkar, H.S. 1st yr (Arts)
3rd Rupamoni Bhagawali, H.S 1st yr (Arts)

## RESULT OF JEVELINE THROW

**Boys**
1st Dipen Bey, T.D.C. 3rd yr (Arts)
2nd Ajit Kr Bordoloi, T.D.C. 3rd yr (Arts)
3rd Krishna Teron, T.D.C. 1st yr (Arts)

**Girls**
1st Tarali Deka T.D.C. 1st yr (Arts)
2nd Pushpanjali Bordoloi, H.S. 2nd yr (Arts)
3rd Mallika Konwar, T.D.C. 2nd yr (Arts)

## RESULT OF SHOT PUT THROW

**Boys**
1st Ajit kr Brahma, T.D.C. III yr (Sc)
2nd Anupam Duwarah, H.S. 2nd yr (Arts)
3rd Uttam Bora, H.S. 2nd yr (Arts)

**Girls**
1st Tarali Deka, T.D.C. 1st yr (Arts)
2nd Puspanjali Bordoloi, H.S. 2nd yr (Arts)
3rd Sarumai Armchi, T.D.C 2nd yr (Arts)

## RESULT OF DISCUS THROW

**Boys**
1st Ajit Kr Brahma, T.D.C. 3rd yr (Sc)
2nd Krishna Teron, T.D.C. 1st yr (Arts)
3rd Indrajit Konwar, H.S. 1st yr (Arts)

**Girls**
1st Sarumain Armchi, T.D.C. 2nd yr (Arts)
2nd Tarali Deka, T.D.C. 1st yr (Arts)
3rd Kabita Sarkar, H.S. 1st yr (Arts)

## RESULT OF HIGH JUMP

**Boys**
1st Rajib Deka, T.D.C. 2nd yr (Sc)
2nd Dipak Handique, T.D.C. 2nd yr (Arts)
3rd Apurba Deka, T.D.C. 1st yr (Arts)

## RESULT OF 4X100 METERS RELAYS

**Boys**

1st Grop
Babul Swagiary, T.D.C. 2nd yr(Arts)
Uttam Bora, H.S. 2nd yr (Arts)
Rajib Deka, T.D.C. 2nd yr (Sc)
Rasid Ali, T.D.C. 2nd yr (Sc)

2nd Grop
Mridul Deka, T.D.C. 1st yr (Arts)
Pranab Mahanta, T.D.C. 1st yr (Arts)
Dilip Bordoloi, T.D.C. 1st yr (Arts)
Anup Bangthai, H.S. 1st yr (Arts)

3rd Grop
Raju Kr. Deka, T.D.C. 2nd yr (Arts)
Simanta Konwar, T.D.C. 1st yr (Arts)
Hiten Deka, T.D.C 1st yr (Arts)
Basuba nanda Goswami, T.D.C. 2nd yr (Sc)

## BEST PLAYER

**Boys** Simanta Konwar, T.D.C. 1st yr (Arts)
**Girls** Tarali Deka , T.D.C. 1st yr (Arts)

**Raju kr Deka**
Games Scey (Major)

❑❑❑

# অভিনন্দন

## মামণি ৰয়চম গোস্বামীলৈ—

দুটা দশকৰ অন্তত দ্বিতীয়বাৰলৈ অসমীয়া সাহিত্যৰ বাবে আহিল দেশৰ সাহিত্য ক্ষেত্ৰৰ শীৰ্ষ সন্মান জ্ঞানপীঠ। বাস্তৱক উপন্যাসত জীৱন্ত ৰূপ দিয়া মামণি ৰয়চম গোস্বামীয়ে জীৱনযোৰা সাধনাৰ বাবে লাভ কৰিলে জ্ঞানপীঠ বঁটা। অসমীয়া সাহিত্য তথা জাতীয় জীৱনলৈ ই এক বিৰল স্বীকৃতি। সেয়েহে এই দুঃসাহসী লেখিকা গৰাকীলৈ আমাৰ আন্তৰিক আভিনন্দন।



মানৱ দৰদী লেখিকাগৰাকীৰ অভিমত যে “মানুহেই মানুহক অন্ধকাৰৰ পৰা পোহৰলৈ আনিব পাৰে-- মানুহেই মানুহক নতুন জীৱন দান দিব পাৰে। পৃথিবীত প্ৰেম আৰু মহানুভৱতাই এই কাম কৰিব পাৰে’ ---

“আধা লেখা দস্তাবেজ”



কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ
ড° আলটাফুৰ ৰহমান



উপাধ্যক্ষ কাৰ্য্যালয়ৰ কক্ষত
শ্ৰীউৎপলমণি ফুকন



**বহি বাওঁফালৰ পৰা ঃ** তত্বাবধায়ক সকল ক্ৰমে শ্ৰীওমপ্ৰকাশ ডেকা, শ্ৰীহৃষিকেশ কলিতা, ড° অনিল বৰা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° আলটাফুৰ ৰহমান, শ্ৰীমুনিন তহবিলদাৰ, ড° জ্যোতিৰ্ময় দাস চৌধুৰী, শ্ৰীকাননধৰ চৌধুৰী, শ্ৰীৰুদ্ৰ দাস।

**থিয় হৈ বাওঁফালৰ পৰা ঃ** ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল (২০০০-২০০১ চন) ক্ৰমে হিতেন ডেকা, ৰাজু কুমাৰ ডেকা, প্ৰহ্লাদ কাকতি, অপূৰ্ব ডেকা, প্ৰতিযা বৰা, তৰালী ডেকা, সুচিত্ৰা গৌতম।



মহাবিদ্যালয়ৰ 'নৱাগত আদৰণি' অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকাৰ দৃশ্য। ছবিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ অধ্যক্ষা ড° জয়শ্ৰী গোস্বামী মহন্তই উন্মোচন কৰি স্বাক্ষাৰ প্ৰদান কৰা দেখা গৈছে।

২০০০ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱত জাগীৰোড মহাবিদ্যালয়ৰ হৈ একাংক নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ২য় শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হোৱা দলটি।



বহি বাওঁ ফালৰ পৰা - শ্ৰীঅজিত কুমাৰ বৰদলৈ, শ্ৰীমতী প্ৰভা ৰাজখোৱা, শ্ৰীমুকুট বৈশ্য
ঠিয় হৈ বাওঁফালৰ পৰা - শ্ৰীঅপূৰ্ব্ব ডেকা, শ্ৰীসঞ্জীৱ ডেকা



প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি ড° জয়শ্ৰী গোস্বামী মহন্তই ভাষন প্ৰদান কৰা দেখা গৈছে। কাষত অসমৰ খ্যাতনমা কথা সাহিত্যিক ড° লক্ষীনন্দন বৰা।



২০০০ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱত জাগীৰোড মহাবিদ্যালয়ৰ হৈ "ব্যাঙ্গ নাট" প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ২য় শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হোৱা দলটি।
বহি বাঁওফালৰ পৰা ঃ শ্ৰীদীপাংকৰ দত্ত বৰুৱা, শ্ৰীপিংকু শইকীয়া, শ্ৰীনৱণীত বৰঠাকুৰ, মঃ শ্বাহজামান আহমেদ
ঠিয় হৈ বাওঁফালৰ পৰা ঃ শ্ৰীঅজিত কুমাৰ বৰদলৈ, শ্ৰীৰাজদীপ দে, মঃ শ্বাহনুৰাজ আহমেদ, মঃ ফাৰুক আহমেদ, শ্ৰীযতীণ ডেকা



২০০০/২০০১ বৰ্ষৰ যুৱ মহোৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰাত
জাগীৰোড মহাবিদ্যালয়ৰ অংশ গ্ৰহনৰ দৃশ্য।



২০০০/২০০১ বৰ্ষৰ যুৱ মহোৎসৱৰ সাংস্কৃতিক
শোভাযাত্ৰাত অংশগ্ৰহণ।



২০০০ /০১ বৰ্ষৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত যোগদান
কৰা জাগীৰোড মহাবিদ্যালয়ৰ দলটি অধ্যক্ষৰ সৈতে।



২০০০ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত জাগীৰোড মহাবিদ্যালয়ৰ হৈ প্ৰতিনিধিত্ব কৰা দলটি



তত্বাবধায়ক সকল ক্ৰমে বাওঁফালৰ পৰা ঃ শ্ৰীকাননধৰ চৌধুৰী, শ্ৰীৰঞ্জু গগৈ চুতীয়া, শ্ৰীহৃষিকেশ কলিতা, শ্ৰীওমপ্ৰকাশ ডেকা।

# ১৯৯৯ - ২০০০ৰ বিভাগীয় সম্পাদকসকল



**Raju Kr. Deka**
Games (major) Secretary
1999-2000



**Hemanta Goswami**
A.G.S. and Games
(minor) Secretary
1999-2000



**Navneet Borthakur,**
General Secretary 1999-2000



**Rajdeep Dey**
Cultural Secretary
1999-2000



**Miss Luna Gogoi**
Girls Common Room Secretary
1999-2000



**শ্ৰীঅজিত কুমাৰ বৰদলৈ**

২০০০ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃমহাবিদ্যালয় যুৱ- মহোৎসৱত জাগীৰোড মহাবিদ্যালয়ৰ হৈ একাংক নাট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰীঅজিত কুমাৰ বৰদলৈয়ে ২য় শ্ৰেষ্ঠ অভিনেতা হিচাপে পুৰস্কাৰ লাভ কৰে। আৰু ২০০১ চনৰ উক্ত প্ৰতিযোগিতাতো শ্ৰী অজিত কুমাৰ বৰদলৈয়ে শ্ৰেষ্ঠ অভিনেতা হিচাপে পুৰস্কাৰ লাভ কৰে। উল্লেখ যোগ্য যে, ২০০০ চনত পুৰস্কাৰ লাভ কৰা নাট খনৰ নাট্যকাৰ তথা পৰিচালক তেওঁ নিজেই আছিল।



শ্ৰীৰূপজ্যোতি গগৈ,
এওঁ ২০০০ চনত পদাৰ্থ বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিছে।



**শ্ৰীপিংকু শইকীয়া**

২০০০ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃমহাবিদ্যালয় যুৱ- মহোৎসৱত জাগীৰোড মহাবিদ্যালয়ৰ হৈ "জ্যোতি সঙ্গীতত" ৩য় শ্ৰেষ্ঠ আৰু "লোক সংগীতত" ২য় শ্ৰেষ্ঠ সন্মান লাভ কৰে।

# ২০০০ - ২০০১ৰ বিভাগীয় সম্পাদকসকল



**Hiten Deka**
Boy's Common Room Secretary



**Prahlad Kakati**
Cultural Secretary



**Apurba Deka**
General Secretary



**Tarali Deka**
Girls Common Room Secretary



**Mridul Deka**
Major Games Secretary



শ্ৰীপলাশ প্ৰান্তিক ডেকা
১৯৯৮-৯৯, ২০০০-২০০১ বৰ্ষৰ
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ মাৰাথন
দৌৰ বিজয়ী। লগতে
২০০০-২০০১ বৰ্ষৰ মহাবিদ্যালয়
সপ্তাহৰ শ্ৰেষ্ঠ খেলুৱৈ।



**Rasid Ali**
Social service Secretary



শ্ৰীশ্বাশ্বতী ভূঞা
শ্ৰেষ্ঠা গায়িকা
(মহাবিদ্যালয় সপ্তাহ, ২০০০চন)



**Deep Rajbanshi**
Secretary, L & D

# বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

# ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
## বৰ্ষ ( ১৯৯৯-২০০০)

ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ পৰম পূজনীয় শ্ৰদ্ধাৰ শিক্ষা-গুৰু সকললৈ ভক্তি ভৰা প্ৰণিপাত নিবেদন কৰিছো। যি সকল মহান সমাজ সেৱকৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত এই জ্ঞান মন্দিৰ "জাগীৰোড মহাবিদ্যালয়" খনি গঢ় লৈ উঠিল সেই সকল মহান ব্যক্তিলৈকো মই শ্ৰদ্ধাৰ অৰ্ঘ্য আগবঢ়ালো। লগতে শিক্ষানুষ্ঠানখনিলৈ অৰিহণা আগবঢ়োৱা বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান সংগঠন আৰু শুভাকাংক্ষীলৈকো মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছো।

১৯৯৯-২০০০ চনৰ বছৰটোৰ বাবে জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাপে মোক নিৰ্বাচন কৰি ছাত্ৰ-ছাত্ৰী সকলে নেতৃত্ব দিয়াৰ সুযোগ কণ দিয়াৰ কাৰণে সমূহ সতীৰ্থ বন্ধু বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলো।

অসমৰ বিভিন্ন সংগ্ৰামত যি সকল পৱিত্ৰ আত্মাক আমি হেৰুৱালো সেই ব্যক্তিসকলৰ পুণ্যাত্মাকো শ্ৰদ্ধাৰে সোঁৱৰিছো।

১৯৯৯-২০০০ চনৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাপে মোৰ কৰিব লগা বিশেষ নাই বুলিয়ে কব পাৰি। কিন্তু সকলো বিভাগকে সমানে সহায় আগবঢ়োৱাতো মোৰ কৰ্তব্য হিচাপে ধৰি লৈছিলো। তথাপিটো সেই সময়ত এটা বিশেষ দায়িত্ব লব লগা হৈছিল, সেইটো হ'ল লঘু ক্ৰীড়া বিভাগটো কাৰণ এই বিভাগত থকা সম্পাদকৰ বিশেষ অসুবিধাত সেই দায়িত্ব লব লগা হ'ল। সেই হিচাপে মই মহাবিদ্যালয় সপ্তাহটোত সুকলমে পাৰ কৰিলো। লঘু ক্ৰীড়া খেল হিচাপে,ভলিবল, কাবাদী, বেডমিন্টন, কেৰম, দবা, আদি বিভিন্ন প্ৰতিযোগিতা সমূহ কৰিব লগা হয়। সেই হিচাপে সকলোৰে সহযোগিতাত মই মোৰ বিভাগৰ খেল সুকলমে সামৰো ইয়াৰ লগতে বিভিন্ন সময়ত সকলোকে সহায় সহযোগ কৰিবলৈ সুবিধা পাওঁ।

সদৌ শেষত মই মোৰ কাৰ্য্য কালত যি সকল শিক্ষা-গুৰু, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে সহায় আগবঢ়ালে সেই সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো।

জয়তু জাগীৰোড মহাবিদ্যালয়

**শ্ৰীহেমন্ত গোস্বামী**
ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক
ছাত্ৰ-একতা সভা ১৯৯৯-২০০০
জাগীৰোড মহাবিদ্যালয়।

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন
## (২০০০ - ২০০১ বৰ্ষ)

প্ৰতিবেদনৰ আৰম্ভনিতে মোৰ পৰম পূজনীয়া শিক্ষা গুৰু সকললৈ ভক্তি ভৰা সেৱা আগবঢ়ালো। মোক এবছৰ সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচন কৰি সাংস্কৃতিক বিভাগৰ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে প্ৰতিবেদনৰ আৰম্ভনিতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। যি সকল মহান সমাজ সচেতকৰ অপ্ৰান কষ্ট আৰু ত্যাগৰ বিনিময়ত এসময়ত উচ্চশিক্ষাৰ কোনো সুবিধা নথকা এই অঞ্চলত এই "জ্ঞান মন্দিৰ" কপিলি আঞ্চলিক মহাবিদ্যালয়, নামেৰে আত্ম প্ৰকাশ কৰি বৰ্ত্তমান "জাগীৰোড মহাবিদ্যালয়" নামেৰে অসমৰ উচ্চ শিক্ষাৰ জগতত এক বিশেষ স্থান অধিকাৰ কৰাৰ সুবিধা আগবঢ়োৱা সেই মহান পিতৃমাতৃ সকললৈ প্ৰতিবেদনৰ আৰম্ভনিতে শ্ৰদ্ধা নিবেদন কৰিছো।

আমাৰ মহাবিদ্যালয় খন প্ৰতিষ্ঠা হোৱা বিশ বছৰ হল। মহাবিদ্যালয়ত প্ৰতি বছৰে সাংস্কৃতিক সম্পাদক নিৰ্বাচিত হয় আৰু তেওঁলোকৰ কাৰ্য্যকালত কৰিব লগীয়া কাম সমূহ কৰি গুচি যায়। কিন্তু কোনো দিনে সাংস্কৃতিক বিভাগত থকা অভাৱ সমূহৰ প্ৰতি দৃষ্টি নিদিয়ে। আমি কাৰ্য্য ভাৰ গ্ৰহণ কৰিয়েই এই অভাব সমূহ দূৰ কৰাৰ মানসেৰে অধ্যক্ষ মহোদয় আৰু আমাৰ একতা সভাৰ লগত আলোচনা কৰি তিনিপদ বাদ্য যন্ত্ৰ লোৱাৰ সিদ্ধান্ত কৰা হয়। আৰু হাৰমণিয়াম, তবলা আৰু ঢুলুকী লোৱা হয়।

বিগত বছৰ বোৰৰ দৰে ২০০০-২০০১ বৰ্ষটোত আমাৰ মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰ-ছাত্ৰী সকলক আদৰাৰ উদ্দেশ্য "নবাগত আদৰণি সভা" খনি অনুষ্ঠিত কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক লৈ চিত্ৰ প্ৰদৰ্শনী কাৰ্য্যসুচী লোৱাতো মহাবিদ্যালয়ৰ বাবে প্ৰথম পদক্ষেপ আছিল। প্ৰদৰ্শনী খনে বিশেষভাবে সাফল্য লাভ কৰিছিল। উদ্বোধন কৰে মহাবিদ্যালয় অধ্যক্ষ মহোদয়ে দ্বিতীয় দিনা ন-পুৰণি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলক লৈ এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

বছৰটোৰ উৎসৱ সমূহ উলহ-মালহেৰে সমাপন কৰা হয়। সৰস্বতী পূজা শ্ৰীশ্ৰীশংকৰ দেৱৰ তিনি আমাৰ কাৰ্য্য কালতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰু সকলৰ সহযোগত সুন্দৰ ভাবে সমাপন কৰা হয়।

বছৰটোৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিযোগিতাৰ উৎসৱ মহাবিদ্যালয় সপ্তাহ ৫ দিনিয়া কাৰ্য্যসুচীৰে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা সমূহত যোৱা বছৰৰ তুলনাত প্ৰতিযোগীৰ সংখ্যা বৃদ্ধি হয়। এইবাৰ আমি মহাবিদ্যালয়ত নথকা এটি প্ৰতিযোগিতাৰ বিভাগ নতুনকৈ আৰম্ভ কৰো। আমি "জাতীয় নৃত্য" প্ৰতিযোগিতা বিভাগটো আৰম্ভ কৰিছিলো, আৰু সেই বিভাগত ১২ টা দলে অংশ গ্ৰহণ কৰে।

আমি প্ৰতিযোগিতাৰ প্ৰতিটো বিভাগত যথেষ্ট প্ৰতিযোগী পাইছিলো আৰু প্ৰতিযোগীতাৰ মান যথেষ্ট উন্নত আছিল। আৰু মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা মুকলি সভাত বঁটা বিতৰণ কৰা হয়।

ৰাতিলৈ এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

আমাৰ কাৰ্য্য কালত মহাবিদ্যালয়ৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰা হয়। আৰ্থিক দিশত বহু বাধা পোৱা স্বত্বেও আমি পিচ নপৰি মহোৎসৱত যোগদান কৰি একাংক নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ নায়কৰ বঁটা লাভ কৰে।

আমাৰ কাৰ্য্য কালত কৰিব লগীয়া বহুত আছিল। কিন্তু আৰ্থিক ভাৱে সুবিধা নোহোৱাৰ বাবে কৰিব পৰা নহ'ল তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিছাৰিছো। আমাৰ কাৰ্য্যকালৰ সময়ছোৱাত আমাৰ সমূহ কাম কাজ সুচাৰুকৈ চলাই নিয়াত পৰামৰ্শ ও

বিশেষ ভাবে সহায় আগবঢ়োৱা মহাবিদ্যালয় অধ্যক্ষ মহোদয় ডঃ আলটাফুৰ ৰহমান চাৰৰ লগতে সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক শ্ৰীযুত মুনিন তহবিলদাৰ চাৰ, শ্ৰীযুত পবন গগৈ চাৰ শ্ৰীযুত খগেন শৰ্ম্মাচাৰ, লগতে অন্যান্য শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আমাৰ বিভিন্ন কাম কাজত সততে সহায় আগ বঢ়োৱা ছাত্ৰ-ছাত্ৰী সকল সৰ্বশ্ৰীহিতেন, অচ্যুত, বিশ্ব, মনজিতা, পবিত্ৰা, ৰূপৰেখা, পূৰ্ণিমা, জ্যোতিৰূপা, ৰবিন, যতিন, নিৰূপমা, পৰমানন্দ, প্ৰলাশ এই সকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছো।

শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল ত্ৰুটি সমূহৰ বাবে ক্ষমা বিছাৰিলো। জাগীৰোড মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি, এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা মহাবিদ্যালয়তে আৱদ্ধ নাথাকি বিশ্বৰ বিভিন্ন প্ৰান্তত আলোকিত কৰিব পাৰিব বুলি আন্তৰিক আশা আৰু তাৰ কামনাৰে জয়তু জাগীৰোড মহাবিদ্যালয়। জয়তু জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

**শ্ৰীপ্ৰহ্লাদ কাকতী**
সাংস্কৃতিক সম্পাদক
২০০০-২০০১ বৰ্ষ।

❑❑❑

⇨ ল'ৰা ছোৱালীক প্ৰকৃত মানুহ হ'বলৈ শিক্ষা দিব লাগে। ভদ্ৰলোক বা ভদ্ৰমহিলা নহয়।

— পদ্মনাথ গোহাঞি বৰুৱা।

⇨ যেতিয়া এটা চুটি শব্দৰ দ্বাৰাই তোমাৰ কাম চলে, তেনে স্থলত এটা দীঘল শব্দ কেতিয়াও ব্যৱহাৰ নকৰিবা।

— বাৰ্ট্ৰাণ্ড ৰাছেল।

⇨ সৰ্ববিধ সংকীৰ্ণতাৰ পৰা মুক্তিলাভেই হ'ল শিক্ষাৰ প্ৰকৃত উদ্দেশ্য।

— ড° জাকিৰ হুছেইন।

# বিভাগীয় সম্পাদকৰ প্ৰতিবেদন

# গুৰু খেল সম্পাদকৰ প্ৰতিবেদন

## (১৯৯৯-২০০০ বৰ্ষ)

জয় জয়তে যি সকল ছাত্ৰ-ছাত্ৰীয়ে তথা বন্ধু বান্ধৱীয়ে এই মহান মহাবিদ্যালয়ৰ ১৯৯৯-২০০০ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোৰ ওপৰত আস্থা ৰাখি গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰিলে সেই সকললৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

পোন প্ৰথমে মোৰ কাৰ্য্যকালৰ সময়ত কৰা কামবোৰ সবিশেষ তলত উল্লেখ কৰিছো।

ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ লোৱাৰ কিছুদিনৰ পাছতেই জাগীৰোড ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজন কৰা সীতাজখলা চলন্ত ট্ৰফী ফুটবল লীগ খেলত আমাৰ মহাবিদ্যালয় ফুটবল খেলুৱৈ দলটোয়ে উন্নত মানদণ্ডৰ খেল প্ৰদৰ্শন কৰি দৰ্শক ৰাইজৰ সমাদৰ লাভ কৰিছিল।

ইয়াৰ পিছতেই আমাৰ মহাবিদ্যালয়ে আয়োজন কৰা গুৱহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় সমূহৰ মাজত আন্তঃমহাবিদ্যালয় ফুটবল খেল ১৮-১১-৯৯ ৰ পৰা ২২-১১-৯৯ তাৰিখলৈ অনুস্থিত কৰা হয়। এই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালৰ দলটোয়ে ১৯-১১-৯৯ তাৰিখে কোকোৰাঝাৰ মহাবিদ্যালয়ৰ বিপক্ষে অংশ গ্ৰহণ কৰে। তীব্ৰ প্ৰতিদন্দ্বিতাৰে আৰম্ভ হোৱা খেলখনৰ ফলাফলত আমাৰ মহাবিদ্যালয় ৪-৬ গলৰ ব্যৱধানত পৰাস্ত হয়। আমাৰ মহাবিদ্যালয়ৰ হৈ নিলধৰ দেউৰীয়ে ৩ গল আৰু আৰু উত্তম বৰাই ১গল দিয়ে। মহাবিদ্যালয় সমূহ খেলুৱৈয়ে উন্নত মানদণ্ডৰ খেল পদৰ্শন কৰিছিল যদিও ফলাফল আমাৰ বিপৰিতে গ'ল। ইয়াৰ কাৰণ হ'ল আমাৰ মহাবিদ্যালয়ৰ ফুটবল খেলুৱৈ সকলৰ মাজত সামূহিক অনুশীলনৰ অভাৱ।

কাৰ্য্যকাল শেষহোৱাৰ কিছুদিন আগতে ইং ৩১-১-২০০০ তাৰিখৰ পৰা ৩-২-২০০০ তাৰিখলৈ মহাবিদ্যালয় বাৰ্ষিক উৎসৱ মহাবিদ্যালয় সপ্তাহ আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ সপ্তাহ উপলক্ষে হোৱা বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী সকলে নিজৰ নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰে। মহাবিদ্যালয় সপ্তাহ যি সময়ত অনুস্থিত কৰিব লাগিছিল সেই সময়তকৈ বহুত পিছত অনুস্থিত কৰিব লগাহোৱাত প্ৰতিযোগীৰ সংখ্যা তেনেই সেৰেঙা হয়। ইয়াৰ লগতে সময়ৰ অভাৱৰ বাবে আন্তঃশ্ৰেণী ক্ৰীকেট প্ৰতিযোগিতা লগতে দলৰ অভাৱৰ বাবে আন্তঃশ্ৰণী ফুটবল প্ৰতিযোগিতা সমূহ পাতিব পৰা নগ'ল। ইয়াৰ বাবে মই ক্ৰীকেট খেলুৱৈ সকলৰ ওচৰত ক্ষমা বিচাৰিছো লগতে মই মোৰ পিছৰ সম্পাদকলৈ অনুৰোধ কৰিছো তেখেত সকলে যেন আগতিয়াকৈ হলেও উক্ত প্ৰতিযোগিতা সমূহ অনুস্থিত কৰে।

খেল ধেমালি হ'ল শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। বৰ্তমান বিশ্বৰ বিভিন্ন দেশে খেলা ধুলাৰ উৎকৰ্ষ সাধনৰ কাৰণে নানান ধৰণৰ ব্যৱস্থা হাতত লৈছে। তাৰ তুলনাত আমাৰ দেশ তথা ৰাজ্যত খেলা-ধুলাৰ প্ৰতি সিমান মনোযোগ দিয়া হোৱা নাই। স্কুল আৰু মহাবিদ্যালয়বোৰৰ মাধ্যমতে খেলা-ধুলাৰ প্ৰতি এক আকৰ্ষণ গঢ়ি তুলিব পাৰি। কিন্তু চৰকাৰী সাহাৰ্য্য অবিহনে ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা মাচুলেৰে খেলৰ সামগ্ৰী কিনি খেলৰ অনুশীলন কৰোৱাটো সম্ভৱ নহয়, ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালৰ কৰ্তৃপক্ষই উপযুক্ত খেলুৱৈ হিচাবে গঢ়ি তোলাতো অসম্ভৱ। আমাৰ মহাবিদ্যালয়ত বহুতো উন্নত মানৰ খেলুৱৈ আছে কিন্তু তেওঁলোকে প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা নোপোৱাৰ বাবে আমাৰ ক্ষতি হৈ আছে। তেওঁলোকক উচিত অনুশীলনৰ দ্বাৰা গঢ়ি তুলিলে এদিন তেওঁলোকেই মহাবিদ্যালয়ৰ লগতে দেশখনৰো সু-নাম অৰ্জন কৰিব পাৰিব। সেইয়ে ছাত্ৰ-ছাত্ৰীক অনুৰোধ কৰো যে তেওঁলোকে পঢ়া শুনাৰ লগতে মহাবিদ্যালয়ত অনুস্থিত প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি নিজক এজন প্ৰতিভাবান খেলুৱৈ হিচাপে গঢ়ি তোলক। প্ৰত্যেকজন ছাত্ৰ-

ছাত্ৰীয়ে এটা হলেও খেলত অংস গ্ৰহণ কৰক। যি সকলে খেলত অংশ গ্ৰহণ নকৰে তেওঁলোকে যেন দৰ্শক হিচাপে প্ৰতিযোগীসকলক উৎসাহিত কৰে। মই আশাৰাখিছো ভৱিষ্যতে যেন প্ৰতিযোগিতাসমূহত যথেষ্ট সংখ্যক প্ৰতিযোগী তথা দৰ্শকৰ সমাগম ঘটে।

মোৰ কাৰ্য্যকালছোৱাত মোক বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি সহায়-সহযোগ কৰা "গুৰু ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত অশ্বিনী গোহাঁই ছাৰ লগতে অসমীয়া বিভাগৰ অধ্যাপক হবীবুৰ ৰহমান ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ছাত্ৰ-একতা সভাৰ সদস্য-সদস্যাসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। লগতে মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় কৰা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী-নৱনীত বৰঠাকুৰ, হেমন্ত গোস্বামী, দ্বিপেন বে, ৰাজদীপ দে, মানৱজ্যোতি, ৰচিদ, উত্তম, মৃদুল, উজ্জ্বল, মদনসেন, দিপাংকৰ, ৰাতুল, ৰাকেশ জ্যোতি, তুলিকা, প্ৰণামী, নিৰ্মালি, টুটুমনি, ৰূপজ্যোতি, লুনা, হিমাশ্ৰী, স্মীতা, ৰুবি আদিলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই আৰু কাৰ্য্যসম্পাদন কৰোতে অজানিতে হোৱা ভুলৰ বাবে ক্ষমা মাগি মোৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

"জয়তু জাগীৰোড মহাবিদ্যালয় তথা ছাত্ৰ একতা সভা"

ধন্যবাদেৰে

জয় হিন্দ

**ৰাজু কুমাৰ ডেকা**

ক্ৰীড়া সম্পাদক (গুৰু)

ছাত্ৰ একতা সভা।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

## (২০০০-২০০১)

সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভনিতে মোৰ পৰম পূজনীয় শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ ভক্তিভৰা প্ৰণিপাত নিবেদন কৰিছো। যি সকল মহান সমাজ সেৱকৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত এই জ্ঞান মন্দিৰ জাগীৰোড মহাবিদ্যালয়খনি গঢ় লৈ উঠিল সেই সকল মহান ব্যক্তিলৈকো মই শ্ৰদ্ধাৰ অৰ্ঘ্য আগবঢ়ালো। লগতে শিক্ষানুষ্ঠানখনিলৈ অৰিহনা আগবঢ়োৱা বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান সংগঠন আৰু শুভাকাংক্ষীলৈকো মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছো।

এই খিনিতে মোৰ শ্ৰদ্ধা ও সেৱা এজন মহান সিংহ পুৰুষলৈ আগনবঢ়ালে মোৰ ভুল কৰা হব। সেই জনা মহান সিংহ পুৰুষ হ'ল জাগীৰোড মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰীযুক্ত মহেন্দ্ৰ আহোম দেৱ। যিজন মহান পুৰুষৰ অশেষ ত্যাগ আৰু কষ্টৰ ফল শ্ৰুতিত আজি এই মহাবিদ্যালয় খনি অতি কম দিনৰ ভিতৰতে অসমৰ বিভিন্ন আগশাৰীৰ মহাবিদ্যালয় বিলাকৰ ভিতৰত এক উল্লেখযোগ্য উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে চিহ্নিত হৈছে। সেই জনা স্বনাম ধন্য মহান ব্যক্তিলৈ মই সমূহ জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা এই অঞ্চলৰ সমূহ ৰাইজৰ হৈ সশ্ৰদ্ধ প্ৰনাম ও সেৱা জনাইছো।

মৰিগাঁও জিলাৰ অন্যতম শীৰ্ষ স্থানীয় মহাবিদ্যালয় জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি এই অভাজনক মহাবিদ্যালয় খনি তথা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুবিধা দিয়াৰ বাবে ২০০০-২০০১ চনৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী তথা জাগীৰোড ব্লক ভাৰতীয় জাতীয় ছাত্ৰ সংগঠন (N.S.U.I.) ৰ সমূহ সদস্যলৈ মোৰ হিয়াঁ ভৰা ওলগ যাঁচিলো। বিগত আমাৰ কাৰ্য্যকালৰ সফলতা বিফলতাৰ চমু খতিয়ান এটি আগবঢ়াব ওলাইছো।

বৈচিত্ৰ্যৰ মাজত ঐক্য ভাৰতবৰ্ষৰ মূল বৈশিষ্ট্য। আমাৰ মহাবিদ্যালয় খনিও বৈচিত্ৰ্যৰ মাজত ঐক্যৰ এনাজৰী ডাল সুদৃঢ় কৰি এক সমন্বয়ৰ প্ৰতীক হিচাপে গঢ়ি উঠিছে। আমাৰ মহাবিদ্যালয় খনো যোল্লশৰো অধিক ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন ধৰ্ম, ভাষা,বৰ্ণ, নিৰ্বিশেষে বিভিন্ন ৰাজনৈতিক অৰাজনৈতিক মতাৱলম্বী ছাত্ৰ-ছাত্ৰীৰ এক মিলন ভূমি। আৰ্থিক ভাবে অতি দুৰ্বল পিচপৰা শ্ৰেণীৰ পৰা, ন অসমীয়া থলুৱা জনগোষ্ঠীলৈ চাহ জনগোষ্ঠীৰ পৰা নেপালী বড়ো, কছাৰী, টিৱা, কোঁচ, কৈবৰ্ত্ত লৈ সমাজৰ অতি আঢ্যবন্ত শ্ৰেণীৰ পৰা মধ্যবিত্ত শ্ৰেণীলৈ সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে সম মৰ্য্যদা আৰু সম্প্ৰীতিৰে মহাবিদ্যালয়ত অধ্যয়ন কৰিছে। বিভিন্ন ভাষা সংস্কৃতিৰ মিলনতীৰ্থ আমাৰ এই মহাবিদ্যালয় খনিয়ে সমাজৰ ঐক্য আৰু সম্প্ৰীতিৰ গঠনত এক গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

১৯৭৯ চনত স্থাপিত হোৱা ঐতিহ্যপূৰ্ণ মহাবিদ্যালয় খনিৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে গুৰু দায়িত্ব পালনত মোৰ সীমিত জ্ঞান বুদ্ধিৰে কিমান সফল হ'লো তাক মহোদয়, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে বিবেচনা কৰিব, মই কিন্তু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ আশা আকাঙ্খা অভাৱ অভিযোগবোৰ সমাধান কৰাৰ দায়িত্বত নিজকে জড়িত কৰি নিজেই গৌৰৱান্বিত হৈছো।

**কাৰ্য্যকালৰ চমু খতিয়ান ঃ-** জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে দৈনন্দিন ভোগ কৰি অহা সমস্যা সমূহ নিৰাময় কৰিম বুলি আমি আপ্ৰান চেষ্টা চলাই গৈছিলো। কিন্তু দুখৰ বিষয় যে মহাবিদ্যালয়ৰ অৰ্থনৈতিক দূৰবস্থাৰ কাৰণে ইচ্ছা থাকিলেও আঁচনি সমূহ বাস্তৱত ৰূপায়ন কৰাটো সম্ভৱ হৈ নুঠিল। অৱশ্যে এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন অসুবিধা সমূহ দূৰ কৰাৰ বাবে সততে কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি থকা হৈছিল আৰু নিৰাময়ৰ কাৰণে আলোচনা কৰা হৈছিল।

"পঢ়ায়ে পঢ়ে ৰোৱে পান এই

তিনিয়ে নিচিন্তে আন'' মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ দায়িত্ব গ্ৰহন কৰিয়েই এই প্ৰৱচন ফাঁকিৰ প্ৰতি অধিক গুৰুত্ব দি মহাবিদ্যালয়ৰ প্ৰাংগনত সুস্থ শৈক্ষিক পৰিবেশ অক্ষুন্ন ৰখাৰ উদ্দেশ্যে সুস্থ শৈক্ষিক বাতাবৰণ সৃষ্টিৰ বাবে আমি অহৰহ যন্তপৰ হৈ আহিছো। ইয়াৰ উপৰিও যাতে নিয়মীয়া পাঠ দানৰ ব্যৱস্থা কৰা হয় তাৰ বাবে আমি কৰ্তৃপক্ষক সেই সৰ্ম্পকেও দৃষ্টি আৰ্কষণ কৰিছিলো। আমাৰ কাৰ্য্যকালতেই মহাবিদ্যালয়ৰ পৰা ৰেগিং ব্যাধি নিৰ্মূল কৰাৰ বাবে অভিযান শুভাৰম্ভ কৰা হয় আৰু এই অভিযানত আমি সম্পূৰ্ণ ৰূপে কৃতকাৰ্য্যতা লাভ কৰিছিলো। আমি মহাবিদ্যালয়ত ইউনিফৰ্মৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত গ্ৰহন কৰিছিলো কিন্তু দুখৰ বিষয় কিছুমান অসুবিধাৰ কাৰণে সময়ত সেইটো কাৰ্য্যক্ষম হৈ নুঠিল। আশা ৰাখিছো পৰৱৰ্ত্তী ছাত্ৰ একতা সভাই এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব। যোৱা যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰি বিভিন্ন বিভাগত পাৰদৰ্শিতা দেখুৱাই বিপূল সংখ্যক দৰ্শকৰ সমৰ্থনেৰে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছো। এই খিনিতে উল্লেখ কৰিব বিছাৰো যে এই যুৱ মহোৎসৱত একাংক নাট প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ, মোৰ বন্ধু শ্ৰীঅজিত কুমাৰ বৰদলৈয়ে শ্ৰেষ্ঠ অভিনেতা সন্মানেৰে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। আকৌ ২০ জুনত ৰাভা দিৱস উপলক্ষে জাগীৰোডত জাগীৰোড নাট প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহন কৰি বিচাৰকৰ বিশেষ বঁটাৰে মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনিছো।

অসমৰ আন মহাবিদ্যালয়তকৈ জাগীৰোড মহাবিদ্যালয়ৰ সমস্যা আৰু পৰিস্থিতি কিছু বেলেগ বুলি কব খোজো। বিভিন্ন দৃষ্টিকোণৰ পৰা বিবেচনা কৰি আমি কব পাৰো যে এই মহাবিদ্যালয়ে চৰকাৰৰ সংশিষ্ট কৰ্তৃপক্ষৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা যিমানখিনি সহায় সহযোগ পাব লাগিছিল আজিলৈকে সেইখিনি পোৱা নাই। মহাবিদ্যালয়ৰ অন্তহীন সমস্যাই ক্ৰমবিকাশত যেন বাধাৰ প্ৰাচীৰ হৈ প্ৰায়ে থিয় দিয়ে।

আমাৰ কাৰ্য্যকালতে মহাবিদ্যালয়ৰ আৰ্থিক দূৰৱস্থাৰ দিশলৈ লক্ষ্য ৰাখি প্ৰাক্তন মীনমন্ত্ৰী শ্ৰীবুবুল দাস দেৱক প্ৰাক্তন ৰাজ্যসভাৰ সদস্যা তথা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ অধ্যক্ষা মাননীয়া ড° জয়শ্ৰী গোস্বামী মহন্ত বাইদেউক ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা আমি মহাবিদ্যালয়ৰ চাইকেল ষ্টেণ্ড, ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠাৰ বাবে এক লাখ টকাকৈ বিচাৰি বেলেগে বেলেগে একোখনকৈ স্মাৰক পত্ৰ দিছিলো। কিন্তু দুখৰ বিষয় তেওঁলোকে আমাক টকাখিনি দিম বুলি নবাগত আদৰণি সভাত ঘোষনা কৰিও আজি পৰ্য্যন্ত নিদিলে। এই ক্ষেত্ৰত পিছত আমি তেওঁলোকক লগ কৰিছিলো কিন্তু তেতিয়াও দিম বুলি কৈ নিদিলে।

আমাৰ কাৰ্য্যকালত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱতিথি, সৰস্বতী পূজা, উলহ-মালহেৰে সমূহ ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সহযোগিতাৰে পালন কৰা হয়।

আমাৰ কাৰ্য্যকালতে মহাবিদ্যালয়ৰ কেইবাজনো ছাত্ৰৰ অকাল বিয়োগ হৈছিল। তেওঁলোকৰ বিদেহী আত্মাৰ সদগতি কামনা কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ আৰু ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত একোখনকৈ শোকসভা পতা হয় আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

এই খিনিতে উল্লেখ কৰিব বিছাৰিছো যে জাগীৰোডৰ পৰা পাচ কিলোমিটাৰ দূৰত একবাছ দুৰ্ঘটনাত আমাৰ মহাবিদ্যালয়ৰ T.D.C দ্বিতীয় বৰ্ষৰ (কলা) ছাত্ৰ বুলেন চন্দ্ৰ ডেকাৰ কলেজৰ পৰা ঘৰলৈ যাওঁতে মৃত্যুক সাৱটি লব লগা হৈছিল। সেই দূৰ্ঘটনাত যাত্ৰীসকলক সহায় কৰিবৰ কাৰনে আমি আমাৰ মহাবিদ্যালয়ৰ পৰা N.C.C ছাত্ৰ সকলক লৈ গৈ সহায় অভিযানত C.R.P.F আৰু পুলিচ বাহিনীক সহায় কৰিছিলো। আৰু বুলেন ডেকাৰ মৃতদেহ মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ নি তেওঁলোকৰ পৰিয়ালৰ উপস্থিতিত মৰনোত্তৰ পৰীক্ষা কৰি আমি তেওঁৰমৃতদেহ ঘৰলৈ নিয়াৰ সুবিধা কৰি দিছিলো আৰু তেওঁলোকৰ পৰিয়াল বৰ্গলৈ মহাবিদ্যালয়ৰ পৰা আমি কিছু পৰিমানে আৰ্থিক সাহাৰ্য্য আগবঢ়াইছিলো।

এই খিনিতে মই আৰু এটা কথা গৌৰৱ আৰু আনন্দেৰে উল্লেখ কৰিব ওলাইছো যে আমি ছাত্ৰ একতা সভাৰ সমূহ সদস্যই আৰু মোৰ দুজন বন্ধু যিয়ে যিমান পাৰে টকা দি দুজন একেবাৰে দুখীয়া ঘৰৰ ছাত্ৰ ছাত্ৰীক মহাবিদ্যালয়ত নামভৰ্ত্তি কৰাই দিছিলো।

পৰিষ্কাৰ পৰিচ্চন্নতাৰ আদৰ্শ আগত লৈ আমাৰ কাৰ্য্যকালতে মহাবিদ্যালয়ৰ N.S.S. ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সহযোগিতাত আমাৰ মহাবিদ্যালয়ৰ গোটেই চৌহদ পৰিস্কাৰ কৰাৰ লগতে বৃক্ষ ৰোপন কৰা হৈছিল। এই কাৰ্য্যত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু মহাবিদ্যালয়ৰ প্ৰবক্তা তথা সমাজসেৱা বিভাগৰ তত্ত্বাবধাক শ্ৰীযুত ৰুদ্ৰ দাস ছাৰে ছাত্ৰ-ছাত্ৰী সকলৰ লগত বৃক্ষৰোপন কৰি আমাক তথা ছাত্ৰ ছাত্ৰী

সকলক বিশেষ আনন্দ দিছিল। লগতে মৰিগাওঁ মহাবিদ্যালয়ত আৰু কামৰূপ জিলাৰ হহৰাত হোৱা N.S.S. ৰ কেম্পত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহন কৰা হৈছিল।

**নবাগত আদৰণি সভা ঃ-** নবাগত ছাত্ৰ-ছাত্ৰী সকলক আনুষ্ঠানিক ভাবে আদৰণি জনোৱাৰ উদ্দেশ্যে নবাগত আদৰণি সভাখন দুদিনীয়া কাৰ্য্য সূচীৰে পালন কৰা হয়। প্ৰথম দিনা নবাগত ছাত্ৰ-ছাত্ৰীক আদৰণি আৰু মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত মুখ্য অতিথি হিচাপে প্ৰাক্তন সাহিত্য সভাৰ সভাপতি ড° লক্ষীনন্দন বৰাদেৱে আৰু নিৰ্দিষ্ট বক্তা হিচাপে প্ৰাক্তন অসম সাহিত্য সভাৰ সভাপতি ˝ হিতেশ ডেকা উপস্থিত থাকি তেওঁলোকৰ সাৰুৱা ভাষনেৰে ছাত্ৰ-ছাত্ৰী সকলক বিশেষ ভাবে উপকৃত কৰিছিল। দ্বিতীয় দিনা মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলৰ বাবে গীত মাতৰ অনুষ্ঠান এটি আয়োজন কৰা হয়। এই খিনিতে মই উল্লেখ কৰিব বিছাৰিছো যে আমাৰ নবাগত আদৰণি সভাৰ নিদিষ্ট বক্তা ˝ হিতেশ ডেকা দেৱৰ আমাৰ সভাৰ পৰা যোৱা কেইদিন মানৰ পিছত মৃত্যুক আকোৱালি লৈছিল। তেওঁ মৃত্যুত আমাৰ মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্ৰী তথা ছাত্ৰ-ছাত্ৰী সকলে গভীৰ শোক প্ৰকাশ কৰে আৰু এখনি শোক সভা পাতি তেওঁ বিদেহী আত্মাৰ চিৰশান্তিৰ কামনা কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়। ১৫ আগষ্ট ২০০০ আদৰণি সভাৰ লগত সংগতি ৰাখি আমি প্ৰথম বাৰৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা চিত্ৰ কলা প্ৰদৰ্শনী অনুষ্ঠিত কৰিছিলো।

**মহাবিদ্যালয় সপ্তাহ ঃ-** মহাবিদ্যালয়ৰ সপ্তাহো অতি উলহ মালহেৰে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহত বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণে আমাক আনন্দিত কৰিছিল। বঁটা বিতৰণী সভাখনিত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে সভাপতিত্ব কৰে। মুখ্য অতিথি মাননীয় শ্ৰীযুত উদয়াদিত্য ভৰালী দেৱ উপস্থিত থাকি আমাক আনন্দিত কৰে।

**ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠা ঃ-** আমাৰ কাৰ্য্যকালতে মহাবিদ্যালয় কৰ্ত্তৃপক্ষক ছাত্ৰ-ছাত্ৰীৰ জিৰণীকোঠাৰ নিমাৰ্ণৰ বাবে বিশেষ ভাৱে হেচা প্ৰয়োগকৰা হৈছিল। শেষত আমি ছাত্ৰীৰ বাবে এটি জিৰণী কোঠাৰ ব্যৱস্থা কৰিলো। কিন্তু বিশেষ কাৰণ বশত ছাত্ৰৰ বাবে জিৰণী কোঠাৰ ব্যৱস্থা কৰিব নোৱাৰিলো। এই খিনিতে কব বিচাৰো যে আমাৰ পৰ্কিত থকা আসন সমূহৰ পৰা তাৰে কিছু সংখ্যক আসন কেৱল ছাত্ৰীৰ বাবে সংৰক্ষিত ব্যৱস্থা আমি কৰি দিছিলো।

**চাইকেল ষ্টেণ্ড নিৰ্মাণ ঃ-** আমাৰ মুখ্য দাবী আছিল ছাত্ৰ-ছাত্ৰীৰ চাইকেল সমূহ ৰ'দ বৰষুনৰ পৰা ৰক্ষা কৰিবৰ কাৰণে এটি চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰা। এই ক্ষেত্ৰত মই কৰ্ত্তৃপক্ষক সদায় দৃষ্টি আকৰ্ষণ কৰিছিলো। কিন্তু চাইকেল ষ্টেণ্ডৰ কাৰণে যিমান খিনি টকাৰ প্ৰয়োজন সিমান খিনি টকা চাইকেল ষ্টেণ্ডৰ পূঁজিত নথকা বাবে আমি নিৰ্মাণ কৰিব নোৱাৰিলো। আশা ৰাখিছো পৰৱৰ্ত্তী একতা সভাই ইয়াৰ বিশেষ ব্যৱস্থা হাতত লব।

এবছৰীয়া কাৰ্য্যকালত যি কৰিলো সেয়া মাথো এক ক্ষুদ্ৰ ক্ৰমনিকাহে। কিন্তু কোনোটো কৰ্মসূচীতে কোনোদিনে পিছ হুহকি অহা নাছিলো। মোৰ সহকৰ্মী সকলৰ লগত প্ৰতিটো কৰ্মসূচীতে সৌহাৰ্দ্যপূৰ্ণ মনোভাব গঢ়ি তুলিবলৈ সক্ষম হৈছিলো।

সদৌ শেষত আমাৰ বিগত কাৰ্য্যকাল সফল ৰূপদানৰ ক্ষেত্ৰত বিভিন্ন সজ দিহাপৰামৰ্শ দি সহায় কৰাৰ কাৰণে অধ্যক্ষ মহোদয়, প্ৰমুখ্যে অধ্যাপক অধ্যাপিকা সকলৰ প্ৰতি মোৰ ভক্তি অঞ্জলি জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালত বিভিন্ন বিভাগত সম্পাদক সকলে কাৰ্য্যভাৰ পৰিচালনাত যিদৰে সহযোগিতা আগবঢ়ালে তাৰ বাবে মই তেখেত সকলৰ ওচৰত কৃতজ্ঞ। এইখিনিতে শলাগলৈছো মোক দূৰৰে পৰাই দিহা পৰামৰ্শৰে উপকৃত কৰা প্ৰাক্তন সাধাৰণ সম্পাদক দ্বিপেন বে, প্ৰাক্তন সহ সাধাৰণ সম্পাদক নয়নমনি বৰুৱা। মোৰ কাৰ্য্যকালত ছাঁৰ দৰে লগতে থাকি ভুলত্ৰুটি দেখুৱাই দিয়াৰ লগতে সহায়ৰ হাত আগবঢ়াই অহা মুকুট বৈশ্য, আজিত কুমাৰ বৰদলৈ, মনালিছা, পূৰবী, পুষ্পাঞ্জলী, কবিতা, নমিতা, মল্লিকা, সোনালী, মামু, মিনালী, মনিকা, লোনা, জানমনি, জোনমনিক আন্তৰিকতাৰে কৃতজ্ঞতা জনাইছো। এখেত সকলৰ আন্তৰিক সহযোগিতাৰ কথা মোৰ চিৰদিন স্মৰণীয় হৈ ৰব। সদৌ শেষত মোৰ কাৰ্য্যকালৰ সময়ছোৱাত কৰ্ত্তব্যৰ খাতিৰত বহুতো ছাত্ৰ-ছাত্ৰীক মই বেয়াকৈ কব লগা হৈছিল সেই অনিচ্ছাকৃত ভাবে হোৱা ভুল ত্ৰুটিৰ বাবে এই প্ৰতিবেদনৰ দ্বাৰা সকলোৰে ওচৰত কৰযোৰে মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিলোঁ।

শেষত জাগীৰোড মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যত কামনা কৰিলো।

**"জয়তু জাগীৰোড মহাবিদ্যালয়"**

**"জয় হিন্দ"**

ধন্যবাদেৰে...

**শ্ৰীঅপূৰ্ব্ব ডেকা**
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা, ২০০০-২০০১ বৰ্ষ।

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
## (২০০০-২০০১ বৰ্ষ)

প্ৰতিবেদনৰ আৰম্ভণিতে অধ্যক্ষ মহোদয় আৰু মাননীয় শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। লগতে যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীয়ে ২০০০-২০০১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিপুল সংখ্যক ভোটেৰে মোক সহকাৰী সাধাৰণ-সম্পাদকৰ পদত জয়যুক্ত কৰিলে সেই সকলোলৈকে মোৰ কৃতজ্ঞতা তথা আন্তৰিক ধন্যবাদ জনাইছো।

আমি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰ পৰাই মহাবিদ্যালয়ৰ প্ৰগতি তথা ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগ আদি দুৰ কৰাৰ কাৰণে যথাসাধ্য চেষ্টা কৰিছিলো। অৱশ্যে এই ক্ষেত্ৰত কিমান দূৰ সফল হলো সেইটো বিচাৰৰ ভাৰ ছাত্ৰ ছাত্ৰীসকলৰ ওপৰত। এইখিনিতে এটা কথা উল্লেখ কৰা উচিত হব যে মহাবিদ্যালয় সংবিধান অনুসৰি সহকাৰী সাধাৰণ সম্পাদকৰ তেনে কোনো নিৰ্দিষ্ট কাম নাই। সকলো কামৰ বাবে সাধাৰণ সম্পাদকৰ ওপৰতে নিৰ্ভৰ কৰিব লগীয়া হয়।

আমি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই মহাবিদ্যালয়লৈ নবাগত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তী হয়। এই নবাগত ছাত্ৰ-ছাত্ৰীসকলে যাতে কোনো ধৰণৰ ৰেগিং ব্যাধিৰ কবলত নপৰে তাৰ প্ৰতি দৃঢ় পদক্ষেপ লওঁ।

ইয়াৰ কিছুদিন পাছতেই নৱাগত আদৰণি সভাখন উলহ-মালহেৰে উদযাপন কৰা হয়। মই সহকাৰী সাধাৰণ সম্পাদক হিচাপে সাধাৰণ সম্পাদকক সকলো দিশতে নিষ্ঠাৰে সহায় কৰো।

আন বছৰৰ দৰে এইবাৰো মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। মই বিভাগীয় সম্পাদকসকলক তেওঁলোকৰ কাৰ্য্যাৱলী চলাই নিয়াত সহায় কৰো। বিশেষকৈ গুৰু ক্ৰীয়া বিভাগৰ খেল সমূহ সূচাৰুৰূপে পৰিচালনা কৰি নিয়াত বিভাগীয় সম্পাদকক বিশেষভাবে সহায় কৰো।

আন আন বছৰৰ দৰে এই বছৰতো মহাবিদ্যালয়ত শ্ৰীশ্ৰীসৰস্বতী পূজা, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি পালন কৰা হয়।

আমাৰ কাৰ্য্যকালৰ ভিতৰতে মহাবিদ্যালয়ৰ ছাত্ৰীৰ বাবে ছাত্ৰীৰ জিৰণী কোঠা এটা অস্থায়ী ভাবে নিৰ্মাণ কৰা হয়।

আমাৰ কাৰ্য্যকালৰ সময়তে মহাবিদ্যালয় তিনিগৰাকী ছাত্ৰই অকাল মৃতুক সাবতি লব লগা হয়। ছাত্ৰ-একতা সভাৰ উদ্যোগত মৃত ছাত্ৰ তিনিগৰাকীৰ আত্মাৰ সংগতিৰ বাবে মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলৰ উপস্থিতিত একোখনকৈ শোক সভা পতা হয়। লগতে মৃতকৰ ঘৰলৈ একোটা শোক প্ৰস্তাৱ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰহে অৰ্পণ কৰা হয়।

আমাৰ কাৰ্য্যভাৰ চলাই যাওঁতে মাননীয় অদ্যক্ষ মহোদয় ড° এ. ৰহমান ছাৰৰ পৰা পোৱা সজ পৰামৰ্শৰ বাবে তেখেতৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো  তদুপৰি সমূহ অধ্যাপক অধ্যাপিকাৰ পৰা পোৱা সহায় আৰু সহযোগিতাৰ বাবে তেখেত সকললৈকো মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্য সদস্যা আৰু বন্ধু বান্ধৱ ক্ৰমে অপূৰ্ব্ব ডেকা, দ্বিপেন বে, মৃদুল ডেকা, ৰচিদ, হিতেন, গৌতম, প্ৰহ্লাদ, প্ৰতিষা,তৰালি, মানৱ, পাৰ্থ আশোক, নিলম, জান, হিমাংশু, মদন, নিপাংক, দিগন্ত, মনোজ, তুলিকা, টুটুমনি, নিৰ্মালি, গীতাশ্ৰী, অনিতালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সৰ্বশেষত বিগত কালছোৱাত অজানিতে কৰা নানা ধৰণৰ ভুলৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী বৃন্দৰ ওচৰত ক্ষমা বিচাৰি জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ উজ্জ্বল ভবিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

**জয়তু জাগীৰোড মহাবিদ্যালয়**

**জয় হিন্দ**

শ্ৰীৰাজু কুমাৰ ডেকা
সহকাৰী সাধাৰণ সম্পাদক।

# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## (২০০০-২০০১ বৰ্ষ)

প্ৰতিবেদনৰ আৰম্ভনিতে জাগীৰোড মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধবী সকলৰ প্ৰতি মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, তত্বাৱধায়ক আৰু মাননীয় শিক্ষা গুৰু সকললৈ মোৰ কৃতজ্ঞতা এই প্ৰতিবেদনৰ যোগেদি আগবঢ়ালো।

মোৰ কাৰ্য্য কালত বিগত বছৰৰ দৰে জাগীৰোড ক্ৰীড়া সন্থাৰ দ্বাৰা অনুস্থিত হোৱা সীতা-জখলা দুগ্ধ উৎপাদন ট্ৰফী আন্তঃক্লাৱ ফুটবল লীগত আমাৰ কলেজৰ দলটিয়ে যোগদান কৰে। লগতে জাগীৰোড স্পান চিল্ক মিলৰ ভিতৰত থকা ১২৩ নং চি আৰ, পি, এফৰ সৌজন্যত স্থানীয় ক্লাৱৰ বন্ধুত্বপূৰ্ণ ফুটবল খেল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰো।

২৪-১১-২০০০ ৰ পৰা ২৭-১১-২০০০ তাৰিখলৈকে ছাত্ৰ-একতা সভাৰ সৌজন্যত মহাবিদ্যালয়ৰ সপ্তাহটি অতি উলহ-মালহেৰে পালন কৰা হয় যদিও মোৰ বহিঃ বিভাগৰ ফুটৱল আৰু ক্ৰিকেট প্ৰতিযোগিতাৰ খেল সমূহ ১৩.১১.২০০০ তাৰিখৰ পৰা অনুষ্ঠিত কৰিব লগা হয়। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্নখেলৰ সকলো প্ৰতিযোগিতাতে অতি আগ্ৰহৰে অংশ গ্ৰহণ কৰে।

মোৰ কাৰ্য্য কালছোৱাত প্ৰতিটো পদক্ষেপতে আন্তৰিকতাৰে দিহা-পৰামৰ্শ লগতে সহায় সহযোগ আগবঢ়োৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়, খেল সম্পাদকৰ তত্বাবধায়ক শ্ৰীঅনিল বৰা ছাৰ, শ্ৰদ্ধাৰ শিক্ষা গুৰু শ্ৰীহাবীবুৰ ৰহমান ছাৰ, কলিতা ছাৰৰ লগতে অন্যান্য শিক্ষা গুৰু সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সম্পাদক দায়িত্ব সুকলমে আগবঢ়াই লৈ যোৱাত সহায় কৰা মোৰ মৰমৰ বন্ধু ৰাজু কুমাৰ ডেকা, বুবুল পাটৰ, কৃষ্ণ তেৰণ, পলাশ ডেকা, অনিমেষ দেব বমন, সঞ্জন সেন, অনুপ ঘোষ, প্ৰনৱ ৰয়, ৰাজেশ মালাকাৰ, দীপাঙ্কৰ দত্তবৰুৱা, উজ্বল দে, গোপাল ডেকা, কঙ্কন কলিতাক প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল ত্ৰুটি সমূহৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ।

জাগীৰোড মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে।

জয় আই অসম

**শ্ৰীমৃদুল ডেকা**
খেল সম্পাদক (গুৰু ক্ৰীড়া)
২০০০-২০০১

□□□

# তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধা নিবেদন কৰিছো জাগীৰোড মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলক। ছাত্ৰ একতা সভাৰ ২০০০-২০০১ চনৰ নিৰ্বাচনত তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি যি সকল ছাত্ৰ ছাত্ৰীয়ে মোক প্ৰত্যক্ষ ভাবে কাম কৰাত সহায় কৰিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

বৰ্তমান যুগত যুক্তি-যুক্ত আৰু তথ্য ভিত্তিক তৰ্কই ৰাজনীতি অথবা অন্যান্য ক্ষেত্ৰত কোনো বিষয়ৰ সত্যতা নিৰূপন কৰে। আমি জানো যে প্ৰতিটো বিষয়ৰ ক্ষেত্ৰত প্ৰতিজন মানুহৰ ভিন্ন মত বা ধাৰণা থাকে। গণতান্ত্ৰীক মূল্যবোধেৰে পৰিচালিত এই সমাজত বাক-স্বাধীনতাৰ আলমত যুক্তি আৰু তথ্যৰ দ্বাৰা বিষয়টোৰ সত্যতা ৰূপায়ণ হয়।

কাৰ্য্যভাৰ গ্ৰহণ কৰি বিগত বছৰ সমূহৰ দৰে আমিও তৰ্ক, কুইজ, কবিতা, আবৃত্তি (অসমীয়া, বঙালী, হিন্দী, ইংৰাজী) বক্তিতা প্ৰতিযোগিতা, থিতাতে লিখা কবিতা, চিঠি প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা আয়োজন কৰিছিলো। তাৰোপৰি সদৌ অসম ভিত্তিত যোৰহাট জে. বি. মহাবিদ্যালয়ত অনুষ্ঠিত কৰা তৰ্ক প্ৰতিযোগিতাত যোগদান কৰিবলৈ সুযোগ পাইছিলো। আমাৰ মহাবিদ্যালয়ত যি কোনো প্ৰতিযোগিতাতে প্ৰতিযোগীৰ অভাৱ আছে বুলি মই অনুভৱ কৰিছো বিশেষ নকও মহাবিদ্যালয় সপ্তাহত পতা প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগীৰ সংখ্যা কম হোৱাটো লক্ষণীয়। এজন সম্পূৰ্ণ মানুহ হিচাবে আজিৰ সমাজত ঠিয় হবলৈ এই বিষয় সমূহৰ অধিক গুৰুত্ব আছে। তৎসত্বেও আমাৰ মহাবিদ্যালয়ত এই বিভাগটোৰ ক্ৰমবৰ্ধমান নিষ্ক্ৰিয়তা বৰ দুৰ্ভাগ্যজনক বুলি মই অপকটে স্বীকাৰ কৰিছো।

বিভাগীয় কাম সমূহ সুকলমে চলাই নিবলৈ যি সকলে সহায় তথা পৰামৰ্শ আগবঢ়ালে তাৰ বাবে বন্ধু-বান্ধৱী বৰ্গৰ লগতে শ্ৰীৰচিদ আলিক মই ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি জাগীৰোড মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি সামৰিছো।

**দীপ ৰাজবংশী**
সম্পাদক, তৰ্ক আৰু সাহিত্য বিভাগ।

# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে জাগীৰোড মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় আৰু অধ্যাপক আধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। ২০০০-২০০১ চনৰ বছৰটোৰ বাবে সমাজ সেৱা সম্পাদক হিচাপে মোক নিৰ্বাচন কৰি পদটিৰ যোগেদি আপোনাসবলৈ কিছু সেৱা আগবঢ়োৱাৰ সুযোগকন দিয়াত জাগীৰোড মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ কৰ্মকতাকে মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই ২০০০ চনৰ ১৭ জুনৰ দিনা শপত গ্ৰহন কৰো। দায়িত্ব গ্ৰহণ কৰি মনৰ মাজত থকা বহুদিনৰ পৰিকল্পনা সমূহ কাৰ্য্যকৰী কৰাৰ আশাৰে ১৭ আগষ্টৰ দিনা আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীক লগত লৈ আমাৰ কলেজৰ চৌহদ পৰিষ্কাৰ কৰা হয়। আৰু লগতে আমাৰ কলেজৰ শ্বহীদবেদীটো পৰিষ্কাৰ কৰি ৰং দিয়া হয়। তাৰ পিছত ১৮-১৯ আগষ্টত উলহ-মালহৰে ছাত্ৰ-ছাত্ৰীৰ উৎসাহজনক উপস্থিতিৰে নবাগত আদৰণি সভা উদযাপন কৰা হয়। ইয়াৰ পিছতো সময়ে সময়ে কলেজ চৌহদ পৰিষ্কাৰ কৰা হয়।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সু-পৰামৰ্শৰে অনুপ্ৰানিত কৰা মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীযুত ৰুদ্ৰ দাস চাৰ লগতে শিক্ষাগুৰু সকল মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰিলৈ কৃতজ্ঞতা যাচিলোঁ।

আমাৰ কাৰ্য্যকালত হোৱা ভুল ক্ৰুটিবোৰৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। বিগত বছৰটোত মোৰ প্ৰতিটো ক্ষণতে সহায় সহযোগিতা আগবঢ়োৱা সকলো ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। নবগঠিত ছাত্ৰ একতা সভালৈকো মোৰ অন্তৰ ভৰা মৰম শুভেচ্ছাখিনি যাচি জাগীৰোড মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত কামনাৰে মোৰ প্ৰতিবেদন সামৰিলো।

**ৰছিদ আলী**
সম্পাদক, সমাজসেৱা
ছাত্ৰ একতা সভা, ২০০০-০১

□□□

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে জাগীৰোড মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। ছাত্ৰ-একতা সভাৰ সকলো বিষয়ববীয়া তত্বাৱধায়ক আৰু মোৰ পৰম পূজনীয় অধ্যক্ষ মহোদয় লগতে অধ্যাপক অধ্যাপিকা সকললৈ ভক্তিভৰা প্ৰণিপাত নিবেদিলো।

১৯৭৯ চনতেই স্থাপন কৰা জাগীৰোড মহাবিদ্যালয় খনিয়ে ২১ বছৰ অতিক্ৰম কৰিলে কিন্তু আজিলৈকে মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ বাবে ছাত্ৰ জিৰণী কোঠা এটাৰ অভাৱ পূৰণ কৰিব পৰা নাই।

অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ ভিতৰত জাগীৰোড মহাবিদ্যালয়ো উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে নাম থকা মহাবিদ্যালয়। সেয়েহে ইমান ডাঙৰ মহাবিদ্যালয় এখনত এটা ছাত্ৰ জিৰণী কোঠাৰ অতিকৈ প্ৰয়োজন। কিয়নো শ্ৰেণী নথকা সময়ত ছাত্ৰসকলে যথেষ্ট অসুবিধা ভুগিব লাগে। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত মোৰ এটি বিনম্ৰ অনুৰোধ যাতে মোৰ পিছত সম্পাদকৰ কাৰ্য্যকালত এটি ছাত্ৰ-জিৰণী কোঠা স্থাপনত গুৰুত্ব দিয়ে।

ছাত্ৰ ছাত্ৰী সমূহৰ ওচৰত মই ক্ষমা প্ৰাৰ্থনা মাগিছো কিয়নো মোৰ কাৰ্য্যকালত আপোনালোকৰ অভাৱ পূৰণ কৰিব নোৱাৰিলো। বিগত বছৰটোৰ মোৰ প্ৰতিটো ক্ষণতে সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ-একতা সভাৰ প্ৰতিজন সম্পাদকলৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে নব নিৰ্বাচিত ছাত্ৰ-একতা সভাৰ প্ৰতিজন সম্পাদকলৈ মোৰ আন্তৰ ভৰা মৰম তথা শুভেচ্ছা যাচি জাগীৰোড মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে মোৰ প্ৰতিবেদন সামৰিলো।

**শ্ৰীহিতেন ডেকা**
সম্পাদক ছাত্ৰ-জিৰণী কোঠা
ছাত্ৰ একতা সভাৰ ২০০০-২০০১।

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ পৰম পূজনীয় শিক্ষাগুৰু সকললৈ মোৰ ভক্তি ভৰা প্ৰনিপাত জনাইছো। যি সকল মহান সমাজ সেৱকৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত এই জ্ঞান মন্দিৰ গঢ়ি উঠিল সেই সকল মহান ব্যক্তিলৈকো মোৰ শ্ৰদ্ধাৰ অৰ্ঘ্য আগবঢ়ালো।

অসমৰ বিভিন্ন সংগ্ৰামত যিসকলে আই মাতৃৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিলে সেইসকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধা নিবেদিছো।

২০০০-২০০১ চনৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে যি গধুৰ দায়িত্ব মোৰ উপৰত ন্যস্ত কৰা হ'ল তাৰ দ্বাৰা মোক সেৱা অগবঢ়াবলৈ সুবিধা কৰি দিলে, তাৰ বাবে মই সকলোকে ধন্যবাদ জ্ঞাপন কৰিলো।

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদত নিৰ্বাচিত হৈ মই বহুতো কিবা কৰিম বুলি আশা কৰিছিলো। কিন্তু, সেই সকলোবোৰ সম্পূৰ্ণ ৰূপে কৰি তুলিব নোৱাৰিলো। প্ৰতি বছৰে প্ৰতি গৰাকী সম্পাদিকাই যিবোৰ অভাব অভিযোগৰ মাজেৰে আগবাঢ়িব লগাত পৰিছিল মই ভাবিছিলো মোৰ ক্ষেত্ৰত কিছু হলেও লাঘৱ কৰিব পাৰিম। কিন্তু মোৰ আশা, আশা হৈয়ে ৰ'ল। বহু চেষ্টা কৰিও ছাত্ৰী জিৰণী কোঠাটো উন্নত কৰিব নোৱাৰিলো।

বৰ্তমানেও আমাৰ ছাত্ৰী জিৰণী কোঠাৰ বাবে ভালেখিনি অভাব আছে সেয়েহে মোৰ মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত বিনম্ৰ অনুৰোধ যাতে মোৰ পিছৰ সম্পাদিকাৰ কাৰ্য্যকালত এই অভাববোৰৰ প্ৰতি লক্ষ্য ৰাখে।

মোৰ এবছৰীয়া কাৰ্য্য কালত মই কৰা কেইটামান কামৰ বিষয়ে উল্লেখ কৰিলো। মোৰ কাৰ্য্যকালত মই মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত ওজৰ আপত্তি কৰি জাগীৰোড মহাবিদ্যালয়ৰ বহুদিনিয়া অভাৱ ছাত্ৰী জিৰণী কোঠা নিমাৰ্ণ কৰালো। জিৰণী কোঠাৰ বাবে এখন দাপোন (আইনা), দুখন কেৰমবৰ্ড, কেইখনমান ডেস্ক-বেন্স, লগতে এখন চাইনবৰ্ড যোগাৰ কৰিলো। এই বস্তু কেইটা যোগাৰ কৰোতে বহুতো কষ্ট কৰিব লগা হৈছিল। ইয়াৰ মাজতো হয়তু অজানিতে ভুল কৰিছিলো। তাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিছাৰিছো। বিগত বছৰটোত মোৰ প্ৰতিটো ক্ষণতে সহায়-সহযোগ আগবঢ়াই অহা ছাত্ৰ একতা সভাৰ সকলো সম্পাদক সম্পাদিকালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

শেষত,জাগীৰোড মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয় আৰু মাননীয় অধ্যাপক অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰি লগতে মোক সেৱা আগবঢ়াবলৈ সুবিধা কৰি দিয়া শ্ৰীনৰণীত বৰঠাকুৰ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। নৱ গঠিত ছাত্ৰ-একতা সভালৈ মোৰ শুভেচ্ছা যাচি জাগীৰোড মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয় আই অসম।"

"জয়তু জাগীৰোড মহাবিদ্যালয়"

"জয়তু জাগীৰোড মহাবিদ্যালয় ছাত্ৰ একতা সভা"

ধন্যবাদ সহকাৰে....

**তৰালী ডেকা**
সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা
২০০০-২০০১

# English Section

⇨ Peace comes not from the absense of conflict in life but from the ability to cope with it.

**– ANONYMOUS.**

⇨ Conversation means being able to disagree and still continue the discussion.

**– DWIGHT MACDONALD.**

⇨ A nation without heroes is a nation without a future.

**– MARYA MANNES.**

⇨ The poets duty is to be clinicaly minded,and poetry should be clinical, a kind of therapy performing a function analogous to the prychonalytic.

**– ODEN.**

# KNOWLEDGE ECONOMY : EMERGENCE, PROSPECTS AND IMPACT ON HIGHER EDUCATION IN INDIA : A BRIEF OUTLINE

**Sohail Ahmed,** Lecturer
Department of English

Though the term might appear relatively unfamiliar, knowledge economy has already emerged and established a firm base in India bringing sweeping changes in the realm of Higher education. The concept emerged as an offshoot of the ongoing proan of globalization, spearheaded by WTO and other international financial institutions. Our country has provided the necessary backdrop for its development in the wake of the decade long economic "reforms", Media has gloated over the icons of knowledge economy like Bill gates, Aziz Premji, Narayan Marthy, Subhas Chandra at all sketching larger than life portraits. The stampede towards the magic epithet of information technology is bound to alter the higher education scenario of the country. The sharp dicline in budget allocations on education especially higher education has set the tone for a racial change in every sphere. In fact the impact of knowledge economy appears to be more far reaching than earlier conceived, grave doubts and serious reservations have already been expressed about, further stratification of higher education crossed by its fanning einds. In a society and nation already beset by many inequalities knowledge economy promises to 'level' them. Though there are many questions hovering around, it must be realized that one of the fait accompli of liberalization is the development of knowledge economy.

